www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

আজিৰ কাকতৰ বিশেষ পৃষ্ঠা
সাহিত্য বীক্ষণ ৫ পৃষ্ঠাত

ষষ্ঠ বছৰ | সংখ্যা - ১২৫ | শনিবাৰ | ১৪ জুন, ২০২৫ চন | ৩১ জেঠ, ১৯৪৭ শক | VOL - 6 | NO.- 125 | Saturday | 14th June, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

হনুমান মন্দিৰৰ কাষত সন্দেহজনক গো-মাংস সদৃশ বস্তু উদ্ধাৰক লৈ আজিও অব্যাহত চাঞ্চল্য

## ধুবুৰীক অশান্ত কৰিবলৈ বিচৰা অপশক্তিৰ বিৰুদ্ধে 'শ্যুট এণ্ড ছাইট'ৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



**অসম বাৰ্তা, ধুবুৰী, ১৩ জুন ঃ** মুছলমান ধৰ্মালম্বী লোক সকলৰ পবিত্ৰ বকৰীঈদৰ দিনা পুৱাই ধুবুৰী জিলাৰ বালুৰচৰস্থিত হনুমান মন্দিৰৰ কাষত সন্দেহজনক গো-মাংস সদৃশ বস্তু উদ্ধাৰ হয়। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। মন্দিৰৰ কাষত এইধৰণৰ বস্তু পোৱাক লৈ স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হয় আৰু শ শ স্থানীয় ৰাইজে ঘটনাস্থলীত সমবেত ■ ৭ পৃষ্ঠাত

## আহমেদাবাদৰ দুৰ্ঘটনাগ্ৰস্ত বিমানৰ ব্লেক বক্স উদ্ধাৰ

ফৰেণচিক বিশেষজ্ঞ দলৰ পুংখানুপুংখ তদন্ত আৰম্ভ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ জুন ঃ** আহমেদাবাদৰ বিমান দুৰ্ঘটনাস্থলীত আজি ফৰেণচিক বিশেষজ্ঞসকলৰ এটা দলে পুংখানুপুংখ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ঘটনাস্থলীৰ পৰা বিমানখনৰ এটা ব্লেক বক্স উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এয়াৰ ট্ৰেফিক সেৱা চমুকৈ এ টি এছৰ দলে দুৰ্ঘটনাস্থলীৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰিছিল। দুৰ্ঘটনাটোৰ তদন্ত পূৰ্ণ গতিত চলি আছে ■ ৭ পৃষ্ঠাত

বিৰোধী দলসমূহে প্ৰক্ষেপ নকৰিলে কোনো প্ৰাৰ্থী

## বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ অসমৰ দুই মিত্ৰজোঁটৰ প্ৰাৰ্থী

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ জুন ঃ** অসমৰ পৰা এন ডি এৰ দুই প্ৰাৰ্থী ক্ৰমে বিজেপিৰ কনদ পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। ৰাজ্যসভা নিৰ্বাচনৰ বাবে বিৰোধী দলসমূহে কোনো প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাছিল। মনোনয়ন দাখিলৰ শেষ তাৰিখ আছিল ১২ জুন অৰ্থাৎ বৃহস্পতিবাৰ। বিজেপিৰ কনদ পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক ৰাজ্যসভাত বিৰোধীভাৱে ■ ৭ পৃষ্ঠাত





■ একমাত্ৰ জীৱিত ব্যক্তিৰ ল'লে স্বাস্থ্যৰ বুজ ■ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালক সাক্ষাৎ

# অভিশপ্ত বিমান দুৰ্ঘটনাস্থলীত প্ৰধানমন্ত্ৰী মোদী

## উৎকট গৰম ! ধেমাজিত এজন ছাত্ৰৰ মৃত্যু

**অসম বাৰ্তা, ধেমাজি, ১৩ জুন ঃ** ধেমাজিত প্ৰচণ্ড গৰমৰ বাবে ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন ছাত্ৰৰ মৃত্যু হৈছে। ছাত্ৰজনৰ নাম অভিজ্ঞান ফুকন। গৰমৰ মাজতে বিদ্যালয়ত পাঠ গ্ৰহণ কৰি ঘৰলৈ ■ ৭ পৃষ্ঠাত

## এই ভয়াবহ দুৰ্ঘটনাটোৱে দেশবাসীক শোকস্তব্ধ কৰি তুলিছে ঃ প্ৰধানমন্ত্ৰী

**অসম বাৰ্তা, আহমেদাবাদ, ১৩ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়। কালিৰ বিমান দুৰ্ঘটনাটোৰ প্ৰসংগত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে আহমেদাবাদত সংঘটিত এই ভয়াবহ দুৰ্ঘটনাটোৱে দেশবাসীক শোকস্তব্ধ কৰি তুলিছে। এই হৃদয়বিদাৰক দুৰ্ঘটনাটোত বৃহৎ সংখ্যক লোকৰ প্ৰাণহানি ঘটাৰ ■ ৭ পৃষ্ঠাত



## বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত অসম চৰকাৰৰ

**অসমবাৰ্তা, গুৱাহাটী, ১৩ জুন ঃ** বিগত দিনত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত ৰাজ্য চৰকাৰে জাতীয় উৎসৱ বিহু আৰু চাহ জনগোষ্ঠীৰ ঝুমইৰ নৃত্য ইতিমধ্যে সফলতাৰে অনুষ্ঠিত কৰিছে। ঠিক তেনেদৰে চলিত বৰ্ষৰ নৱেম্বৰ অথবা ডিচেম্বৰ মাহৰ প্ৰথম ■ ৭ পৃষ্ঠাত

## বেদখলকাৰীৰ কবলত সত্ৰৰ ১৫,২৮৮.৫২ বিঘাৰো অধিক ভূমি

**অসম বাৰ্তা, গুৱাহাটী, ১৩ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে এক চমকদাৰ তথ্য উল্লেখ কৰি কয় যে ২৯খন জিলাত সত্ৰ ভূমিৰ ১৫, ২৮৮ বিঘা মাটি অবৈধভাৱে দখল কৰা হৈছে। সত্ৰ ভূমি অসমৰ বৈষ্ণৱ সংস্কৃতিৰ এক পবিত্ৰ স্থান। সামাজিক ■ ৭ পৃষ্ঠাত

## বিমান দুৰ্ঘটনাস্থলী পৰিদৰ্শন কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ জুন ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি দুৰ্ঘটনাৰ কেইঘণ্টামান পাছতেই আহমেদাবাদ পৰিদৰ্শন কৰে। তেওঁ উদ্ধাৰ আৰু সাহায্য অভিযানৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ■ ৭ পৃষ্ঠাত

## ইজৰাইলৰ আক্ৰমণত মৃত্যু ইৰাণৰ ৰিভল্যুচনেৰী গাৰ্ডৰ মূৰব্বীৰ

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ জুন ঃ** ইজৰাইলৰ আক্ৰমণত তচনচ হৈছে ইৰানৰ ৰাজধানী তেহৰান। ইজৰাইলে পুৱতিনিশা ইৰাণৰ পাৰমাণৱিক স্থানক লক্ষ্য কৰি লৈছিল। ইৰাণেও ইজৰাইলৰ বিৰুদ্ধে প্ৰতিশোধমূলক ব্যৱস্থা ■ ৭ পৃষ্ঠাত

এইবাৰ বন্ধ হ'ল কৃষ্ণা চিনেমাগৃহ

## অবিভক্ত নগাঁও জিলাত বন্ধ হ'ল ১৯ টাকৈ চিনেমাগৃহ

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১৩ জুন ঃ** বিভিন্ন কাৰণত অবিভক্ত নগাঁও জিলাৰ ১৯ টাকৈ চিনেমাগৃহ বন্ধ হৈছে। ই সাংস্কৃতিক জগতৰ বাবে অত্যন্ত বেয়া সংবাদ। নগাঁও জিলাৰ আঠটা, হোজাই জিলাৰ সাতটা আৰু মৰিগাঁও জিলাৰ চাৰিটাকৈ চিনেমাগৃহ ইতিমধ্যে বন্ধ হৈ পৰিছে। প্ৰায় চাৰিটা দশক ধৰি নগাঁও চহৰৰ এক সাংস্কৃতিক ঐতিহ্য বহন কৰি অহা অভিজাত চিনেমাগৃহ 'অদিতি', জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি বিজৰিত 'জয়শ্ৰী' আৰু নগাঁও চহৰৰ এলফিনষ্টোন চিনেমা গৃহ বন্ধ হৈ ইতিহাস হৈ পৰাৰ পাছত এইবাৰ বন্ধ হৈ ■ ৭ পৃষ্ঠাত



## ধুবুৰীত নিয়োগ কৰা হ'ব অতিৰিক্ত নিৰাপত্তা বাহিনী

**ষ্টাফ ৰিপ'টাৰ, ধুবুৰী, ১৩ জুন ঃ** গো-মাংস কাণ্ডক লৈ এতিয়াও উত্তেজনা অব্যাহত আছে ধুবুৰীত। জিলাখনৰ হনুমান মন্দিৰ চৌহদৰ ভিতৰত কিছুদিন পূৰ্বে নিষিদ্ধ মাংস উদ্ধাৰ হোৱা ঘটনাৰ পিছতে সৃষ্টি হোৱা উত্তেজনা তথা অপ্ৰীতিকৰ পৰিস্থিতিৰ বুজ লোৱাৰ ■ ৭ পৃষ্ঠাত



NRC আৰু ডিটেনচন কেম্পৰ প্ৰসংগত মুখ্যমন্ত্ৰী প্ৰত্যাহ্বান প্ৰাক্তন IAS বিষয়াৰ

## ডিটেনচন কেম্পত থকাসকলৰ হৈ মাত মতাটো যদি অপৰাধ তেন্তে মুখ্যমন্ত্ৰীয়ে মোক গ্ৰেপ্তাৰ কৰক

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ জুন ঃ** 'ডিটেনচন চেণ্টাৰত থকাসকলৰ হৈ মাত মতাটো যদি অপৰাধ, তেন্তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মোক গ্ৰেপ্তাৰ কৰক'। এইবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰিলে প্ৰাক্তন IAS বিষয়া হৰ্ষ মাণ্ডেৰে। NRC আৰু ডিটেনচন কেম্পৰ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্তক প্ৰত্যাহ্বান জনালে প্ৰাক্তন IAS বিষয়া হৰ্ষ মাণ্ডেৰে। অসমত হোৱা NRCখন ধ্বংস কৰাৰ মূলতে ■ ৭ পৃষ্ঠাত

## নাজিৰাৰ বাসগৃহলৈ অনা হ'ল আহমেদাবাদত মৃত্যু হোৱা শিৱালী কাশ্যপৰ মৃতদেহ



**অসম বাৰ্তা, গেলেকী, ১৪ জুন ঃ** আজি নাজিৰাস্থিত স্ব-গৃহ পালেহি আহমেদাবাদত ৰহস্যজনক মৃত্যুক আঁকোৱালি লোৱা নাজিৰাৰ শিৱালী কাশ্যপৰ নিথৰদেহ। শোকাকুল পৰিৱেশ নাজিৰাৰ শিৱালীৰ স্ব-গৃহত। আজি পুৱাই ■ ৭ পৃষ্ঠাত

## আদানী গ্ৰুপক ভূমি প্ৰদানৰ বিৰুদ্ধে বাশবাৰীত অব্যাহত প্ৰতিবাদ

**অসম বাৰ্তা, তামাৰহাট, ১৩ জুন ঃ** বনিক গোষ্ঠী আদানী গ্ৰুপক ভূমি প্ৰদানৰ বিৰুদ্ধে আজি তৃতীয় দিনাও পৰ্বতঝোৰাৰ বাশবাৰীত প্ৰতিবাদ ■ ৭ পৃষ্ঠাত



নগাঁৱৰ মাজপোতনী, উৰিয়াগাঁও,মাজ পাঠৰি পানী যোগান আঁচনিৰ বিশুদ্ধ খোৱাপানী যোগানৰ নামত ভেকোভাওনা

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ হৰ ঘৰ নল, হৰ ঘৰ জল শ্লোগান প্ৰহসনত পৰিণত

## অনিয়মীয়া পানী যোগানত অতিষ্ঠ জনসাধাৰণ




**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ গ্ৰামাঞ্চলৰ ৰাইজক ঘৰে ঘৰে বিশুদ্ধ পানী যোগান যোগান ধৰাৰ উদ্দেশ্যৰে জলজীৱন মিছন নামৰ অভিলাষী আঁচনিখন ৰূপায়ণ কৰিছিল যদিও উক্ত আঁচনিখনৰ পৰা গ্ৰাম্যাঞ্চলৰ অধিকাংশ ৰাইজ উপকৃত নোহোৱাৰ অভিযোগ উঠিছে।তেনেকুৱা প্ৰকল্প হৈছে নগাঁও জিলাৰ মাজপোতনী পানী যোগান আঁচনি,উৰিয়াগাঁও পানী যোগান আঁচনি আৰু মাজপাঠৰি পানী যোগান আঁচনি।জানিব পৰা মতে, নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত উক্ত প্ৰকল্পকেইটা পুনৰ নিৰ্মাণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে জলজীৱন আঁচনিৰ অধীনত কোটি কোটি টকা অনুমোদন জনাইছিল।কিন্তু সংশ্লিষ্ট বিভাগৰ দায়িত্বহীনতা তথা অকৰ্মণ্যতাৰ বাবেই তিনিওখন পানী যোগান আঁচনিৰ পৰা অঞ্চলটোৰ অধিকাংশ গঞা ৰাইজে নিয়মীয়াকৈ বিশুদ্ধ খোৱাপানী লাভ নকৰাৰ অভিযোগ উঠিছে।জনস্বাস্থ্য কাৰিকৰী বিভাগ নগাঁও সংমণ্ডলৰ অধীনৰ মাজপোতনী পানী যোগান আঁচনিখনৰ পৰা স্থানীয় ৰাইজে বিগত তিনিমাহ ধৰি বিশুদ্ধ খোৱাপানী লাভ কৰা নাই।সংশ্লিষ্ট বিভাগে আজিৰ পৰা ২ বছৰ পূৰ্বে নিৰ্মাণ কৰা এই আঁচনিখনৰ পৰা প্ৰথমাৱস্থাত স্থানীয় ৰাইজে নিয়মিতভাৱে বিশুদ্ধ খোৱাপানী লাভ কৰিবলৈ সক্ষম হৈছে।কিন্তু পৰৱৰ্তী সময়ত জনস্বাস্থ্য কাৰিকৰী বিভাগে আঁচনিখনৰ সঠিক পৰ্যবেক্ষন তথা চোৱাচিতা নকৰাৰ বাবেই পানী যোগান আঁচনিখনত কিছু বিসংগতিৰ সৃষ্টি হোৱাত ৰাইজক খোৱাপানী যোগান ধৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈ আহিছে।শেহতীয়াকৈ পানী যোগান আঁচনিখনৰ বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰটো বিকল হৈ থকাৰ বাবে বিগত তিনিমাহ ধৰি তিনি শতাধিক পৰিয়ালে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈছে।এই সন্দৰ্ভত ৰাইজে স্থানীয় বিধায়ক আৰু বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছে যদিও সংশ্লিষ্ট বিভাগে বিকল ট্ৰেন্সফৰ্মাৰটোৰ মেৰামতি কৰাৰ ক্ষেত্ৰত একো ব্যৱস্থা গ্ৰহণ কৰা নাই।ইয়াৰ বিপৰীতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াই পানীযোগান আঁচনিখনৰ বিকল ট্ৰেন্সফৰ্মাৰটোৰ মেৰামতিৰ কৰাৰ দায়িত্ব গাঁও পঞ্চায়ত কাৰ্যালয়ৰ বুলিহে মন্তব্য কৰি নিজৰ দায় সাৰিব বিচাৰিছে।উল্লেখ্য যে, এটা ট্ৰেন্সফৰ্মাৰ নতুনকৈ স্থাপন কৰা বা মেৰামতি কৰিবলৈ মোটা অংকৰ পুঁজিৰ প্ৰয়োজন হয়।তেনেস্থলত ট্ৰেন্সফৰ্মাৰটো মেৰামতি কৰিবৰ বাবে গাঁও পঞ্চায়তৰ কাৰ্যালয়ে ইমান বৃহৎ সংখ্যক পুঁজিৰ ধন ক'ৰ পৰা পাব,ই এক বিচাৰ্যৰ বিষয় হিচাপে পৰিগণিত হৈছে।একেদৰে উৰিয়াগাঁও পানী যোগান আঁচনিখনৰ পৰাও স্থানীয় ৰাইজে নিয়মীয়াকৈ বিশুদ্ধ খোৱাপানী লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে।আশীৰ দশকতে স্থাপন কৰা স্থাপন কৰা এই পানী যোগান আঁচনিখন পৰৱৰ্তী সময়ত শাসকীয় বি.জে.পি চৰকাৰৰ কাৰ্যকালত জলজীৱন মিছনৰ অধীনত পুনৰ নিৰ্মাণ কৰা হ'ল যদিও আজিকোপতি আঁচনিখন পূৰ্ণ পৰ্যায়ত কাৰ্যক্ষম হৈ নুঠিল।চাৰি শতাধিক পৰিয়ালক সামৰি স্থাপন কৰা এই পানী যোগান আঁচনিখনৰ ঠায়ে ঠায়ে মাটিৰ তলত স্থাপন কৰা পানী পৰিবাহী পাইপসমূহত বিন্ধা ওলোৱাত বিশেষকৈ মাজ উৰিয়াগাঁও,অৰ্জুন তল,নামকুৰি গাঁৱৰ ৰাইজে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱাপানী লাভ কৰা নাই।আনকি একাংশ লোকে ঘৰুৱা টেপৰ পানী সংযোগ কৰা লাইনত বৈদ্যুতিক মটৰ সংযোগ কৰি নিজৰ গৃহৰ অভাৰ হেড টেংকীলৈ পানী উঠোৱাৰ ব্যৱস্থা কৰাৰ বাবে বহু দূৰৰ গাঁৱৰ পৰিয়াললৈ আঁচনিখনৰ জৰিয়তে পানী প্ৰবাহ কৰাৰ ক্ষেত্ৰত বাধা আহি পৰিছে।তদুপৰি এটা বৃহৎ এলেকাক সামৰি পানী যোগান আঁচনিখন নিৰ্মাণ কৰা হৈছিল কিন্তু আঁচনিখনৰ বহন ক্ষমতা কম হোৱাৰ বাবে প্ৰকল্পটোৰ অন্তৰ্গত গোমোঠা গাঁও,ভোটাইগাঁৱৰ বহু পৰিয়ালে আজিকোপতি এটুপি বিশুদ্ধ খোৱাপানী লাভ কৰিবলৈ সক্ষম হোৱা নাই।বৰ্তমান উক্ত গাঁৱৰ বহু পৰিয়ালৰ গৃহত স্থাপন কৰা পকী পানী টেপসমূহ পৰিত্যক্ত অৱস্থাত আছে।আনহাতে, মাজপাঠৰী পানী যোগান আঁচনিখনৰ কাৰিকৰী বিসংগতিৰ বাবেই অঞ্চলটোৰ জনসাধাৰণে নিয়মীয়াকৈ বিশুদ্ধ খোৱাপানী লাভ নকৰাৰ অভিযোগ উঠিছে।জানিব পৰা মতে, প্ৰকল্পটোৰ অভাৰ হেড টেংকি আৰু পথৰ দাঁতিত স্থাপন কৰা পানী পৰিবাহী পাইপত ফুঁটা ওলোৱাৰ বাবে সংশ্লিষ্ট বিভাগৰ কৰ্মচাৰীয়ে স্থানীয় ৰাইজক নিয়মীয়াকৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিব পৰা নাই।চাৰি শতাধিক পৰিয়ালক সামৰি স্থাপন কৰা এই পানী যোগান আঁচনিখনৰ এলেকাৰ বিষয়কৈ মাজপাঠৰি শইকীয়া চুক,পণ্ডিত চুক,শিঙিয়া চুক বৰনামঘৰৰ বহুলোকে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে।উল্লেখযোগ্য যে, ২০২৩ বৰ্ষৰ ১১ জানুৱাৰীত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিধায়ক জিতু গোস্বামীৰ উপস্থিতিত জল জীৱন মিছনৰ অধীনত উৰিয়া গাঁও,মাজপোতনী,মাজপাঠৰি পানী যোগান আঁচনিখন উদ্বোধন কৰি ৰাইজলৈ সমৰ্পন কৰিছিল।কিন্তু পৰৱৰ্তী সময়ত আঁচনিকেইখন কাৰ্যক্ষম কৰি ৰখাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ সঠিক পৰ্যবেক্ষণ আৰু মেৰামতিৰ অভাৱৰ বাবেই স্থানীয় জনসাধাৰণে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে।বিভাগীয় কৰ্তৃপক্ষৰ এনে কৰ্মকাণ্ডত ৰাইজ অতিষ্ঠ হৈছে।অতি শীঘ্ৰেই স্থানীয় ৰাইজে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি পানী যোগান নিয়মীয়া কৰাৰ বাবে উৰ্দ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।তদুপৰি উক্ত প্ৰকল্পত কৰ্মৰত জলমিত্ৰ সকলেও দুমাহ ধৰি পাৰিতোষিক লাভ কৰা নকৰাৰ অভিযোগ উঠিছে।উল্লেখযোগ্য যে, জলজীৱন মিছনৰ অধীনৰ বিকল হৈ থকা এই তিনিখন আঁচনি মাত্ৰ উদাহৰণহে।নগাঁও জিলাৰ বিভিন্ন স্থানত এনেকুৱা বিকল পানী যোগান আঁচনি বহুত আছে।যিবিলাক পানী যোগান আঁচনি নিৰ্মাণ কৰি ঠিকাদাৰে সম্পূৰ্ণ ধন লৈ গ'ল।কিন্তু আঁচনিসমূহ নিৰ্মাণ কৰাৰ পিছত সংশ্লিষ্ট বিভাগে ইয়াৰ কোনো পৰ্যবেক্ষণৰ লগতে চোৱাচিতা কৰা নাই।মেৰামতিৰ ক্ষেত্ৰতো একো ব্যৱস্থা গ্ৰহণ কৰা নাই।ফলত জিলাখনৰ বহু স্থানত জনসাধাৰণে এটুপি পানীৰ বাবে হাহাকাৰ কৰিব লগা হৈছে।আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৰ ঘৰ নল,হৰ ঘৰ জল শ্লোগান তথা সপোন সেয়া প্ৰহসনত পৰিণত হৈছে।

# লেংটিছিঙাৰ ৭৯ নং জানেৰমুখ আদৰ্শ অংগনবাদী কেন্দ্ৰত অনিয়মৰ অভিযোগ

## ম্যাদ উকলিবলৈ লৈছে বহু শিশুখাদ্যৰ

**অসম বাৰ্তা, অভয়াপুৰীত, ১৩ জুন ঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ প্ৰান্তে প্ৰান্তে থকা অংগনবাদী কেন্দ্ৰসমূহে শিশু, গৰ্ভৱতী আৰু মাতৃসকলৰ স্বাস্থ্য, পুষ্টি আৰু শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ "ইণ্টেগ্ৰেটেড চাইল্ড ডেভেলপমেণ্ট চাৰ্ভিচেছ" আঁচনিৰ অধীনত চলা এই কেন্দ্ৰসমূহ গ্ৰাম্য জীৱনত এক সক্ৰিয় সমাজ সেৱাৰ মাধ্যম হিচাপে বিবেচিত হৈ আহিছে। অংগনবাদী কেন্দ্ৰসমূহত ৬ বছৰ বয়সলৈকে শিশুসকলৰ শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ লগতে গৰ্ভৱতী আৰু মাতৃসকলৰ পুষ্টিৰ মান উন্নয়ন কৰি থকাৰ সময়তে বঙাইগাঁও জিলাৰ টাপাট্টাৰী উন্নয়ন খণ্ডৰ অধীনৰ লেংটিছিঙাৰ ৭৯ নং জানেৰমুখ আদৰ্শ অংগনবাদী কেন্দ্ৰৰ অবিবেচকী কাৰ্যই সকলোকে সচকিত কৰি তুলিছে । অভিযোগ উঠা মতে অংগনবাদী কেন্দ্ৰটোত বিগত চাৰি বছৰে হোৱা নাই পৰিচালনা সমিতিৰ সভা। সময়ে সময়ে সভা পতা দেখুৱালেও একাংশ সদস্য চাৰি বছৰে নাজানে কোনো সভা পতাৰ খবৰ। অংগনাবাদী কেন্দ্ৰটোৰ কৰ্মী আৰু সহায়িকা গৰাকীয়ে নিয়মীয়াকৈ কেন্দ্ৰটোলৈ আহি চাফ চিকুণ কৰে যদিও কোনো পাঠ আদান প্ৰদান নকৰাৰো অভিযোগ কৰিছে কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ এগৰাকী সদস্যই। সদস্য গৰাকীয়ে অভিযোগ কৰা মতে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা বৰ্তমানলৈ কেবাবাৰো শিশুখাদ্য আহিছে যদিও সেইবোৰ জৰাজীৰ্ণ ৰূপত কেন্দ্ৰটোত পৰি আছে। ইয়াৰে কিছু কিছু খাদ্যৰ ম্যাদো উকলিবলৈ হৈছে। সাধাৰণতে শিশুখাদ্য সমূহৰ ম্যাদ কম দিনৰ বাবে থাকে তেনেস্থলত নিয়মমতে কেন্দ্ৰটোত খাদ্য প্ৰস্তুত কৰি পৰিৱেশন আৰু বিতৰণ নকৰাৰ বাবে কিছু খাদ্যৰ ম্যাদ উকলিবলৈ লৈছে। সাংবাদিকৰ দল এটাই লেংটিছিঙাৰ ৭৯ নং জানেৰমুখ আদৰ্শ অংগনবাদী কেন্দ্ৰটোত উপস্থিত হোৱাৰ লগে লগে কেন্দ্ৰটোত উপস্থিত কৰ্মচাৰী সকলে শিশুখাদ্য বিতৰণ কৰা প্ৰতক্ষ্য কৰে। কিন্তু অভিযোগ উঠা মতে সাংবাদিক অহাৰ খবৰ পাইহে কেন্দ্ৰটোত ততাতৈয়াকৈ খাদ্য সামগ্ৰী বিতৰণৰ পদক্ষেপ লয়। অভিযোগ উঠা মতে বহু অংগনবাদী কেন্দ্ৰৰ শিশুৰ নাম কাষৰীয়া প্ৰাথমিক বিদ্যালয়ৰ 'ক' শ্ৰেণীতো সন্নিৱিষ্ট হৈ আছে । ইয়াৰ বিপৰীতে প্ৰাথমিক বিদ্যালয় আৰু অংগনবাদী কেন্দ্ৰ দুয়োটাতে চৰকাৰী আবণ্টিত ধন খৰচ হৈ থাকিব পাৰে বুলি ঠাৱৰ কৰিছে। দায়িত্বৰত শিশু উন্নয়ন প্ৰকল্প বিষয়া গৰাকীয়ে এনে ঘটনাৰ উমান লৈ তদন্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশাবাদী ৰাইজ।

# অস্তিত্বৰ সংকটত নগাঁৱৰ জাজৰি মূগা পাম

## বেদখলৰ কবলত ৩৫০ বিঘাৰ অধিকাংশ ভূমি

**অসম বাৰ্তা, বেবেজীয়া, ১৩ জুন ঃ** অসম চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ বিভাগ সমূহৰ অন্যতম হৈছে ৰেচম বিভাগ। সম্প্ৰতি এই গুৰুত্বপূৰ্ণ বিভাগটো বগা হাতীত পৰিনত হোৱা পৰিলক্ষিত হৈছে। অসম, অসমীয়াৰ স্বাভিমান, অসমীয়া লোক সংস্কৃতিৰে সংপৃক্ত, ছাঁতে শুকোৱা, মুঠিতে লুকুৱা অনন্য গৌৰৱী বস্ত্ৰ মুগাৰ সাজ তথা মুগা শিল্পৰ প্ৰতি চৰকাৰৰ উদাসীন মনোভাৱৰ সমান্তৰালকৈ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ গুৰুত্বহীনতাৰ বাবে বিভাগটোৰ কাম-কাজৰ গতিত স্থবিৰতা আহি পৰিছে। যাৰ ফলত তিলতিলকৈ মৃত্যু মুখত পৰিছে অবিভক্ত নগাঁও জিলাত অৱস্থিত ৰেচম বিভাগৰ অধীনস্থ মুগা পাম। ঘাইকৈ নগাঁও জিলাৰ অন্তৰ্গত জুৰীয়া, দেউৰীচিলাবন্ধা নুনী বাগিচা, সুপতিপোতা, নলতলীস্থিত মুগা ফাৰ্মৰ অৱস্থা অতিকে দুখলগা। উল্লেখ্য যে ১৯৬২ চনত অবিভক্ত নগাঁও জিলাৰ জাজৰিত স্থাপন কৰা হৈছিল মুগা ফাৰ্ম। প্ৰায় ৩০০-৩৫০ বিঘা মাটিৰে পৰিৱেষ্টিত মুগা ফাৰ্মখনত ৰোপণ কৰা হৈছিল চোম, সোঁৱালু, এৰি, শিমলু, কেঁচেৰু আদিকে ধৰি নানান তৰহৰ গছ। এইখিনিতে উল্লেখ কৰা ভাল যে ১৯৮৯ চনৰ ২০ জানুৱাৰীৰ দিনা অসমীয়াৰ হিয়াৰ আমঠু বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকা আৰু প্ৰখ্যাত বোলছবি নিৰ্মাতা, পৰিচালক কল্পনা লাজমী উপস্থিত হৈছিল জাজৰিৰ এই মুগা ফাৰ্মত। উদ্দেশ্য মাথো এটাই আছিল যে অসমৰ বাৰেবৰণীয়া সভ্যতা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ। দিল্লী দূৰদৰ্শন কেন্দ্ৰৰ যোগেদি সেই সময়ত ডঃ ভূপেন হাজৰিকাৰ পৰিচালনাত 'লোহিত কিনাৰে'ত অসমৰ আপুৰুগীয়া মুগা শিল্পক পুনৰ ধাৰাবাহিক খনৰ মাজেৰে বিশ্ববাসীৰ মাজত দাঙি ধৰা। সেইদিনা দিনজোৱা কাৰ্যসূচীৰে জাজৰি মুগা ফাৰ্মত দৃশ্য গ্ৰহণৰ কাম হৈছিল। জাজৰি ৰেচম কেন্দ্ৰটোৰ সেই সময়ৰ পৰিবেশত আনন্দিত আৰু আপুত হৈ ডঃ ভূপেন হাজৰিকাই এটি সুন্দৰ টোকাত এই দৰে লিখিছিল " জাজৰি মুগা কেন্দ্ৰলৈ আহিছিলোঁ, এখন প্ৰামাণ্য তথ্য চিত্ৰৰ দৃশ্য গ্ৰহণৰ বাবে। মুগা লেটাৰ পৰা সূতা উলিওৱা পদ্ধতিৰ খুটি-নাটিৰ আলোকচিত্ৰ আৰু শব্দ গ্ৰহণত ইয়াৰ ৰেচম বিষয়া আৰু কৰ্মচাৰী সকলৰ মিঠা সহযোগ পালোঁ। সময় গৈ আছে, মুগা শিল্পত উপযুক্ত সহায় তেনেকৈ পোৱা নাই। পৃথিৱীত নোহোৱা বস্তু এটা আই অসমীৰ বুকুত আছে। ই গৌৰৱৰ বিষয় অথচ আমি ইয়াক আগুৱাই নিয়া নাই। নতুনকৈ ভাবি দেশৰ শাসক সকলে ইয়াৰ উন্নয়নৰ কামত লাগি ৰোৱাৰ এয়ে সময়। সকলোলৈকে ধন্যবাদ।" সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাই ৰেচম উদ্যোগৰ জৰিয়তে অসমৰ সামগ্ৰীক উন্নয়নৰ সপোন দেখিছিল। পৃথিৱীত নোহোৱা এক শিল্প মুগাই জগত জিনিব পৰাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নত বৰেণ্য অবদান যোগাব বুলি দৃঢ় বিশ্বাসেৰে আশা কৰিছিল।

# অইল ১২ দফীয়া স্মাৰকপত্ৰ প্ৰদান আটাছু ডিব্ৰুগড় জিলা সমিতিৰ

## দাবী পূৰণ নহ'লে আন্দোলনৰ হুংকাৰ

**অসম বাৰ্তা, দুলীয়াজান, ১৩ জুন ঃ** অইল ইণ্ডিয়া লিমিটেডৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয় আৰু প্ৰশাসনিক মুখ্য কাৰ্যালয় দুলীয়াজানত থকাৰ পিছতো স্থানীয় আন্তঃগাঁথনি উন্নয়ন যেনে ধৰণে ত্বৰান্বিত গতিত হ'ব লাগিছিল, সেইয়া হৈ নুঠিল। অইল ইণ্ডিয়া লিমিটেডৰ একেবাৰে কাষতে লাগি থকা অইলৰ ৰাসায়নিক পদাৰ্থ, চিকিৎসালয়ৰ বৰ্জিত পদাৰ্থবোৰ উন্মুক্ত ভাবে নৰ্দমাৰে যোৱাৰ ফলত কেইবাখনো গাঁৱত উৎকট গোন্ধৰ বাবে ৰাইজৰ বহু অসুবিধাৰ সৃষ্টি হৈছে। লগতে অইল ইণ্ডিয়া লিমিটেডৰ কাষতে লাগি থকা দুলীয়াজানৰ বহু কেইখন গাঁৱৰ বাট পথ একেবাৰে জৰাজীৰ্ণ আৰু পুতৌ লগা, যাৰ বাবে ছাত্ৰ ছাত্ৰী কে ধৰি আবাল বৃদ্ধ বনিতা লৈকে অহা যোৱা কৰাত দুৰ্ভোগ ভুগিব লগীয়া হৈছে। অইল ইণ্ডিয়া লিমিটেডৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয় আৰু উৎপাদনশীল বিভিন্ন তৈল খাদেৰে পৰিপূৰ্ণ হৈ থকাৰ পিছতো, লগতে ৰাসায়নিক প্ৰদূষণ, বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, পানী প্ৰদূষণত স্থানীয় ৰাইজে ক্ষতিগ্ৰস্ত অঞ্চল হিচাপে চিহ্নিত হোৱাৰ পিছতো অইল ইণ্ডিয়া শীৰ্ষতম কৰ্তৃপক্ষক স্থানীয় উন্নয়নৰ বাবে অনুনয় বিনয় কৰিবলগীয়া হোৱাটোতকৈ লাজ লগা বিষয় কি হ'ব পাৰে আটাছুৱে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। আটাছু ডিব্ৰুগড় জিলা সমিতিয়ে ১২ দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ কালি অইল কৰ্তৃপক্ষক প্ৰদান কৰে । অতিশীঘ্ৰে অইল কৰ্তৃপক্ষই আটাছুৰ দাবী সমূহ কাৰ্যকৰী নকৰিলে পৰৱৰ্তী সময়ত আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি এক প্ৰেছ বিবৃতিত আটাছুৰ ডিব্ৰুগড় জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি হৰেকৃষ্ণ শইকীয়া আৰু সাধাৰণ সম্পাদক ৰূপম গগৈয়ে জানিবলৈ দিয়ে। উক্ত দাবী অনুসৰি ইণ্ডিয়া চিকিৎসালয়ৰ লগতে উদ্যোগ প্ৰতিষ্ঠানটোৰ অধ্যুষিত অঞ্চলৰ মাজেদি যোৱা উন্মুক্ত আটাইকেইটা নলা নিৰ্মাণৰ ব্যৱস্থা কৰা, দুলীয়াজান নতুন ক'লনী গাঁৱৰ দলঙখন তাৎক্ষণিকভাৱে নিৰ্মাণ কৰা, নতুন ক'লনী পথছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰা, আনন্দপাৰা মূল পথছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰা,দ'হুকুটা মূলছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰক, বি এক্স প্লাছৰ সংযোগী মূল পথটোৰ নিৰ্মাণৰ ব্যৱস্থা কৰা, থাপা বস্তিৰ মূল পথছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰা, মধুটিং-নগাজান সংযোগী মূল পথটোৰ নিৰ্মাণৰ ব্যৱস্থা কৰা,কমলাবাৰী মূল পথটোৰ নিৰ্মাণৰ ব্যৱস্থা কৰা, দুলীয়াজানৰ মূল পথৰ বিকল হৈ থকা ষ্টিট লাইট সমূহ আঁতৰাই অত্যাধুনিক ৰূপত আটকধুনীয়াকৈ নতুন ষ্টীট লাইট লগোৱাৰ ব্যৱস্থা কৰা, দুলীয়াজানৰ মাজমজিয়াৰ পথটোৰ দুয়োকাষে থকা নলা সমূহ পৰিকল্পিতভাৱে নিৰ্মাণৰ ব্যৱস্থা কৰা আৰু দুলীয়াজানৰ মূল পথছোৱাৰ লগতে দাঁতি-কাষৰীয়া বৰ্জিত আৱৰ্জনা সমূহ সংগ্ৰহ কৰি পৰিষ্কাৰৰ ব্যৱস্থা কৰাৰ লগতে আৱৰ্জনা সমূহ নিৰ্দিষ্ট স্থানত পেলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা দাবীত অইল কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰে।

# হাৰমতী মুৰং অকুমত এমএমকে, টিএমপিকে, টিএমএমকেৰ প্ৰতিনিধি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান



**অসম বাৰ্তা, বান্দৰদেৱা, ১৩ জুন ঃ** লখিমপুৰ জিলাৰ মিচিং ৰেংগাম ইৰ'ই, এমএমকে, টিএমপিকে, টিএমএমকে হাৰমতী আঞ্চলিক সমিতিৰ উদ্যোগত হাৰমতী মুৰং অকুমত যোৱা ১১ জুন তাৰিখ বুধবাৰে এখনি প্ৰতিনিধিমূলক সভা আয়োজন কৰে।উক্ত সভাৰ লগত সংগতি ৰাখি এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত উত্তীৰ্ন মেধাবী ছাত্ৰ ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা পৰিলক্ষিত হয়। সভাখনিত উপস্থিত থাকে মিচিং স্বায়ত্ব পৰিষদৰ ২৫ নং ডিক্ৰুং সমষ্টিৰ সদস্য জিএম দিলীপ পেগু,জিলা সমিতিৰ অন্তৰ্গত কেন্দ্ৰীয় সমিতিৰ উপ সভানেত্ৰী মমতা দলে, লখিমপুৰ জিলা সমিতিৰ সভাপতি সম্পাদক প্ৰমুখ্যে সদস্য সদস্যা সকল আৰু স্থানীয় গণ্য মান্য ব্যক্তি সকল।সম্বৰ্ধিত ছাত্ৰ ছাত্ৰী সকলক একোখনকৈ ফুলাম গামোছা আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়।

# বুধবাৰে জাগুন দিহিং নৈত জাপ দিয়া মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, জাগুন, ১৩ জুন ঃ** মাৰ্ঘেৰিটা সম জিলাৰ জাগুন আৰক্ষী চকীৰ অন্তৰ্গত দিহিং নৈৰ নামফাই ঘাটত বুধবাৰে সংঘটিত শোকাবহ ঘটনাৰ আজি অন্ত পৰে। ঘটনা অনুসৰি এগৰাকী মহিলাই নিজৰ কণমানি সন্তানক কোচত লৈ অকস্মাতে নৈত জাপ দিছিল। পৰৱৰ্তী সময়ত স্থানীয় লোকে কণমানি শিশুটিক উদ্ধাৰ কৰে যদিও মহিলা গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। ঘটনাস্থলীত জাগুন আৰক্ষী আৰু এছ, ডি, আৰ,এফ,ৰ দল উপস্থিত হৈ উদ্ধাৰ অভিযান চলাইছিল যদিও উক্ত দিনা মহিলা গৰাকীৰ কোনো সম্ভেদ লাভ কৰিবলৈ সক্ষম নহল উদ্ধাৰ কাৰী দলটো।মহিলা গৰাকী জাগুন টিংকো পথাৰৰ আৰতি লামা(২৭) বুলি জানিব পৰা গৈছিল। আজি পুৱা ঘটনাস্থলিত পুনৰ উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযান চলাই অৱশেষত ঘটনাস্থলীৰ কিছু নিলগত মহিলা গৰাকীক পানীত উপঙি থকা অৱস্থাত উদ্ধাৰ কৰে। জানিব পৰা অনুসৰি বুধবাৰে মহিলা গৰাকীয়ে নৈ খনৰ সিটো পাৰে থকা আত্মীয়ৰ ঘৰলৈ সকাম খাবলৈ গৈছিল আৰু ঘূৰি আহি নৈ খনৰ ইটো পাৰে থকা নাও খনৰ বাবে অপেক্ষা কৰি থকা অৱস্থাত হঠাৎ নৈৰ পানীত জঁপিয়াই দিয়ে।আজি মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত মহিলা গৰাকীৰ স্বামীয়ে সংবাদ মাধ্যমৰ সন্মুখত তেখেতৰ পত্নী সাত মাহৰ অন্তঃসত্তা আছিল বুলি জানিবলৈ দিয়ে। কি কাৰণবশতঃ মহিলা গৰাকীয়ে এনে বেদনা দায়ক পথ বাছিললে সেই কথা বৰ্তমানলৈ স্পষ্ট নহল। ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

# বাক্সাৰ বাগানপাৰাত ইউ পি পি এলৰ বুথ সন্মিলন সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ১৩ জুন ঃ** বি টি চি পৰিষদীয় নিৰ্বাচনৰ দিন যিমানে ওচৰ চাপি আহিছে সিমানেই দল সমূহৰ তৎপৰতা বৃদ্ধি পাবলৈ ধৰিছে। দলীয় সাংগঠনিক স্থিতি সবল কৰাৰ বাবে আঞ্চলিক তথা ৰাষ্ট্ৰীয় দলে কুচ-কাৱাজ আৰম্ভ কৰিছে। বিশেষকৈ বি টি আৰৰ শাসকীয় দল ইউ পি পি এল দলে পুনৰ বি টি চি দখল কৰাৰ বাবে উঠিপৰি লাগিছে। ইউ পি পি এল দলে দলীয় স্থিতি অক্ষুন্ন ৰখাৰ বাবে সভা-সমিতি, সাংগঠনিক সভা,বুথ সন্মিলন আদি অনুষ্ঠিত কৰি ভোটাৰ ৰাইজৰ মন আকৰ্ষিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। এই উদ্দেশ্যে বাগানপাৰা ব্লক ইউ পি পি এলৰ উদ্যোগত ১১ জুনৰ আবেলি ৪ বজাত বাগানপাৰা বাথৌ মন্দিৰ প্ৰাংগনত এখন বুথ সন্মিলন অনুষ্ঠিত হয়। আগন্তুক বি টি চি নিৰ্বাচন পৰিপ্ৰেক্ষিতত সাংগঠনিক ভেটি মজবুত কৰাৰ উদ্দেশ্যে ইউ পি পি এল দলে বুথ সন্মিলন অনুষ্ঠিত কৰে। এই বুথ সন্মিলনত ৰাজ্য সভাৰ সাংসদ তথা ইউ পি পি এলৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰনগৌৱা নাৰ্জাৰীয়ে উপস্থিত থাকি আগন্তুক বি টি চি পৰিষদীয় নিৰ্বাচনত ইউ পি পি এল দলক পুনৰ শাসনত অধিষ্ঠিত কৰাৰ বাবে ৰাইজ সাজু বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ এম চি এল এ তথা বি টি আৰ অধ্যক্ষ কাতিৰাম বড়োৱে আদৰণি ভাষণ প্ৰদান কৰে। সভাত দলীয় কৰ্মী, পুৰুষ-মহিলাকে ধৰি সহস্ৰাধিক লোক উপস্থিত থাকে।

# কামৰূপৰ বোৰ্কাত বিষ্ণু ৰাভা দিৱসৰ অয়োজন

**অসম বাৰ্তা, কমলপুৰ, ১৩ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ,পশ্চিম কমলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত অহা ২০জুন তাৰিখে বোৰ্কা দুৰ্গা মন্দিৰ প্ৰাংগণত কলাগুৰু বিষ্ণু ৰাভা দিৱসৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পবিত্ৰ ডেকা সভাপতি দিম্বেশ্বৰ শৰ্মা কাৰ্যকৰী সভাপতি বিনয় কুমাৰ ডেকা,চাণক্য ডেকা উপ-সভাপতি ভৰেশ কুমাৰ ডেকা সম্পাদক হিচাপে লৈ এখন বিষ্ণু ৰাভা দিৱস উদ্‌যাপন সমিতি গঠন কৰা হৈছে।পুৱা ৯ বজাত আদৰনি সমিতিৰ সভাপতি পবিত্ৰ ডেকাই পতকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভণি কৰাৰ পিছতে চহিদ তৰ্পন,বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু গছ পুলি ৰোপণ কাৰ্যসূচীৰ পিছতে ১০.৩০বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত,চিত্ৰাংকন প্ৰতিযোগিতা,বিষ্ণু ৰাভাৰ কবিতা আবৃত্তি,বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা লগতে কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।প্ৰতিটো বিভাগৰ বিজেতা সকলক ক্ৰমে প্ৰথম,পুৰস্কাৰ১০০১টকা দ্বিতীয় পুৰস্কাৰ৭০১ তৃতীয় পুৰস্কাৰ৫০১টকা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হব।নিশা ৮বজাত ৰঙিয়া বিধান সভা সমষ্টিৰ বিধায়ক ভৱেশ কলিতাই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰাৰ পিছতে গীত পৰিৱেশ কৰিব জেষ্ঠ শিল্পী সমৰ হাজৰি,বসন্ত নিবিৰ,ৰিংকু প্ৰিয়ম,আৰু নকুল শৰ্মাই।

# নগাঁৱত বীণা শৰ্মা সোঁৱৰণী গল্প প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ জুন ঃ** লেখিকা সংস্থা, অসমৰ নগাঁও শাখাৰ চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিবেশন উপলক্ষে সদৌ অসম ভিত্তিত আয়োজিত বীণা শৰ্মা সোঁৱৰণী গল্প প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি প্ৰথম স্থান লাভ কৰিছে শোণিতপুৰ জামুগুৰিহাটৰ জ্ঞানশ্ৰী শইকীয়া (গল্প: উকি), দ্বিতীয় স্থান নগাঁও চকৰিগাঁৱৰ প্ৰতিভা ভাগৱতী (গল্প: বাঘ আহিছে ঐ বাঘ) আৰু তৃতীয় স্থান গোলাঘাট কমাৰবন্ধা আলিৰ টিনা গোস্বামী(গল্প: সূপকাৰ)। উল্লেখ্য যে, অহা ২১ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া অধিবেশনৰ মুকলি সভাত স্থানপ্ৰাপ্তসকলক জাতীয় বস্ত্ৰ, কিতাপৰ টোপোলাৰ লগতে নগদ ক্ৰমে ৭,০০০ টকা, ৫,০০০ টকা আৰু ৩,০০০ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব বুলি লেখিকা সংস্থাৰ সম্পাদিকা বন্তি চেতিয়াই জনাইছে।

# গোলাঘাট এমেচাৰ ছ'চাইটি প্ৰেক্ষাগৃহত সদৌ গোলাঘাট জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ জুন ঃ** অহা ২১ জুন ২০২৫ তাৰিখ শনিবাৰে সদৌ গোলাঘাট জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উদ্যোগত গোলাঘাট এমেচাৰ ছ'ছাইটি প্ৰেক্ষাগৃহত দিনযোৱা কাৰ্যসূচীৰে অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা আৰু অনুসূচিত জাতিৰ লোকৰ সামগ্ৰীক বিকাশ সাধনৰ উদ্দেশ্যেৰে বিশেষ ব্যক্তি সকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যেৰে বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰা হৈছে। প্ৰেছ বিবৃতিৰ জৰিয়তে জিলা সমিতিৰ শিক্ষা সম্পাদক হিৰক জ্যোতি দাসে অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰী সকলক এই ৯১০১৯৬২০৪৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

কুলশী নদীৰ প্ৰস্তাৱিত বৃহৎ নদীবান্ধৰ বিৰোধীতা আম আদমি পাৰ্টীৰ

# এই বান্ধে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বাসীন্দালৈ দুৰ্যোগ কঢ়িয়াই আনিব ঃ আপ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৩ জুন ঃ** মেঘালয়ৰ কুলশী নদীত স্থাপন কৰিবলৈ লোৱা বৃহৎ নদী বান্ধে গুৱাহীটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত মহা প্ৰলয়ৰ সৃষ্টি কৰিব। অঞ্চলবাসীৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিব। এই অভিযোগ আম আদমি পাৰ্টীৰ। এক প্ৰেছ বিবৃতিত আম আদমি পাৰ্টী, অসমৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰীয়ে কয় যে বিশেষজ্ঞসকলে বাৰে বাৰে সঁকিয়াই অহাৰ পিছতো কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিষয়টো উপেক্ষা কৰি আহিছে। নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পক কেন্দ্ৰ কৰি চৰকাৰে বিশেষজ্ঞ কমিটী গঠন কৰিছিল। বিশেষজ্ঞ কমিটীয়ে প্ৰতিবেদন প্ৰস্তুত কৰি চৰকাৰৰ হাতত দিলে। বৃহৎ নদী বান্ধৰ পৰিৱৰ্তে সৰু সৰু বান্ধৰ পৰামৰ্শ দিলে বিশেষজ্ঞ সমিতিয়ে। কিন্তু ইয়াত ভ্ৰুক্ষেপ নকৰিলে চৰকাৰে। ইয়াৰ পিছতো অসমৰ কাষৰীয়া মেঘালয়কে ধৰি পাহাৰীয়া ৰাজ্যকেইখনত বৃহৎ নদী বান্ধ নিৰ্মাণৰ নতুন নতুন প্ৰস্তাৱ লৈছে চৰকাৰে । আমি ইয়াৰ তীব্ৰ বিৰোধীতা কৰিছোঁ আৰু বৃহৎ নদী বান্ধৰ সলনি সৰু সৰু বান্ধ নিৰ্মাণ কৰি শক্তি উৎপাদনৰ পোষকতা কৰিছোঁ। বিবৃতিটোত ডাঃ চৌধুৰীয়ে বৃহৎ নদী বান্ধৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক দাবী জনাইছে । অন্যহাতে বৃহৎ নদী বান্ধৰ বিৰোধীতাৰে ক্ষমতাত অধিষ্ঠিত হোৱা বিজেপি মিত্ৰজোঁট চৰকাৰৰ মুৰব্বী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰী কৰ্নাড চাংমাইৰ সৈতে বৃহৎ নদী বান্ধ বিষয়ত সহমত পোষন কৰি চুক্তিবদ্ধ হোৱাটো লজ্জাজনক আখ্যা দিয়ে আপৰ ভাৰপ্ৰাপ্ত সভাপতিজনে। ইয়াৰ পিছত হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰীৰ আসনত এক ছেকেণ্ড সময়ৰ বাবেও অধিষ্ঠিত হৈ থকাৰ নৈতিক অধিকাৰ নাই বুলি বিবৃতিটোত ডাঃ চৌধুৰীয়ে উল্লেখ কৰে।

# চাপৰৰ শালকোচাত বিকশিত কৃষি সংকল্প অভিযানৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, চাপৰ, ১৩ জুন ঃ** ধুবুৰী জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়, ধুবুৰী,অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট, কৃষি অনুসন্ধান পৰিষদ, কৃষি বিভাগ অসম, পশু পালন আৰু পশু চিকিৎসা বিভাগ অসম, দুগ্ধ উন্নয়ন বিভাগ অসম, মীন বিভাগ অসম, অসম ৰাজ্যিক জীৱিকা অভিযান অসমৰ উদ্যোগত ধুবুৰী জিলাৰ শালকোচাৰ পুখুৰীপাৰা ৰাস মন্দিৰ প্ৰাংগনত বিকশিত কৃষি সংকল্প অভিযানৰ সফল সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়।য'ত চৰকাৰৰ বিভিন্ন আঁচনি সমূহ পুখুৰীপাৰা গাওঁ পঞ্চায়তত কৃষক ৰাইজৰ লগত বিকশিত কৃষি সংকল্প অভিযানৰ বিষয়ে আলোচনা কৰে আৰু চৰকাৰৰ বিভিন্ন উন্নতি কামী আঁচনি সমূহ লগতে কৃষি বিভাগৰ আধুনিক কৃষি পদ্ধতি আৰু পশু পালনৰ পদ্ধতি সমূহ কৃষক আৰু স্থানীয় ৰাইজৰ সন্মুখত দাঙি ধৰে।যদি কোনো কৃষক তথা স্থানীয় ৰাইজে আগবাঢ়ি আহে তেন্তে উৎপাদনৰ ক্ষেত্ৰত বহু পৰিমানে লাভান্বিত হব বুলি জানিবলৈ দিয়ে বিষয়া সকলে।বিগত ২৯ মে তাৰিখৰ পৰা চাপৰ-শালকোচা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন পঞ্চায়ত সমূহৰ প্ৰায় ১৬ হেজাৰ কৃষকৰ লগত মত বিনিময় কৰি বিকশিত কৃষি সংকল্প অভিযানৰ লাভা লাভৰ বিষয়ে কৃষক ৰাইজৰ লগত বিতংভাৱে আলোচনা কৰে।উক্ত সামৰণি অনুষ্ঠানত উপস্থিত থাকে ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া দ্বীব্যৰিশি ভট্টাচাৰ্য, ভাস্কৰ বৰুৱা, নৱনীতা নাথ, ডঃ ছামচুন নেহেৰ,খণ্ড পশু চিকিৎসক ডঃ ধ্যানজ্যোতি শৰ্মা, জিলা কৃষি বিষয়া মফিদুল ইছলাম আৰু স্থানীয় ৰাইজৰ লগতে চাপৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাব চাপৰৰ কেইবাগৰাকীও সাংবাদিক উপস্থিত থাকে।

### চপৰা চপৰে খহিছে দিহিঙৰ গড়া

# কোটি টকাৰে তৈয়াৰ কৰা জিঅ'বেগ সামান্য বৰষুণতে দিহিং নদীত বিলীন

## নিৰ্বিকাৰ বিভাগীয় কৰ্তৃপক্ষ, ক্ষুব্ধ ৰাইজ

**অসম বাৰ্তা, ডিমৌ, ১৩ জুন ঃ** উন্নয়নৰ গংগা-যমুনা বোৱাই দিয়া বুলি গৌৰৱ কৰা শাসকীয় বিধায়ক সুশান্ত বৰগোঁহাইৰ সমষ্টিৰ বাস্তৱ ছবি এতিয়া ভয়ংকৰ। ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত গৰুখুটি অঞ্চলত দিহিং নদীৰ খহনীয়াই এতিয়া ভয়ানক ৰূপ ধাৰণ কৰিছে। কোটি কোটি টকা খৰচ কৰি জিঅ'বেগ লগোৱাৰ নামত কাগজত 'উন্নয়ন' প্ৰদৰ্শন কৰি আহিলেও সেই জিঅ'বেগসমূহ সামান্য বৰষুণতই নদীত বিলীন হৈ পৰিছে। দিহিং নদীৰ মঠাউৰিটো এতিয়া গাঁওবাসীৰ বাবে এক জীয়াই থকা আতংক। "কোন মুহূৰ্তত মঠাউৰি ভাঙি গাঁও উচন হয়, তাৰ কোনো ঠিকনা নাই" — এই আশঙ্কাত ৪০ খনতকৈ অধিক গাঁৱৰ ৰাইজে বিনিদ্ৰ ৰজনী পাৰ কৰি আছে। গৰুখুটি, জয়চুক, নিতাইপুখুৰী, সৰুআটি, হালধীবাৰী, বৰগোহাঞি আদিৰ গাঁৱলীয়া মানুহে নদীৰ কাষতে নিশা উজাগৰে কটাবলগীয়া হৈছে। খহনীয়া ৰোধৰ বাবে আগতে বিভিন্ন বাজেট, আঁচনিৰঞ্জ লগতে বিভিন্ন পদক্ষেপ ঘোষণা কৰি আহিছে। কোটি টকাৰে জিঅ'বেগ লগোৱা হৈছিল দিহিংৰ পাৰত। কিন্তু বৰষুণৰ সময়ত বাঢ়নী পানীতেই এই জিঅ'বেগবোৰ একো কামত নদীত জাহ গৈছে। এতিয়া মঠাউৰি বাঢ়নী পানী ৰোধ কৰাৰ নামত চৰকাৰী ঘোষণাৰ কোটি কোটি টকাৰ অপচয় দেখিবলৈ পোৱা গৈছে। বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্বিকাৰ মনোভাৱৰ বাবে এই সমস্যাটোক অধিক জটিল কৰি তুলিছে। গাঁওবাসীৰ বহু বাৰ আবেদনৰ পাছতো কাষৰীয়া নদীৰ গড়া ৰক্ষা আৰু মঠাউৰি নিৰ্মাণৰ ক্ষেত্ৰত চৰম গাফিলতি চলি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। জিঅ'বেগৰ বাবেই কোটি টকা ব্যয় কৰা বুলি কাগজত সীমাবদ্ধ হৈছে, কিন্তু বাস্তৱতে কোনো সঠিক ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় ৰাইজে এই ভয়ংকৰ অৱস্থাৰ বাবে বিধায়কক দায়ী কৰিছে। তেওঁ যি উন্নয়নৰ গৌৰৱ কৰে, সেই উন্নয়ন ক'ত? — এই প্ৰশ্ন আজিও ৰাইজৰ মুখে মুখে উত্থাপন হৈছে। এই দীঘলীয়া সমাধানৰ বাবে গাঁওবাসীৰ স্পষ্ট দাবী কৰিছে যে — মঠাউৰি সুৰক্ষাৰ বাবে আধুনিক পদ্ধতিৰে কাম কৰক, গাঁওবোৰ ৰক্ষা কৰক। জিঅ'বেগ লগোৱাৰ নামত ধন লুটপাট নকৰিব। সময় থাকোতেই যদি সত্যিকাৰ ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে দিহিং নদীৰ ভয়ংকৰ খহনীয়াই বহু গাঁও পানীত বিলীন হৈ যাব পৰা সম্ভাৱনা নুই কৰিব নোৱাৰি চৰকাৰৰ যদি অন্ধ প্ৰশাসন নুশুনে, নেদেখে তেন্তে অতি শীঘ্ৰেই এক ডাঙৰ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। সেই বিপৰ্যয় অহাৰ আগতে বিভাগীয় কৰ্তৃপক্ষ আৰু জনপ্ৰতিনিধিয়ে যদি সঠিক পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে "উন্নয়ন" আৰু বিকাশৰ নামৰ শেগানৰ ফোপোলা স্বৰূপ উন্মোচিত হৈ দিহিং নদীৰ প্ৰৱাল সোঁত বিলীন হৈ পৰিব।



# পূৱ ডিক্ৰং খ'ৰা যুৱক সংঘৰ সহযোগত ৰাভা দিৱসৰ প্ৰস্তুতি

**অসম বাৰ্তা, লালুক, ১৩ জুন ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিহপুৰীয়া আঞ্চলিক সমিতিৰ উদ্যোগত অসম নাট্য সন্মিলনৰ বিষ্ণুৰাভা শাখা আৰু পূৱ ডিক্ৰং খ'ৰা যুৱক সংঘৰ সহযোগত ৰাভা দিৱসটি বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে পূৱ ডিক্ৰং খ'ৰা যুৱক সংঘৰ প্ৰেক্ষাগৃহত উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। উক্ত দিনা পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিহপুৰীয়া আঞ্চলিক সমিতিৰ সভাপতি পংকজ বৰাই। ইয়াৰ পিছতে ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দিলিপ দত্ত, পূৱ ডিক্ৰং খ'ৰা যুৱক সংঘৰ সভাপতি অভিজিত হাজৰিকা, উদ্‌যাপন সমিতিৰ সম্পাদক ৰূপমজ্যোতি ভুঞাই। ৯-৩০ বজাত মঞ্চ উদ্বোধন কৰিব খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সত্য কুমাৰ ভুঞাই। ইয়াৰ পিছতে অনুষ্ঠিত হ'ব লগীয়া ৰচনা, কবিতা আবৃত্তি, বক্তৃতা আৰু ৰাভা সংগীত প্ৰতিযোগিতাৰ সঞ্চালনা কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লখিমপুৰ জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক কংকন শইকীয়াই। প্ৰতিযোগিতাৰ তত্ত্বাৱধান কৰিব সংগঠনটোৰ বিহপুৰীয়া আঞ্চলিকৰ সাংস্কৃতিক সম্পাদক পংকজ বৰুৱাই। বিয়লি অনুষ্ঠিত হ'ব লগীয়া মুকলি সভা আৰু বটাঁ বিতৰণী সভাখনৰ সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি মুকুল হাজৰিকাই। সভাখনৰ উদ্বোধন কৰিব খেৰাজখাট মহাবিদ্যালয়ৰ অধ্যক্ষ মৃদুল বুঢ়াগোহাঁয়ে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষন আগবঢ়াব বৰবালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ঋজু শৰ্মাই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লখিমপুৰ জিলাৰ সভাপতি জগত শইকীয়া, সাধাৰণ সম্পাদক অৰুণ গগৈ, অসম নাট্য সন্মিলনৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য জয়ন্ত শইকীয়া, খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মৃদুল ভুঞা, লালুক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ বৰা,পুৱ ডিক্ৰং মহাবিদ্যালয়ৰ অধ্যাপক পুৰ্ণ বৰা, খেৰাজখাট মহাবিদ্যালয়ৰ অধ্যাপক মিনাৰাম গগৈকে আদি কৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব বিহপুৰীয়া প্ৰেছ ক্লাবৰ সভাপতি বুলটন গগৈয়ে। গধূলি সাংস্কৃতিক সন্ধ্যা উদ্বোধন কৰিব সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক দেহিৰাম শইকীয়াই। ৰাভা দিৱসৰ সকলো কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

## আমগুৰিত স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সজাগতা কাৰ্যসূচী

**অসম বাৰ্তা, আমগুৰি, ১৩ জুন ঃ** কৃষকৰ কল্যাণ আৰু কৃষি উন্নয়নৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ "প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা"ৰ বিষয়ে জনসাধাৰণ বিশেষকৈ কৃষকসকলক সজাগ কৰাৰ উদ্দেশ্যে শিৱসাগৰৰ আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা প্ৰজ্ঞা এডুকেশ্বনেল এণ্ড ছচিয়েল ফাউণ্ডেচনৰ উদ্যোগত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। জিলা কৃষি বিভাগ আৰু চিএছচি কেন্দ্ৰৰ সহযোগত আয়োজন কৰা হৈছে সজাগতামূলক কাৰ্যসূচী। উক্ত সজাগতা সভাসমূহ যোৱা ২৭ মে' তাৰিখৰ পৰা আৰম্ভ হৈ ইতিমধ্যে ভূঞাহাট, দেওৰজা, বৰবাম, আৰু আমগুৰিগাঁও পঞ্চায়তৰ বিভিন্ন স্থানত সফলতাৰে অনুষ্ঠিত হৈছে। এই সভাসমূহত কৃষকসকলক বীমা যোজনাটোৰ লাভ, আবেদন প্ৰক্ৰিয়া আৰু প্ৰয়োজনীয় নথিপত্ৰৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰা হয়। সজাগতা মূলক সভাসমূহত কৃষি বিভাগৰ কৃষি সখী টুটুমণি গগৈ, প্ৰজ্ঞা ফাউণ্ডেচনৰ দেৱজিৎ তামুলী আৰু চিএছচি কেন্দ্ৰৰ বুধিন গগৈয়ে অংশ লৈ উপস্থাপন আৰু পৰামৰ্শ আগবঢ়াইছে। প্ৰতিখন সভাত সংশিষ্ট ৰাজহ গাঁওৰ গাঁও প্ৰধানসকলৰ উপস্থিতি পৰিলক্ষিত হৈছে। এই অভিযান ২০ জুনলৈকে অব্যাহত থাকিব, আৰু আয়োজনকাৰী সংস্থাই আশা প্ৰকাশ কৰিছে যে, এই সজাগতাৰ জৰিয়তে অঞ্চলটোৰ অধিক সংখ্যক কৃষকে এই কেন্দ্ৰীয় আঁচনিটোৰ লাভ গ্ৰহণ কৰি ক্ষতিপূৰণৰ সুবিধা লাভ কৰিব। স্থানীয় ৰাইজে এই পদক্ষেপক সময়োপযোগী আখ্যা দিছে।

## লালুক গাভৰু নদীত শিল বালিচোৰৰ দপদপনি

### নিলিপ্ত বন বিভাগ ঃ সাংবাদিকক প্ৰাণে মৰাৰ ভাবুকি মাফিয়াৰ

**অসম বাৰ্তা, লালুক, ১৩ জুন ঃ** লখিমপুৰ জিলা বন বিভাগৰ হাৰমতী আঞ্চলিক বন বিষয়া কাৰ্য্যালয়ৰ অধীনৰ কাছজুলি বিট কাৰ্য্যালয়ৰ অধীনষ্ঠ গাভৰু নদীৰ বক্ষত শিল আৰু বালিচোৰৰ দপদপনি দীৰ্ঘ দিন ধৰি অব্যাহত আছে।বন বিভাগৰ কাৰ্য্যালয় নাকৰ তলতে দৈনিক শিল বালি চোৰে বনবিভাগৰ কৰ্মচাৰীৰ সন্মুখেদি গাড়ীয়ে গাড়ীয়ে অবৈধভাৱে শিল বালিচোৰ কৰি আছে তাক লৈ ৰাইজ হতবাক হৈ পৰিছে।অসম অৰুণাচল সীমান্তৱৰ্তী উত্তৰ লালুকৰ গাভৰু অঞ্চলৰ পাহাৰীয়া নদীখনত দীৰ্ঘ দিন ধৰি এক শিল বালি মাফিয়াই বনবিভাগৰ কৰ্মচাৰীৰ লগত গোপন বুজাবুজিত শিল বালিৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে।কাছজুলি বন বিভাগৰ কাৰ্য্যালয়ৰ সন্মুখেদি কেনেকৈ মাফিয়াই জেচিবি আৰু টে'ৰ পাহাৰৰ ভিতৰলৈ নিব পাৰে সেই লৈ ৰাইজৰ মনতো সন্দেহ উপজিছে।ৰাইজে বিভিন্ন সময়ত হাৰমতী আঞ্চলিক বন বিষয়া আৰু কাছজুলি কাৰ্য্যালয়ৰ বিষয়াক অভিযোগ দি আহিছে যদিও গুৰুত্ব দিয়া নাই বিষয়াই।বাযয়াসকলে বিভিন্ন সময়ত গা এৰা মন্তব্য দি মাফিয়াৰ লগত বুজাবুজি কৰি আগবঢ়াই নিছে শিল বালিৰ অবৈধ ৰমৰমীয়া ব্যৱসায়।ৰাইজৰ অভিযোগৰ পিছতো শিল বালি মাফিয়াই কাৰোলৈকে কেৰেপ নকৰি নদী খনৰ বক্ষত চলাই গৈছে অবাধে খনন কাষ্য্‌।চৰকাৰক কৰ ফাকি দি বন বিভাগৰ চকুৰ সন্মুখতে অবৈধ ভাৱে চলাই গৈছে খনন কাষ্য্‌।অঞ্চলটোৰ ৰাইজে বাৰম্বাৰ নদীখনৰ বক্ষত অবৈধ খনন কাষ্য' বন্ধ কৰিবৰ বাবে দাবী জনাই আহিছে যদিও বিভাগটোৱে গুৰুত্ব নিদিয়াৰ ফলত মাফিয়াই চলাই গৈছে অবৈধ খনন কাষ্য'।সংবাদ মাধ্যমত এই বিষয়ে বাতৰি সম্প্ৰচাৰ হলে সাংবাদিকক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰে মাফিয়াই।সেই লৈ বৰ্তমান বিষয়টো অতি গুৰুতৰ হৈ পৰাৰ লগতে ৰাইজে লখিমপুৰ জিলা বন বিভাগক ইয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## প্ৰকৃতি প্ৰেমী সমীৰ ৰয়ৰ ব্ৰতী ক্ৰমী প্ৰচেষ্টা

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ১৩ জুন ঃ** প্ৰকৃতি প্ৰেমী অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ প্ৰচাৰ প্ৰসাৰৰ এজন অক্লান্ত কৰ্মী সমীৰ ৰয় ৰ প্ৰচেষ্টাত কেবাখনো শিক্ষানুষ্ঠাৰ পৰা ৰিজাৰ্ভ বাছ আহিল। চলচ্চিত্ৰ উদ্যোগৰ নৱবৈ বছৰৰ শুভক্ষনত এক জাগৰণ অসমীয়া চলচ্চিত্ৰ ভাইমন দা। আজি প্ৰতিখন ৰিজাৰ্ভ বাছ ৰ পৰা নামিয়েই সকলো শিক্ষাৰ্থী,ৰ লগতে শিক্ষা গুৰু ,অসমীয়া ছবি ভাল পোৱা সকলে হাতত আইদেউ সন্দিকৈ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, মুনিন বৰুৱা, ভুপেন হাজৰিকা , জুবিন গাৰ্গ আদিৰ প্লেকাৰ্ড, ফ্লে' , ফ্লেগ আদি লৈ অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ জয় হওক, ভাইমন দ। ৰ জয় হওক, জুবিন গাৰ্গ ৰ জয় হওক আদি শেগান দি সমীৰ ৰয় ৰ সৈতে চিনেমা হল লৈ আগবাঢ়ে। চনেমা হললৈ পদাৰ্পন কৰাৰ আগতে সকলোৱে অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ সৃষ্টিকৰ্তা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱ ক সন্মান জনাই জ্যোতি সংগীত প্ৰদৰ্শন কৰি অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ জয় হওক আদি শেগান দিয়ে আৰু প্ৰকৃতি প্ৰেমী সমীৰ ৰয়ে সকলোকে গছপুলি প্ৰদান কৰাৰ লগতে শিক্ষানুষ্ঠান সমূহৰ প্ৰধান জনক ফুলাম গামোচাৰে আদৰণি জনায়। অসমীয়া ছবিৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ মানসেৰে সমীৰ ৰয়ে দৰ্শক শ্ৰোতাক ২০১৭ চনৰ পৰা বিভিন্ন চিত্ৰগৃহত জৈৱ বৈচিত্ৰ্য সম্পন্ন গছপুলি আৰু অৰ্কিড ও প্ৰদান কৰি আহিছে । তিনিখন ৰিজাৰ্ভ কৰি অহা কেন্দুগুৰি জাতীয় বিদ্যালয় , ক্ৰিছেণ্ট অকাডেমী আদিৰ ৰ শিক্ষাৰ্থীৰ লগতে অনান্য সকলে নিজা মত ব্যক্ত কৰি কয় যে সকলোৱে এক অৰিহণা, সহযোগ আগবঢ়াই ছবি উদ্যোগটি আৰু আগবঢ়াই লৈ যাব লাগে , ই এক সংস্কাৰ, জাগৰণলৈ পৰিণত হ'ব লাগে। উল্লেখনীয় যে ২০১৭ চনৰ পৰা সমীৰ ৰয়ে এককভাৱে অসমৰ বিভিন্ন ঠাইত গাওঁয়ে ভূঁইয়ে আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰ ৰ সৃষ্টিমূলক প্ৰচাৰ প্ৰসাৰৰ লগতে ৰিজাৰ্ভ বাছৰ ধাৰা অব্যাহত ৰখাটো উল্লেখনীয়।

## ৰাৱনাপাৰ শাখা সাহিত্য সভাৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, বনগাঁও, ১৩ জুন ঃ** অসম সাহিত্য সভাৰ মাজুলী জিলা সমিতিৰ অন্তৰ্গত ৰাৱনাপাৰ শাখা সাহিত্য সভাৰ এখনি সাধাৰন সভা ১১ জুনত চামগুৰি সত্ৰ ৰাৱনা পাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শাখা সমিতিৰ সভাপতি লক্ষেশ্বৰ শইকীয়াৰ সভাপতিত্ব অনুষ্ঠিত হয়। সভাৰ আৰম্ভণীতে জাহ্নৱী মিশ্ৰ আৰু দেৱজানি কলিতাৰ পৰিচালনাত অসম সাহিত্য সভাৰ শীৰ্ষক গীতৰে সভা শুভাৰম্ভ হয়। ইতিমধ্যে পৰলোকপ্ৰাপ্তি হোৱা সাহিত্য সভাৰ জিলা সমিতিৰ প্ৰতিষ্ঠাক উপ সভাপতি প্ৰয়াত ৰামেশ্বৰ শইকীয়া, ৰাৱনাপাৰ শাখা সাহিত্য সভাৰ উপ সভাপতি প্ৰয়াত বানী কান্ত বৰুৱা, উপদেষ্টা প্ৰয়াত লোক নাথ কুটুমৰ বিয়োগত সভাই এক মিনিট মৌন প্ৰাৰ্থনা জনায় । শাখা সাধাৰণ সম্পাদক তিলক ৰাজখোৱাই সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে । উদ্দেশ্য ব্যাখ্যাৰ ওপৰত উপস্থিত সকলে আগবঢ়োৱা গঠনমুলক পৰামৰ্শৰ পিছত পুৰনা সমিতিৰ পদত্যাগ কৰাৰ লগে লগে আগন্তুক দুটা বছৰৰ বাবে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তীৰ্থ নাথ শইকীয়াক সভাপতি ;;অৱসৰপ্ৰাপ্ত পিক্ষয়িত্ৰী নিৰু শইকীয়াক উপ সভানেত্ৰী ;; শিক্ষক অতুল শইকীয়াক সাধাৰন সম্পাদক ;;ৰাজু বৰা ৰাজখোৱাক পত্ৰিকা সম্পাদিকা হিচাবে লৈ প্ৰায় ৩১ জনীয়া সদস্যৰে এখনি শক্তিশালী ৰাৱনাপাৰ শাখা সাহিত্য সভা গঠন কৰা হয় । জলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, সাধাৰণ সম্পাদক সঞ্জীৱ বৰাই সভাত পৰ্যবেক্ষক হিচাবে উপস্থিত থাকে। শাখাই পঞ্চাশ গৰাকী আজীৱন সভ্য ভৰ্তিয়ে স্বৰ্ন শাখা পাবলৈ সক্ষম হোৱাত সভাই সন্তোষ প্ৰকাশ কৰে। সভাত উপস্থিতত বহু কেইগৰাকী গন্য-মান্য বিশিষ্ট ব্যক্তিয়ে গঠনমুলক বক্তব্য প্ৰদান কৰে ? জাতীয় সংগীতৰে সভা সামৰনি পৰে।

## চেলেংহাটত আদিবাসী ছাত্ৰ সন্থাৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, আমগুৰি, ১৩ জুন ঃ** চেলেং চাহ বাগিছাৰ অন্তৰ্গত এলেকাত চাহ শ্ৰমিকে ভোগ কৰি অহা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে আজি চেলেং চাহ বাগিচাৰ মুখ্য কাৰ্যালয় সন্মুখত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ চেলেংহাট আঞ্চলিক সমিতিৰ উদ্যোগত দুই ঘন্টীয়া ধৰ্ণা কাৰ্যসূচী পালন কৰা হয়। দুমাহৰ আগতে বাগিছাৰ পৰিচালকক স্মাৰক পত্ৰ প্ৰদান কৰাৰ পিছতো চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই আজি এই ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি সংগঠনটোৰ নেতৃত্বৱৃঞ্জই জানিবলৈ দিয়ে। ছাত্ৰ সংগঠনটোৱে চেলেং চাহ বাগিছাৰ মুখ্য কাৰ্যালয় সন্মুখত শোষণ নীতি বন্ধ কৰক, বাগিছা কৰ্তৃপক্ষ মুৰ্দাবাদ, চাহ শ্ৰমিকৰ সমস্যা সমাধান কৰক আদি বিভিন্ন শ'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ধৰ্ণা কাৰ্যসূচী অন্তত আছাৰ চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি বিনুদ টুডু আৰু সম্পাদক ঘনশ্যাম ৰাজোৱাৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰ




পৰিচালকৰ হাতত প্ৰদান কৰা হয়। স্মাৰক পত্ৰত উল্লেখিত বাগিছাত দীৰ্ঘদিন ধৰি কাম কৰি থকা অস্থায়ী শ্ৰমিকসকলক স্থায়ীকৰণ কৰা, বাগিছাত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা, বাগিছাত কেঁচা আৰু পকীঘৰ নিৰ্মাণ ও মেৰামতি কৰা, বাগিছাৰ শিক্ষিত নিৰনুৱা যুৱক-যুৱতীক উপযুক্ত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, চেলেং চাহ বাগিছাত এজন জন-কল্যাণ বিষয়াৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, ছাত্ৰ-ছাত্ৰীৰ যাতায়তৰ বাবে স্কুল বাছৰ ব্যৱস্থা কৰা, চিকিৎসালয়ত ৰোগী ৰখাৰ ব্যৱস্থা কৰা, অস্থায়ী শ্ৰমিকক চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা, দীৰ্ঘদিন ধৰি বাগিছাত কাম কৰি থকা ছেমি কেজুৱেলী পি. এফ কৰ্তন কৰা লগতে অস্থায়ী শ্ৰমিকক স্বায়ীকৰণ কৰাৰ ব্যৱস্থা কৰা, বাগিস্থা লাইনত নলা-নৰ্দমা পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰা আদি প্ৰধান দহটাৰো অধিক দাবী শীঘ্ৰেই পুৰনৰ পোষকতা কৰে। দাবী সমূহ শীঘ্ৰেই পুৰন নহ'লে সৰ্বাত্মক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে ছাত্ৰ সংগঠনটোৱে। তেনে ক্ষেত্ৰত হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে বাগিছা কৰ্তৃপক্ষই জগৰীয়া হ'ব বুলি সঁকিয়াই দিয়ে ছাত্ৰ সংগঠনটোৱে।

## সাহিত্য সভাৰ কাৰ্যালয়ত কবিতা সংকলন উন্মোচন

**অসম বাৰ্তা, বাহনা, ১৩ জুন ঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন প্ৰাংগণস্থিত দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰেক্ষাগৃহত ১১ জুনত ৰংদৈ দ-গাঁৱৰ কবি বীণাপাণি শইকীয়াৰ কবিতা সংকলন 'পদুম পাতেৰে সজোৱা নাও' উন্মোচন কৰে মহাত্মা গান্ধী কলেজৰ অধ্যক্ষ, সাংস্কৃতিক কৰ্মী ত্ৰিলোক বৰাই। সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই আঁতধৰা সভাখন সঞ্চালনা কৰে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই। লেখিকাই পৰিৱেশন কৰা এটি গীত পৰিৱেশনৰে আৰম্ভ হোৱা সভাখনত গ্ৰন্থ উন্মোচন কৰি ত্ৰিলোক বৰাই আৰ্থিক সংকটত থাকিও 'শিশু পাৰিজাত', 'মাটিৰ সুৰ', 'প্ৰভাত আৰু সন্ধ্যা', 'নদীৰ পৰা সাগৰলৈ' চাৰিখনকৈ কবিতা পুথি ৰচনা কৰা বীণাপাণি শইকীয়াৰ 'পদুম পাতেৰে সজোৱা নাও'খন পঞ্চম কবিতা সংকলন। মধ্যবিত্ত পৰিয়ালৰ জীয়ৰী শইকীয়াৰ কবিতা সংকলনকেইখন পঢ়ি শিশুৰ পৰা বৃদ্ধলৈকে উপকৃত হ'ব বুলি কয়। ৰংদৈৰ মিলন মহিলা সমিতিৰ শিল্পীসকলে পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত দলীয়ভাৱে পৰিৱেশন কৰাৰ লগতে সম্প্ৰীতি কলিতাই লোকগীত পৰিৱেশন কৰে। মৌজাদাৰ অঞ্জু বৰুৱা, বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে প্ৰেৰণ কৰা প্ৰতিনিধি মানস প্ৰতীম গোস্বামী, সদৌ অসম অবিবাহিতা মহিলা উন্নয়ন সমিতিৰ যোৰহাট জিলাৰ সভানেত্ৰী শ্যামলী বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দীপাঞ্জলি নেওগ, কৰ্মৰত শিক্ষয়িত্ৰী মঞ্জু দত্তই বক্তব্য আগবঢ়ায়। সভাখনত ভালেসংখ্যক লোক উপস্থিত থাকে।

## ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুন ঃ** ডিব্ৰুগড়ৰ উচ্চশিক্ষাৰ অগ্ৰণী অনুষ্ঠান 'ডিব্ৰুগড় হনুমান ব' সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ে' অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ দিশত এক অনন্য ভূমিকা গ্ৰহণ কৰি আহিছে। উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খন স্থাপিত হৈছিল ১৫ জুন, ১৯৬০ চনত। বিগত ৬৫ বছৰীয়া গৌৰৱোজ্জল বৰ্ণিল বিদ্যায়তনিক পৰিক্ৰমাত বৌদ্ধিক আৰু শৈক্ষিক উত্তোৰণেৰে উৎকৃষ্ট মানৰ সম্পদ সৃষ্টিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই অহা মহাবিদ্যালয় খনিৰ ৬৬ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৫ জুন ৰবিবাৰে দিনযোৰা কাৰ্যসূচীৰে আৰম্ভ হ'ব। উক্ত দিনা প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰিব ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে। পৰৱৰ্তী কাৰ্যসূচী ড০ লক্ষিপ্ৰসাদ দত্ত স্মাৰক প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানৰ অংশ হিচাপে ১৫ জুন তাৰিখে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক অধ্যয়ন বিভাগৰ প্ৰাধ্যাপক দেৱৰ্ষি প্ৰসাদ নাথে "ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু জ্ঞান- পৰম্পৰা: বিশ্বায়ন আৰু প্ৰযুক্তিগত বিপ্লৱৰ প্ৰভাৱ" -শীৰ্ষক বক্তৃতা প্ৰদান কৰিব। সেইদিনা অন্যান্য কাৰ্যসূচীৰ লগতে বক্তৃতা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শক্তি, কৌশল, নিয়োগ আৰু উদ্যমিতা, মেডিকেল শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী তথা কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰশান্ত ফুকন, অসম পৰ্যটন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সদস্য জ্যোতিপ্ৰসাদ কানৈ, বিশিষ্ট ব্যৱসায়ী তথা কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ যুগল কিশোৰ মহন্ত, ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী ৰূপনন্দা দত্তৰ লগতে দাঁতিকাষৰীয়া মহাবিদ্যালয় কেইখনৰ অধ্যক্ষ সকল। উল্লেখযোগ্য যে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উক্ত দিনাই মহাবিদ্যালয়ৰ পৰিয়ালে ৰাতিপুৱা ৯ বজাত নাম প্ৰসংগ অনুষ্ঠানৰ আয়োজন কৰিছে। ৬৬ সংখ্যক প্ৰতিষ্ঠা দিবস উদযাপন সমিতিয়ে অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## লংকাত উদ্ধাৰ বন্যহস্তীৰ পোৱালীক এৰি দিয়া হ'ল হাৱাইপুৰ বনাঞ্চলত

**অসম বাৰ্তা, লংকা, ১৩ জুন ঃ** ৯ জুন তাৰিখে পুৱতি নিশা, লংকাৰ অকান্ত অঞ্চলত উদ্ধাৰ হোৱা বনৰীয়া হাতীৰ পোৱালীটোক হাৱাইপুৰ বনাঞ্চললৈ উভটাই পঠালে লংকা বন বিভাগে । দুটা দিন লংকা বনাঞ্চলিক কাৰ্যালয়ত হাতীৰ পোৱালীটোক চিকিৎসকৰ দ্বাৰা চিকিৎসা প্ৰদান কৰি সুস্থ কৰাৰ অন্তঃত আজি হোজাই কপিলী ভেলী আঞ্চলিক বন কাৰ্যালঞ্জয়ৰ অধীনৰ হাৱাইপুৰ বনাঞ্চলত এৰি দিয়া হয় ।কাজিৰঙাৰ বন্যপ্ৰাণী সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰৰ (চি ডব্লিউ আৰ চি) চিকিৎসক ডা০ মোহিত আৰু লংকা আঞ্চলিক বন বিষয়া মাণিক বৰুৱাৰ উপস্থিতিত হাতীৰ পোৱালীটোক গাড়ীত উঠাই নি বনাঞ্চলখনৰ ভিতৰত এৰি দিয়া হৈছে । উল্লেখ্য যে ,৯ জুনৰ দিনা ,দুই বছৰীয়া মতা বনৰীয়া হাতী পোৱালীটো উক্ত বনাঞ্চলৰ পৰা আহি ওলাই আহি উপস্থিত হৈছিল লংকা ৰেঞ্জৰ অধীনৰ অকান্ত অঞ্চলত । কিছু অসুস্থ ,পেটত আঘাতপ্ৰাপ্ত অৱস্থাত থকা হাতী পোৱালীটো খোজ কাঢ়ি জনাঞ্চললৈ আহি আছিল । মানুহৰ ঘৰত সোমাবলৈ লোৱা হাতী পোৱালীটোক স্থানীয় লোকৰ সহায়ত লংকা বনাঞ্চলিক কাৰ্যালয়ৰ বন কৰ্মীয়ে উদ্ধাৰ কৰি আনিছিল । উদ্ধাৰৰ পাছতে স্থানীয় পশু চিকিৎসক ডা০ তপন শইকীয়াই ,কাজিৰঙাৰ বন্যপ্ৰাণী পুনৰ সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰৰ চিকিৎসক ডা০ মোহিতৰ তত্ত্বাৱধানাত চিকিৎসা সেৱা আগবঢ়ায় সম্পূৰ্ণ সুস্থ কৰি তোলা হৈছিল দুই বছৰীয়া হাতীৰ পোৱালীটো ।প্ৰথম অৱস্থাত হাতীৰ পোৱালীটোক কাজিৰঙাৰ বন্যপ্ৰাণী সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰলৈ লৈ যোৱাৰ বাবে বিবেচনা কৰা হৈছিল যদিও হাতী পোৱালীটোৰ বয়স ছমাহৰ অধিক হোৱাত আজি বনাঞ্চলত এৰি দিয়াৰ সিদ্ধান্ত লবলগীয়া হয় বন বিভাগ।

# পি এম শ্ৰী বানমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি সভা আৰু ন্যাস পুঁজিৰ বঁটা প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, দিচাংমুখ, ১৩ জুন ঃ** পি এম শ্ৰী বানমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত যোৱা কালি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাবলৈ আয়োজিত অনুষ্ঠানটিত ন্যাস পুঁজিৰ বঁটা প্ৰদানো এক বিশেষ অংশ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। অনুষ্ঠানৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে অঞ্চলটোৰ পৰিচিত সমাজকৰ্মী তথা বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ধনেশ্বৰ গোঁহায়ে। সভাখনত বিদ্যালয়ৰ অধ্যক্ষা পূণ্যৱতী টায়ে নৱাগত সকলক আদৰণি জনাই ভাষণ পাঠ কৰে। উল্লেখযোগ্যভাৱে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক ড° লিপি ফুকন। তেওঁ নিজৰ অনুপ্ৰেৰণাদায়ক ভাষণত কয় যে— "মানুহ হৈ থাকিবলৈ সহমৰ্মিতা, আন্তৰিকতা আৰু কৃতজ্ঞতাৰ অনুভৱ থকা অতি প্ৰয়োজন। এই গুণাৱলীবোৰে মানুহক সঁচাকৈয়ে মানৱ হিচাপে বিবেচিত কৰে।" অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে গৌৰীসাগৰ ইণ্ডাষ্ট্ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক ড° প্ৰশান্ত চুতীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰমোদ চেতিয়া, ন্যাস দাতা তথা অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী জগনাথ বৰুৱা, সাংবাদিক ৰজনীকান্ত পাংগিং, লগতে বিদ্যালয়ৰ নৱাগত ছাত্ৰী গায়ত্ৰী গগৈ, সৰুজা মহন, অনুজা মহন গোঁহাই আদিকে ধৰি বহু কেইজন গণ্যমান্য ব্যক্তি। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল ন্যাস পুঁজিৰ অধীনত বিভিন্ন শিক্ষাৰ্থীক প্ৰদান কৰা বঁটা। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বানমুখ পৰীক্ষা কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰে উত্তীৰ্ণ হোৱা দিচাংমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ৰাজদ্বীপ পাংগিঙক প্ৰয়াত ঘনকান্ত নেওগ-মুহিতা নেওগ সোঁৱৰণী বঁটা আৰু প্ৰয়াত জগত চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বানমুখ বিদ্যালয়ৰ ছাত্ৰ লাতু কোঁৱৰক প্ৰয়াত লম্বিত বুঢ়াগোহাঁই, মুক্তি বৰপাত্ৰ সোঁৱৰণী বঁটা আৰু অংক বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে প্ৰয়াত প্ৰেমানাথ মহন-দেৱেশ্বৰী মহন সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৰশ্মিৰেখা চেতিয়া আৰু তৰালী গগৈও প্ৰেমানাথ মহন-দেৱেশ্বৰী মহন সোঁৱৰণী বঁটাৰ বাবে নিৰ্বাচিত হয়।ইফালে, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বাৰ্ষিক পৰীক্ষাত ভাল ফলাফল কৰা ছাত্ৰ-ছাত্ৰীসকলক পুস্তক উপহাৰৰ জৰিয়তে উৎসাহিত কৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়খনৰ শিক্ষয়িত্ৰী প্ৰহেলিকা গগৈয়ে।



## আমগুৰিত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, আমগুৰি, ১৩ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত নগাআলি হাতীমূৰীয়া গাঁওত যোৱা ১১ জুনৰ সন্ধিয়া সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। জানিব পৰা মতে হাতীমূৰীয়া গাঁৱৰ দীপেন গগৈৰ ঘৰৰ আগফালে থকা খেৰ ঘৰত আকস্মিকভাৱে জুই লাগে। অগ্নিকাণ্ডৰ ফলত ভৰাঁল আৰু খেৰ ঘৰ দুয়োটা সম্পূৰ্ণৰূপে জাহ গৈছে। জুইৰ উৎসৰ বিষয়ে এতিয়ালৈকে নিশ্চিত তথ্য পোৱা নাই। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে গাঁওবাসী তথা স্থানীয় ৰাইজে তৎপৰতাৰে পানী ঢালি জুই নুমুৱাবলৈ চেষ্টা চলায়। ইতিমধ্যে আমগুৰি অগ্নিনিৰ্বাপক বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ জুই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত আনে। ঘটনাত কোনো লোক হতাহত হোৱা নাই, যদিও সম্পত্তিৰ ব্যাপক ক্ষতি হৈছে বুলি সন্দেহ কৰা হৈছে। ক্ষয়-ক্ষতিৰ সঠিক পৰিমাণ এতিয়ালৈকে নিৰূপণ হোৱা নাই।

## সম্পাদকীয়

■ ১৪ জুন, ২০২৫, শনিবাৰ ■

# তাপমানৰ মানক

*জাপান, ইটালী, স্পেইন আৰু দক্ষিণ কোৰিয়া আদি দেশবোৰত এয়াৰ কণ্ডিচনাৰৰ তাপমাণৰ বিষয়ত ইতিমধ্যে কঠোৰ নিয়ম প্ৰযোজ্য হৈ আছে। জাপানত তাপমাণৰ সীমা ২৬ ডিগ্ৰী, আনহাতে ইটালী আৰু স্পেইনত ২৩ৰ পৰা ২৭ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত ৰখা হৈছে। এনেকৈ কোৱা হৈছে যে নতুন নিয়ম বৰ্তমানে সকলো নতুন এয়াৰ কণ্ডিচনাৰত প্ৰযোজ্য হ'ব। অৰ্থাৎ, অহা দিনবোৰত বজাৰত উপলব্ধ এয়াৰ কণ্ডিচনাৰবোৰত তাপমাণ ২০ ডিগ্ৰীৰ তলত আৰু ২৮ ডিগ্ৰী ছেলছিয়াছৰ ওপৰত ৰাখিব নোৱাৰি। ইয়াৰ এটা সুবিধা হ'ব যে বিদ্যুতৰ খৰচ কম হোৱাৰ ফলত বিলৰ ধনৰ পৰিমাণো কমিব। অৰ্থাৎ, সমাজৰ মধ্যম শ্ৰেণীৰ বাবে চৰকাৰৰ এই পদক্ষেপটোৱে স্বস্তি আনি দিব।*

ঘৰ বা কাৰ্যালয়ত ইচ্ছামতে এয়াৰ কণ্ডিচনাৰৰ (এ.চি.) ব্যৱহাৰ কৰি শীতলীকৰণ কৰাৰ প্ৰৱণতা এতিয়া সলনি কৰিব লাগিব। কাৰণ, আগন্তুক দিনবোৰত এ.চি.ৰ বতাহ অধিক ঠাণ্ডা কৰাৰ বিকল্পটোৱে উপলব্ধ নাথাকিব। ইয়াৰ কাৰণ হ'ল কেন্দ্ৰীয় চৰকাৰে এ.চি.ৰ তাপমানৰ মানকীকৰণ কৰিবলৈ লৈছে। নতুন নিয়ম অনুসৰি ইয়াৰ তাপমান ন্যূনতম ২০ ডিগ্ৰী আৰু অধিকতম ২৮ ডিগ্ৰী ছেলছিয়াছৰ সীমাৰ ভিতৰত ৰখা হ'ব। ইয়াৰ ফলত কেৱল বিদ্যুতৰ সঞ্চয় নহয়, কাৰ্বন নিৰ্গমনো হ্ৰাস পাব, যি পৰিৱেশ সংৰক্ষণৰ বাবে অতি প্ৰয়োজনীয়। বহু দেশত এনে ধৰণৰ নিয়ম ইতিমধ্যে প্ৰযোজ্য হৈ আছে। ভাৰততো ইয়াৰ বাবে বহু আগৰে পৰা বিবেচনা কৰি অহা হৈছিল যদিও কিছুমান প্ৰযুক্তিগত দিশ আৰু চৰকাৰী স্তৰত ইচ্ছাশক্তিৰ অভাৱে ইয়াত বাধাৰ সৃষ্টি কৰিছিল। কিন্তু এতিয়া চৰকাৰে এই দিশত পদক্ষেপ লৈ নতুন নিয়মৰ খচৰাটো চূড়ান্ত ৰূপ দিবলৈ আৰম্ভ কৰিছে। দেশত শীতলীকৰণৰ বাবে তাপমাণৰ মানকীকৰণ ইয়াৰ বাবেও প্ৰয়োজনীয়, কাৰণ গ্ৰীষ্মকালত বিদ্যুতৰ চাহিদা শীৰ্ষত থাকে। ইয়াৰ ভিতৰত এয়াৰ কণ্ডিচনাৰ আৰু বতাহ ঠাণ্ডা কৰা অন্যান্য যন্ত্ৰৰ অৱদানেই আটাইতকৈ বেছি। বিশেষজ্ঞসকলৰ মতে, যদি শীতলীকৰণৰ সময়ত তাপমান নিৰ্ধাৰিত সীমাত ৰখা হয়, তেন্তে দেশজুৰি বছৰি হাজাৰ কোটি ইউনিট বিদ্যুৎ সঞ্চয় কৰিব পৰা যাব। ইয়াৰ ফলত কয়লা-ভিত্তিক শক্তি কেন্দ্ৰৰ ওপৰত প্ৰভাৱো কমিব আৰু কাৰ্বন নিৰ্গমনো যথেষ্ট পৰিমাণে হ্ৰাস পাব। ভাৰতৰ শূন্য কাৰ্বন নিৰ্গমন লক্ষ্য অৰ্জনৰ দিশতো এই পদক্ষেপটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ইতিমধ্যে আন্তৰ্জাতিক মানদণ্ডক মনত ৰাখি এই পদক্ষেপটো গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছিল। জাপান, ইটালী, স্পেইন আৰু দক্ষিণ কোৰিয়া আদি দেশবোৰত এয়াৰ কণ্ডিচনাৰৰ তাপমাণৰ বিষয়ত ইতিমধ্যে কঠোৰ নিয়ম প্ৰযোজ্য হৈ আছে। জাপানত তাপমাণৰ সীমা ২৬ ডিগ্ৰী, আনহাতে ইটালী আৰু স্পেইনত ২৩ৰ পৰা ২৭ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত ৰখা হৈছে। এনেকৈ কোৱা হৈছে যে নতুন নিয়ম বৰ্তমানে সকলো নতুন এয়াৰ কণ্ডিচনাৰত প্ৰযোজ্য হ'ব। অৰ্থাৎ, অহা দিনবোৰত বজাৰত উপলব্ধ এয়াৰ কণ্ডিচনাৰবোৰত তাপমাণ ২০ ডিগ্ৰীৰ তলত আৰু ২৮ ডিগ্ৰী ছেলছিয়াছৰ ওপৰত ৰাখিব নোৱাৰি। ইয়াৰ এটা সুবিধা হ'ব যে বিদ্যুতৰ খৰচ কম হোৱাৰ ফলত বিলৰ ধনৰ পৰিমাণো কমিব। অৰ্থাৎ, সমাজৰ মধ্যম শ্ৰেণীৰ বাবে চৰকাৰৰ এই পদক্ষেপটোৱে স্বস্তি আনি দিব। ঘৰৰ উপৰিও ৰাজহুৱা ভৱন, হোটেল, মল, কাৰ্যালয়, বিপণন কেন্দ্ৰ আৰু গাড়ীত লগোৱা শীতলীকৰণ যন্ত্ৰবোৰতো এই নিয়ম প্ৰযোজ্য হ'ব। যদিও, ঘৰত থকা পুৰণি এয়াৰ কণ্ডিচনাৰৰ বিষয়ত চৰকাৰৰ ফালৰ পৰা এতিয়ালৈকে কোনো স্পষ্টতা দিয়া হোৱা নাই। আন এটা দিশৰ পৰা চালে, কোঠালিত অতি কম তাপমাণ ৰাখাটো স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। স্বাস্থ্য বিশেষজ্ঞসকলৰ মতে, ২০ ডিগ্ৰী ছেলছিয়াছতকৈ কম তাপমাণত থাকিলে শ্বাস-প্ৰশ্বাসৰ সমস্যা, সৰ্দি-কাহ, গাঁঠিৰ বিষ আৰু ছালৰ সমস্যা বৃদ্ধি পাব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, শিশু, বৃদ্ধ আৰু অসুস্থ ব্যক্তিৰ বাবে ২৪-২৬ ডিগ্ৰীৰ তাপমাণ আদৰ্শনীয়।

## সম্পাদকলৈ চিঠি

# কেৰিয়াৰ কাউন্সেলিঙত চাইকোমেট্ৰিক পৰীক্ষাৰ ভূমিকা

কেৰিয়াৰ কাউন্সেলিঙত চাইকোমেট্ৰিক পৰীক্ষাৰ সফলতা মূলত নিৰ্ভৰ কৰে—এই পৰীক্ষাটোৰ ব্যৱহাৰৰ সঠিকতা, প্ৰাসংগিকতা, আৰু আন মূল্যায়ন পদ্ধতি তথা ব্যক্তিগত পৰিস্থিতিৰ সৈতে ইয়াৰ যুক্তিসংগত সংমিশ্ৰণৰ ওপৰত।

চাইকোমেট্ৰিক পৰীক্ষাৰ সঠিকভাৱে ব্যৱহাৰ নকৰিলে সমস্যা হ'ব পাৰে। যদি চাইকোমেট্ৰিক পৰীক্ষাৰ ফলাফলক একমাত্ৰ নিৰ্ণায়ক হিচাপে লোৱা হয়, তেন্তে ব্যক্তিৰ অনন্য পৰিচয় আৰু পৰিস্থিতি উপেক্ষা কৰা হ'ব পাৰে। কেৱল চাইকোমেট্ৰিক পৰীক্ষাৰ ওপৰত ভিত্তি কৰি কেৰিয়াৰৰ সিদ্ধান্ত ল'লে জীৱনৰ বাস্তৱতা (যেনে- বজাৰৰ চাহিদা, ব্যক্তিগত অৱস্থা আদি) উপেক্ষা হ'ব পাৰে। যদি চাইকোমেট্ৰিক পৰীক্ষাৰ ফলাফল যথাযথভাৱে বিশ্লেষণ কৰা নহয় বা অযোগ্য পৰামৰ্শদাতাই ব্যাখ্যা কৰে, তেন্তে শিক্ষাৰ্থীয়ে বিভ্ৰান্তিকৰ পৰামৰ্শ লাভ কৰা আশংকা বৃদ্ধি পায়।

চাইকোমেট্ৰিক পৰীক্ষাৰ সঠিক প্ৰয়োগৰ বাবে কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগে। চাইকোমেট্ৰিক পৰীক্ষাৰ ফলাফলৰ যথাযথ মূল্যায়নৰ বাবে শিক্ষাৰ্থীৰ শৈক্ষিক পটভূমি, ব্যক্তিগত লক্ষ্য আৰু পাৰিবাৰিক পৰিস্থিতিৰ সৈতে তাৰ সুসমন্বয় ঘটোৱা এক অত্যন্ত আৱশ্যক পদক্ষেপ, যাতে তেওঁলোকৰ বাবে উপযুক্ত কেৰিয়াৰ নিৰ্বাচন সম্ভৱ হয়। এজন দক্ষ কেৰিয়াৰ পৰামৰ্শদাতাই শিক্ষাৰ্থীৰ সৈতে আলোচনা কৰি ফলাফল বুজাব লাগে, যাতে শিক্ষাৰ্থীয়ে নিজৰ প্ৰেক্ষাপটত ফলাফলটোৰ যথাৰ্থ অৰ্থ উপলব্ধি কৰিব পাৰে। চাইকোমেট্ৰিক পৰীক্ষাই যিমানেই কেৰিয়াৰৰ সম্ভাব্য দিশ নিৰ্দেশ কৰিব পাৰে, তাতেই সীমাবদ্ধ হৈ নথকাটো প্ৰয়োজনীয়। এই পৰীক্ষাৰ বাহিৰতো অন্যান্য বিকল্পসমূহ চিন্তা কৰি বিবেচনা কৰা সমানে গুৰুত্বপূৰ্ণ।

চাইকোমেট্ৰিক পৰীক্ষা কেৱল এটা সহায়ক সঁজুলি , ই কেৰিয়াৰ সিদ্ধান্ত লোৱাৰ একমাত্ৰ আধাৰ নহয়। ইয়াক বাস্তৱ অভিজ্ঞতা, ব্যক্তিগত লক্ষ্য আৰু প্ৰেৰণাৰ সৈতে সংযুক্ত কৰিলেহে ইয়াৰ সম্পূৰ্ণ সম্ভাৱনীয়তা উন্মোচিত হয়। উদাহৰণস্বৰূপে, এজন শিক্ষাৰ্থীৰ চাইকোমেট্ৰিক পৰীক্ষাত "সৃষ্টিশীলতা" উচ্চ নম্বৰ হ'ব পাৰে, কিন্তু যদি তেওঁৰ বাবে অৰ্থনৈতিক স্থিৰতা প্ৰাথমিক প্ৰাধান্য হয়, তেন্তে তেওঁক শিল্পভিত্তিক পছন্দসমূহৰ লগতে ব্যৱহাৰিক তথা আয়-কেন্দ্ৰিক কেৰিয়াৰ বিকল্পসমূহৰ সৈতে সমতা ৰাখিব লাগিব।

**ড° বুলজিৎ বুঢ়াগোহাঁই**
কেৰিয়াৰ পৰামৰ্শদাতা তথা মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ,
অসম ডন বস্ক' বিশ্ববিদ্যালয়
ফোন ঃ ৯৪৩৫১৮৮৬৩০

*নগৰীকৰণৰ তীব্ৰ গতিয়েও এই ক্ষেত্ৰত এক সুকীয়া পৰিঘটনাৰ সৃষ্টি কৰিছে। নগৰাঞ্চলৰ ব্যাপক বিস্তাৰৰ ফলত কংক্ৰিট আৰু এছফাল্টৰ দৰে পদাৰ্থৰ ব্যৱহাৰ বৃদ্ধি পাইছে, যিয়ে তাপ শোষণ কৰি নগৰীয় অঞ্চলৰ উষ্ণতা বৃদ্ধি কৰিছে। এই পৰিঘটনা, যাক নগৰীয় তাপ দ্বীপ প্ৰভাৱ বুলি কোৱা হয়, নগৰীয় অঞ্চলক গ্ৰাম্য অঞ্চলতকৈ অধিক উষ্ণ কৰি তুলিছে। কংক্ৰিটৰ বিল্ডিং আৰু পথৰ পৃষ্ঠই সূৰ্যৰ বিকিৰণ শোষণ কৰি তাপ ধৰি ৰাখে, যাৰ ফলত ৰাতিৰ সময়তো উষ্ণতা হ্ৰাস নপৰে। ইয়াৰ লগতে নগৰীয় অঞ্চলত সেউজীয়া প্ৰাকৃতিক স্থানৰ অভাৱে এই পৰিঘটনাক আৰু তীব্ৰ কৰি তুলিছে। গছ-গছনিৰ উপস্থিতিয়ে তাপ হ্ৰাস কৰাৰ লগতে বায়ুমণ্ডলৰ কাৰ্বন শোষণ কৰাত সহায় কৰে, কিন্তু নগৰীকৰণৰ ফলত এই প্ৰাকৃতিক সমাধানৰ ক্ষমতা হ্ৰাস পাইছে। নগৰীকৰণৰ এই প্ৰক্ৰিয়া বিশেষকৈ উন্নয়নশীল দেশসমূহত তীব্ৰ হৈ পৰিছে, য'ত জনসংখ্যাৰ ঘনত্ব আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ বৃদ্ধিৰ ফলত নগৰীয় অঞ্চলৰ বিস্তাৰ অতি দ্ৰুত হৈছে। টেকসই নগৰ পৰিকল্পনা আৰু সেউজীয়া স্থানৰ সংৰক্ষণৰ জৰিয়তে এই সমস্যাৰ প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ, কিন্তু এই পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক ইচ্ছাৰ অভাৱ এক বৃহৎ প্ৰতিবন্ধক। নগৰীয় তাপ দ্বীপ প্ৰভাৱৰ ফলত শক্তিৰ চাহিদাও বৃদ্ধি পাইছে, কিয়নো শীতাতপ নিয়ন্ত্ৰণৰ ব্যৱহাৰ বৃদ্ধি পাইছে, যিয়ে পৰোক্ষভাৱে গ্ৰীণহাউচ গেছৰ নিৰ্গমনক আৰু বৃদ্ধি কৰিছে।*

# গৰমৰ প্ৰকোপ

**হিমাংশু ৰণ্জন ভূঞা**

বিগত কেইবছৰ ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তত লগতে আমাৰ অসমতো গৰমৰ মাত্ৰা অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে, যাৰ ফলত জলবায়ুৰ স্থিতিশীলতা আৰু জীৱনধাৰণৰ ক্ষেত্ৰত গুৰুতৰ প্ৰশ্নৰ সৃষ্টি হৈছে। গোলকীয় উষ্ণতাৰ গড় মাত্ৰা ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ লগতে তাপপ্ৰৱাহৰ তীব্ৰতা, খৰাং, আৰু অন্যান্য চৰম আবহাওৱাৰ পৰিঘটনাৰ সংখ্যা বৃদ্ধি পাইছে। এই পৰিঘটনাৰ পিছত মানৱীয় কাৰ্যকলাপৰ সৈতে প্ৰাকৃতিক পৰিবৰ্তনৰ জটিল সমন্বয় কাৰ্যকৰী হৈ আছে।

গৰমৰ মাত্ৰা বৃদ্ধিৰ প্ৰধান কাৰণ হৈছে জলবায়ু পৰিৱৰ্তন, যি মানুহৰ অবিবেচক কাৰ্যকলাপৰ ফলত তীব্ৰতৰ হৈ পৰিছে। শিল্প বিপ্লৱৰ পৰা আৰম্ভ হোৱা এই পৰিৱৰ্তনৰ প্ৰক্ৰিয়া বৰ্তমান অভূতপূৰ্ব মাত্ৰাত উপনীত হৈছে। জীৱাশ্ম ইন্ধনৰ অত্যধিক ব্যৱহাৰৰ ফলত কাৰ্বন ডাই অ'ইড, মিথেন, নাইট্ৰাছ অ'ইডৰ দৰে গ্ৰীণহাউচ গেছৰ নিৰ্গমন ব্যাপকভাৱে বৃদ্ধি পাইছে। এই গেছসমূহে পৃথিৱীৰ বায়ুমণ্ডলত তাপ আৱদ্ধ কৰি ৰাখে, যাৰ ফলত পৃথিৱীৰ গড় উষ্ণতা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই প্ৰক্ৰিয়া, যাক গ্ৰীণহাউচ প্ৰভাৱ বুলি কোৱা হয়, পৃথিৱীৰ জলবায়ু ব্যৱস্থাৰ স্বাভাৱিক ভাৰসম্যক বিঘ্নিত কৰিছে। এই গেছৰ নিৰ্গমনৰ ফলত বায়ুমণ্ডলৰ তাপ ধৰি ৰখাৰ ক্ষমতা বৃদ্ধি পাইছে, যাৰ পৰিণাম হিচাপে তাপপ্ৰৱাহৰ তীব্ৰতা আৰু সময়কাল বৃদ্ধি পাইছে। এই পৰিঘটনাৰ ফলত আবহাওৱাৰ চৰম পৰিবৰ্তন যেনে দীৰ্ঘম্যাদী খৰাং, অত্যধিক বৰষুণ, আৰু ঘূৰ্ণীজল্পৰ সংখ্যা বৃদ্ধি পাইছে। গ্ৰীণহাউচ গেছৰ নিৰ্গমন হ্ৰাসৰ বাবে বৈশ্বিক স্তৰত নীতি-নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। কিন্তু বিভিন্ন দেশৰ অৰ্থনৈতিক স্বাৰ্থ, শিল্পৰ ওপৰত নিৰ্ভৰশীলতা, আৰু পৰিৱেশ সুৰক্ষাৰ নীতিৰ মাজত সামঞ্জস্য ৰক্ষাৰ অভাৱৰ বাবে এই প্ৰক্ৰিয়া জটিল হৈ পৰিছে। উন্নত দেশসমূহৰ শিল্পীকৰণৰ ইতিহাস আৰু উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ আকাংক্ষাৰ মাজত এক সুস্থিৰ সমাধান বিচাৰি উলিওৱাটো এই সমস্যাৰ এক গুৰুত্বপূৰ্ণ দিশ। এই পৰিস্থিতিত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু পৰিৱেশ সুৰক্ষাৰ বাবে কঠোৰ নীতিৰ প্ৰয়োগ অতি জৰুৰী।

আকৌ শিল্প বিপ্লৱৰ পৰা আৰম্ভ হোৱা শক্তিৰ চাহিদাৰ বৃদ্ধিয়ে জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি কৰিছে। কয়লা, তেল, আৰু প্ৰাকৃতিক গেছৰ দহনৰ ফলত কাৰ্বন ডাই অ'ইডৰ নিৰ্গমন বৃদ্ধি পাইছে, যিয়ে বায়ুমণ্ডলৰ তাপ ধৰি ৰখাৰ ক্ষমতাক তীব্ৰ কৰি তুলিছে। শিল্প কাৰ্যকলাপৰ পৰা নিৰ্গত হোৱা অন্যান্য দূষক পদাৰ্থ যেনে সালফাৰ ডাই অ'ইড আৰু নাইট্ৰজেন অ'ইডে বায়ুমণ্ডলৰ ৰাসায়নিক গঠনত পৰিৱৰ্তন আনিছে, যিয়ে জলবায়ুৰ ভাৰসম্যক আৰু অধিক বিঘ্নিত কৰিছে। ইয়াৰ উপৰি, শিল্প প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় শক্তি উৎপাদনৰ পৰা উৎপন্ন তাপে স্থানীয় উষ্ণতাৰ মাত্ৰা বৃদ্ধি কৰিছে। শিল্পীকৰণৰ এই প্ৰক্ৰিয়া বিশেষকৈ উন্নয়নশীল দেশসমূহত তীব্ৰ হৈ পৰিছে, য'ত অৰ্থনৈতিক বিকাশৰ লক্ষ্য অৰ্জনৰ বাবে পৰিৱেশ সুৰক্ষাৰ নীতিসমূহৰ প্ৰতি পৰ্যাপ্ত গুৰুত্ব দিয়া হোৱা নাই। শিল্প কাৰ্যকলাপৰ পৰিমাণ বৃদ্ধিৰ লগতে শক্তি দক্ষতাৰ অভাৱ আৰু পৰিৱেশ-বান্ধৱ প্ৰযুক্তিৰ সীমিত ব্যৱহাৰে এই সমস্যাক আৰু জটিল কৰি তুলিছে। শিল্পীকৰণৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ হ্ৰাস কৰাৰ বাবে নবীকৰণযোগ্য শক্তিৰ উৎসৰ ব্যৱহাৰ বৃদ্ধি আৰু শক্তি দক্ষতাৰ উন্নতিৰ প্ৰয়োজনীয়তা অতি জৰুৰী হৈ পৰিছে। কিন্তু এই পৰিৱৰ্তনৰ বাবে প্ৰয়োজনীয় অৰ্থনৈতিক বিনিয়োগ আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ অভাৱে এই প্ৰক্ৰিয়াক বাধাগ্ৰস্ত কৰিছে।




নগৰীকৰণৰ তীব্ৰ গতিয়েও এই ক্ষেত্ৰত এক সুকীয়া পৰিঘটনাৰ সৃষ্টি কৰিছে। নগৰাঞ্চলৰ ব্যাপক বিস্তাৰৰ ফলত কংক্ৰিট আৰু এছফাল্টৰ দৰে পদাৰ্থৰ ব্যৱহাৰ বৃদ্ধি পাইছে, যিয়ে তাপ শোষণ কৰি নগৰীয় অঞ্চলৰ উষ্ণতা বৃদ্ধি কৰিছে। এই পৰিঘটনা, যাক নগৰীয় তাপ দ্বীপ প্ৰভাৱ বুলি কোৱা হয়, নগৰীয় অঞ্চলক গ্ৰাম্য অঞ্চলতকৈ অধিক উষ্ণ কৰি তুলিছে। কংক্ৰিটৰ বিল্ডিং আৰু পথৰ পৃষ্ঠই সূৰ্যৰ বিকিৰণ শোষণ কৰি তাপ ধৰি ৰাখে, যাৰ ফলত ৰাতিৰ সময়তো উষ্ণতা হ্ৰাস নপৰে। ইয়াৰ লগতে নগৰীয় অঞ্চলত সেউজীয়া প্ৰাকৃতিক স্থানৰ অভাৱে এই পৰিঘটনাক আৰু তীব্ৰ কৰি তুলিছে। গছ-গছনিৰ উপস্থিতিয়ে তাপ হ্ৰাস কৰাৰ লগতে বায়ুমণ্ডলৰ কাৰ্বন শোষণ কৰাত সহায় কৰে, কিন্তু নগৰীকৰণৰ ফলত এই প্ৰাকৃতিক সমাধানৰ ক্ষমতা হ্ৰাস পাইছে। নগৰীকৰণৰ এই প্ৰক্ৰিয়া বিশেষকৈ উন্নয়নশীল দেশসমূহত তীব্ৰ হৈ পৰিছে, য'ত জনসংখ্যাৰ ঘনত্ব আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ বৃদ্ধিৰ ফলত নগৰীয় অঞ্চলৰ বিস্তাৰ অতি দ্ৰুত হৈছে। টেকসই নগৰ পৰিকল্পনা আৰু সেউজীয়া স্থানৰ সংৰক্ষণৰ জৰিয়তে এই সমস্যাৰ প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ, কিন্তু এই পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক ইচ্ছাৰ অভাৱ এক বৃহৎ প্ৰতিবন্ধক। নগৰীয় তাপ দ্বীপ প্ৰভাৱৰ ফলত শক্তিৰ চাহিদাও বৃদ্ধি পাইছে, কিয়নো শীতাতপ নিয়ন্ত্ৰণৰ ব্যৱহাৰ বৃদ্ধি পাইছে, যিয়ে পৰোক্ষভাৱে গ্ৰীণহাউচ গেছৰ নিৰ্গমনক আৰু বৃদ্ধি কৰিছে।

বনাঞ্চল ধ্বংসৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰক্ৰিয়া তীব্ৰতৰ হৈ পৰিছে। গছ-গছনিয়ে কাৰ্বন ডাই অ'ইড শোষণ কৰি বায়ুমণ্ডলৰ ভাৰসাম্য ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু কৃষিৰ বাবে মাটিৰ প্ৰয়োজনীয়তা, খনন কাৰ্যকলাপ, আৰু অবৈধ কাঠ নিৰ্মাণৰ ফলত বনাঞ্চলৰ ব্যাপক ধ্বংস হৈছে। এই ধ্বংসৰ ফলত কাৰ্বন শোষণৰ প্ৰাকৃতিক ক্ষমতা হ্ৰাস পোৱাৰ লগতে মাটিত সঞ্চিত কাৰ্বন মুক্ত হৈ বায়ুমণ্ডলত মিশ্ৰিত হৈছে। এই প্ৰক্ৰিয়াই গ্ৰীণহাউচ গেছৰ পৰিমাণ বৃদ্ধি কৰিছে, যিয়ে জলবায়ু পৰিৱৰ্তনৰ তীব্ৰতাক আৰু বৃদ্ধি কৰিছে। বনাঞ্চল ধ্বংসৰ ফলত স্থানীয় জলবায়ুৰ ওপৰতো প্ৰভাৱ পৰিছে, কিয়নো বনাঞ্চলে বৰষুণৰ চক্ৰ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বনাঞ্চলৰ ক্ষয়ৰ ফলত বৰষুণৰ ধৰণত পৰিৱৰ্তন আৰু খৰাংৰ পৰিঘটনা বৃদ্ধি পাইছে। ইয়াৰ উপৰি, বনাঞ্চল ধ্বংসৰ ফলত জৈৱবৈচিত্ৰ্যৰ ক্ষতি হৈছে, যিয়ে পৰিৱেশ তন্ত্ৰৰ ভাৰসম্যক বিঘ্নিত কৰিছে। এই সমস্যাৰ সমাধানৰ বাবে বন সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ প্ৰচেষ্টা অতি জৰুৰী। কিন্তু বৈশ্বিক স্তৰত বনাঞ্চল ধ্বংসৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত অৰ্থনৈতিক স্বাৰ্থ আৰু নীতিগত পাৰ্থক্যই এক বৃহৎ প্ৰতিবন্ধক হৈ থিয় দিছে। বনাঞ্চলৰ পুনৰুদ্ধাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু স্থানীয় সম্প্ৰদায়ৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ।

প্ৰাকৃতিক জলবায়ু চক্ৰৰ পৰিবৰ্তনৰ প্ৰভাৱো মনকৰিবলগীয়া। এল নিনো আৰু লা নিনাৰ দৰে পৰিঘটনাই সমুদ্ৰৰ উষ্ণতাৰ পৰিৱৰ্তনৰ জৰিয়তে জলবায়ুৰ ধৰণৰ ওপৰত প্ৰভাৱ পেলায়। এল নিনোৰ সময়ত সমুদ্ৰৰ উষ্ণতা বৃদ্ধিৰ ফলত তাপপ্ৰৱাহৰ তীব্ৰতা বৃদ্ধি পায়, যিয়ে স্থানীয় উষ্ণতাক অধিক তীব্ৰ কৰি তুলিব পাৰে। এই পৰিঘটনাসমূহ যদিও প্ৰাকৃতিক, মানৱীয় কাৰ্যকলাপৰ ফলত সৃষ্ট জলবায়ু পৰিৱৰ্তনে এই চক্ৰৰ তীব্ৰতা আৰু পৰিণামক অধিক জটিল কৰি তুলিছে। ইয়াৰ লগতে সৌৰ বিকিৰণৰ পৰিৱৰ্তন আৰু আগ্নেয়গিৰিৰ কাৰ্যকলাপৰ দৰে প্ৰাকৃতিক কাৰকসমূহে জলবায়ুৰ ওপৰত প্ৰভাৱ পেলায়। কিন্তু এই প্ৰাকৃতিক কাৰকসমূহৰ তুলনাত মানৱীয় কাৰ্যকলাপৰ পৰিণাম অধিক তীব্ৰ আৰু দীৰ্ঘম্যাদী। প্ৰাকৃতিক চক্ৰৰ সৈতে মানৱীয় কাৰ্যকলাপৰ পৰিণামৰ সমন্বয়ৰ ফলত জলবায়ুৰ অস্থিৰতা বৃদ্ধি পাইছে, যিয়ে গৰমৰ তীব্ৰতাক অধিক জটিল কৰি তুলিছে। এই পৰিঘটনাৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে জলবায়ুৰ প্ৰাকৃতিক চক্ৰৰ ওপৰত গভীৰ গৱেষণা আৰু তাৰ সৈতে সামঞ্জস্যপূৰ্ণ নীতি প্ৰণয়নৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ।

গৰম বৃদ্ধিৰ পৰিণাম ব্যাপক আৰু গভীৰ। অত্যধিক গৰমৰ পৰিণতিত কৃষিৰ উৎপাদনশীলতা হ্ৰাস পোৱাৰ ফলত খাদ্য সুৰক্ষাৰ ওপৰত প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে। তীব্ৰ গৰমৰ ফলত শস্যৰ উৎপাদনৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে, যিয়ে খাদ্যৰ মূল্যবৃদ্ধি আৰু খাদ্যৰ অভাৱৰ সম্ভাৱনা বৃদ্ধি কৰিছে। ইয়াৰ লগতে পানীৰ উৎসৰ শুকাই যোৱাৰ ফলত পানীৰ সংকট তীব্ৰ হৈ পৰিছে। এই সংকটে সমাজৰ বিভিন্ন ক্ষেত্ৰত সংঘাতৰ সৃষ্টি কৰিব পাৰে, বিশেষকৈ পানীৰ ওপৰত নিৰ্ভৰশীল অঞ্চলসমূহত। জৈৱবৈচিত্ৰ্যৰ ক্ষতিৰ ফলত পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্য বিঘ্নিত হৈছে, যিয়ে দীৰ্ঘম্যাদীভাৱে পৃথিৱীৰ জীৱন ধাৰণৰ ক্ষমতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। তীব্ৰ গৰমৰ ফলত জনস্বাস্থ্যৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰিছে। তাপপ্ৰৱাহৰ ফলত তাপজনিত ৰোগৰ সংখ্যা বৃদ্ধি পাইছে, যিয়ে স্বাস্থ্য ব্যৱস্থাৰ ওপৰত অতিৰিক্ত চাপৰ সৃষ্টি কৰিছে। এই পৰিণামসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাসৰ বাবে সামগ্ৰিক কৌশলৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ।

এই সমস্যাৰ সমাধানৰ বাবে গোলকীয় আৰু স্থানীয় স্তৰত সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি, শক্তি দক্ষতাৰ উন্নতি, বন সংৰক্ষণ, আৰু টেকসই নগৰ পৰিকল্পনাৰ জৰিয়তে গৰম বৃদ্ধিৰ প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ। নবীকৰণযোগ্য শক্তিৰ উৎস যেনে সৌৰশক্তি, বায়ুশক্তি, আৰু জলবিদ্যুৎৰ ব্যৱহাৰ বৃদ্ধিৰ জৰিয়তে জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা সম্ভৱ। ইয়াৰ লগতে শক্তি দক্ষতাৰ উন্নতিৰ বাবে প্ৰযুক্তিগত উদ্ভাৱন আৰু বিনিয়োগৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। বন সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ জৰিয়তে কাৰ্বন শোষণৰ ক্ষমতা বৃদ্ধি কৰা সম্ভৱ, যিয়ে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাস কৰাত সহায় কৰিব। টেকসই নগৰ পৰিকল্পনাৰ জৰিয়তে নগৰীয় তাপ দ্বীপ প্ৰভাৱ হ্ৰাস কৰাৰ লগতে সেউজীয়া স্থানৰ সংৰক্ষণৰ প্ৰচেষ্টা অতি জৰুৰী। জনসাধাৰণৰ মাজত পৰিৱেশ সচেতনতা বৃদ্ধি আৰু স্থিতিশীল জীৱনশৈলীৰ প্ৰচাৰৰ জৰিয়তে এই সমস্যাৰ সৈতে মোকাবিলা কৰা সম্ভৱ। বৈশ্বিক স্তৰত পেৰিছ চুক্তিৰ দৰে উদ্যোগে গ্ৰীণহাউচ গেছৰ নিৰ্গমন হ্ৰাসৰ বাবে এক কাঠামো প্ৰদান কৰিছে, কিন্তু ইয়াৰ সফলতা নিৰ্ভৰ কৰে দেশসমূহৰ প্ৰতিশ্ৰুতিৰ প্ৰতি দায়বদ্ধতাৰ ওপৰত। স্থানীয় স্তৰতো পৰিৱেশ সুৰক্ষাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ আৰু নীতিৰ কঠোৰ প্ৰয়োগ অতি গুৰুত্বপূৰ্ণ।

সামৰণিত ক'ব পাৰি যে গৰম বৃদ্ধিৰ পৰিঘটনা এক জটিল আৰু বহুমাত্ৰিক সমস্যা, যাৰ মূলত মানৱীয় কাৰ্যকলাপৰ সৈতে প্ৰাকৃতিক পৰিবৰ্তনৰ সমন্বয় কাৰ্যকৰী হৈ আছে। গ্ৰীণহাউচ গেছৰ নিৰ্গমন, শিল্প উদ্যোগ, নগৰীকৰণ, বনাঞ্চল ধ্বংস, আৰু প্ৰাকৃতিক জলবায়ু চক্ৰৰ পৰিবৰ্তনে এই সমস্যাৰ তীব্ৰতা বৃদ্ধি কৰিছে। এই সমস্যাৰ পৰিণাম কৃষি, পানীৰ উৎস, জৈৱবৈচিত্ৰ্য, আৰু জনস্বাস্থ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ইয়াৰ সমাধানৰ বাবে নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ, শক্তি দক্ষতাৰ উন্নতি, বন সংৰক্ষণ, আৰু টেকসই নগৰ পৰিকল্পনাৰ জৰিয়তে এক সামগ্ৰিক কৌশল গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। সমন্বিত প্ৰচেষ্টা আৰু জনসাধাৰণৰ সচেতনতাৰ জৰিয়তে এই সমস্যাৰ প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ। ভৱিষ্যত প্ৰজন্মৰ বাবে এক সুস্থ আৰু স্থিতিশীল পৃথিৱী গঢ়ি তোলাৰ বাবে এই প্ৰচেষ্টাৰ গুৰুত্ব অপৰিসীম।

ফোন ঃ ৯৮৬৪৫৩৯৯৬৬, ৮৪৮৬৪০০১৫৭

# বাটৰ দ্বন্দ্ব ঃ এটি চিন্তনীয় বিষয়

**নিবেদিতা হাজৰিকা**

দন্দ, কাজিয়া বা খৰিয়াল ই কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। কিয়নো ইয়াৰ পৰিণাম কেতিয়াবা ইমানেই ভয়াবহ হ'ব পাৰে বা হয় যে কিছুমান দন্দৰ পৰিণাম শুনিলেই গাৰ নাম শিহৰিত হৈ উঠে। বাটে-ঘাটেও আজি-কালি এনে ঘটনা প্ৰায়ে সংঘটিত হোৱা দেখা যায়।

বাটৰ দন্দ কোনো নতুন কথা নহয়। আজি-কালি সততে বাটে-ঘাটে। বাক- বিতণ্ডা, দুৰ্ঘটনা ঘটি থাকে যিবোৰ বহু সময়ত প্ৰাণঘাতক হৈ উঠিব পাৰে বা হৈ উঠে। আমাৰ বহুতৰে লগত এনেকুৱা ধৰণৰ ঘটনা ঘটে যিবোৰ ঘটনাত আমি ক'ব নোৱাৰাকৈয়ে বা নভবাকৈয়ে জড়িত হ'ব লগা হয়। এনে প্ৰত্যক্ষদৰ্শী বা ভুক্তভোগীসকলে ইয়াৰ ভয়াৱহতাৰ বিষয়ে সহজে অনুমান কৰিব পাৰে। এনে ধৰণৰ বাটৰ দন্দ কেৱল যে আমাৰ দেশত হে সংঘটিত হয় এনে নহয়। সমগ্ৰ বিশ্বতেই বাটৰ দন্দ ঘটা দেখিবলৈ পোৱা যায় বা এনে ঘটনা সংঘটিত হোৱাৰ খবৰ বিভিন্ন প্ৰচাৰ মাধ্যম আদিৰ জৰিয়তে গম পোৱা যায়। পৰাপক্ষত বাটে-ঘাটে সংঘটিত হোৱা এনে কাৰ্যৰ পৰা আঁতৰি থকা উচিত। কিয়নো কেতিয়াবা সাধাৰণ যেন লগা ঘটনাটোৱেও এনে ৰূপ লয় যে পিছৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰা জটিল হৈ পৰে। দিনে-দিনে এই ধৰণৰ দ্বন্দ্ব বা সংঘাত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যিটো এটা অতিশয় চিন্তনীয় আৰু উদ্বেগৰ বিষয়। কিয়নো এই ধৰণৰ আক্ৰমণাত্মক ঘটনাই জীৱনলৈ কাল অমানিশা নমাই আনিব পাৰে। বাস্তৱত এনে ঘটনা আজিৰ তাৰিখত বিৰল নহয়।

বহু সময়ত দেখা যায় এনে ধৰণৰ পৰিস্থিতিত খুব কম সংখ্যক লোকেহে ধৈৰ্য নেহেৰুৱাকৈ থাকি সমস্যাটো বুজা-পৰাৰ মাজেৰে সমাধা কৰিবলৈ সক্ষম হয়। বদ মেজাজী, অধৈৰ্য, অলপতে জ্ঞান শূন্য হৈ পৰা লোকৰ লগত যদিহে কেতিয়াবা পথচাৰীৰ বা চালকৰ কাজিয়া হৈছে বা মত বিৰোধ হৈছে তেন্তে সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰাৰো শংকা নুই কৰিব নোৱাৰি।

আক্ৰমণাত্মক ভাৱে গাড়ী চলোৱা, হঠাতে কোনো ধৰণৰ পূৰ্ব সংকেত নিদিয়াকৈ বাহনৰ গতিবেগ বঢ়াই দিয়া বা ব্ৰেক মাৰি দিয়াৰ বাবেও বহু সময়ত আন চালকৰ অসুবিধা হয়। হঠাৎ কোনো বাহন ইখনতকৈ আগবাঢ়ি যোৱা দেখি সিখনৰ লগত সমানে আগবাঢ়ি যাবলৈ যত্ন কৰা বা আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰাৰ বাবেও কেতিয়াবা দুই চালকৰ মাজত সংঘাতৰ সৃষ্টি হ'ব পাৰে বা সংঘাত সৃষ্টি হয়। কিছুমান বাহন চালকৰ বাহন চলোৱাৰ ধৰণ বা ব্যৱহাৰৰ বাবেও বহু সময়ত বাটৰ দ্বন্দ্ব সংঘটিত হয়। সেয়ে সকলো বাহন চালকে পথৰ নীতি-নিৰ্দেশনা মানি চলা উচিত। আনৰ সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ ৰখা উচিত আৰু লগতে এনেবোৰ পৰিস্থিতি নহ'বৰ বাবে পাৰ্যমানে যত্ন কৰা উচিত। কিয়নো যিকোনো ধৰণৰ দ্বন্দ্ব বা সংঘাতৰ ফল কেতিয়াও শুভ নহয়। ই শাৰীৰিক আৰু মানসিক দুয়ো দিশতে প্ৰভাৱ পেলায়। সেয়ে পাৰ্যমানে এনে পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলো যত্ন কৰা উচিত। এই ব্যস্ত পৃথিৱীখনত সকলোকে আগবাঢ়ি যাবলৈ লাগে। সেয়ে হয়তো মানুহে বহু সময়ত নিজৰ বিবেকৰ কথাও পাহৰি যায়। আনক চেৰ পেলাই আগবাঢ়ি যোৱাৰ প্ৰৱণতা ইমানেই গাঢ় হৈ পৰিছে যে পিছৰ পৰিস্থিতিৰ কথা হ'ব লগা বিপদৰ কথা চিন্তা কৰিবলৈও যেন বহু সময়ত অপাৰগ হৈ পৰে। যাৰ ফলশ্ৰুতিত সংঘটিত হয় বাটৰ দ্বন্দ্ব। গাড়ী বা বাহন এখন চলাব পাৰিলেই নহয়, ইয়াৰ লগতে বাট-পথত নিজক নিয়ন্ত্ৰণ কৰাৰ লগতে এজন দক্ষ চালকৰ গুণ সমূহ আয়ত্ত কৰা, কৌশল সমূহ শিকি-বুজি লোৱাটোও সমানে দৰকাৰী।

বাটৰ দ্বন্দ্বৰ দৰে সৰু- সৰু কাৰ্যত নিজক লিপ্ত কৰি নিজকে ক্ষুব্ধ আৰু অধৈৰ্য কৰি নিজৰ শাৰীৰিক আৰু মানসিক ক্ষতি সাধনৰ পৰা দূৰত থকাটোৱে বুদ্ধিমানৰ কাম। আৰু যদিহে অজানিতে এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় তেন্তে পাৰ্যমানে পৰিস্থিতি আক্ৰমণাত্মক হৈ উঠাৰ আগতেই কৌশলেৰে ইয়াৰ নিবৃত্তি কৰিবলৈ যত্ন কৰা উচিত। প্ৰাণঘাতক হ'ব পৰা, বিপদ ঘটোৱাৰ সম্ভাৱনা থকা বাটৰ নাটৰ পৰা আঁতৰি থকাটো সকলোৰে বাবে মংগলজনক। মানুহৰ মাজত আজি- কালি অসহিষ্ণুতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যিটো খুবেই এক শংকা আৰু চিন্তাৰ কাৰণ হৈ পৰিছে। খন্তেকৰ উত্তেজনা বা উন্মাদনাৰ বশৱৰ্তী হৈ দিকবিদিক হেৰুৱাই, হিতাহিত জ্ঞান হেৰুৱাই সংঘটিত কৰা এনে দন্দ বা কাজিয়াৰ সৃষ্টি হ'ব পৰিস্থিতিৰ পৰা পাৰ্যমানে আঁতৰি থাকিবলৈ তথা এনে ধৰণৰ পৰিস্থিতি উদ্ভাৱন হ'লেও পাৰ্যমানে পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ যত্ন কৰা উচিত।

ফোন ঃ ৯৩৬৫০১৮৭৫০

# মানসিক অশান্তি ঃ কাৰক আৰু কৰণীয়

**নৱজ্যোতি বড়া**

সাম্প্ৰতিক সময়ত "মানসিক অশান্তি "মানুহৰ স্বাভাৱিক জীৱনযাত্ৰাত প্ৰভাৱিত এক গভীৰ কাৰক হিচাপে চিহ্নিত হৈছে। মানসিক অশান্তি মনৰ এনে পৰ্যায় য'ত মানুহে শান্তি, সুখ, স্থিৰতা, ধনাত্মক চিন্তা আদি অনুভৱ কৰিব নোৱাৰা হয়। ব্যক্তিভেদে মানসিক অশান্তিৰ কাৰণ ভিন্ন। জীৱনৰ উত্থান-পতন, সমস্যা, কামৰ বোজা আদি মানসিক অশান্তিৰ কাৰণ হ'ব পাৰে। সাধাৰণতে বাহ্যিক চাপ, অভ্যন্তৰীণ সংঘাত, সমাজৰ প্ৰভাৱ আদি কাৰকেও মানসিক শান্তিত প্ৰভাৱিত কৰে।

প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ লগে লগে আমি সকলোৱে ইণ্টাৰনেট, সামাজিক মাধ্যম আদি ব্যৱহাৰ কৰি আহিছোঁ। স্মাৰ্টফোনৰ অতিমাত্ৰা ব্যৱহাৰে মানসিকভাৱে ক্লান্ত কৰি উদ্বেগ, অস্থিৰতা বঢ়ায়। মানুহে নিজক আনৰ সৈতে তুলনা কৰি হতাশা, অসন্তোষ বৃদ্ধি কৰা দেখিবলৈ পোৱা যায়। অৰ্থনৈতিক অস্থিৰতা বৰ্তমান সময়ৰ মানসিক অশান্তিৰ এটা গুৰুত্বপূৰ্ণ কাৰণ। খা-খৰচৰ হাৰ বৃদ্ধি, ঋণৰ বোজা, আৰ্থিক স্থিতি আদি চিন্তাই মানসিক চাপ আৰু দীৰ্ঘম্যাদী উদ্বেগৰ জন্ম দিয়ে। বিচ্ছেদ, অবিশ্বাস, ভুল বুজাবুজি আদিয়ে শূন্যতা জন্মাই মানুহক নিসংগতাক আকোঁৱালি ল'বলৈ বাধ্য কৰিছে।

মানসিক অশান্তিৰ হাৰ কমাবৰ বাবে ব্যক্তিগত আৰু সামাজিক স্তৰত ভিন্ন পদক্ষেপ হাতত ল'ব পাৰি যি ব্যক্তিৰ জীৱনৰ পৰিৱেশ - পৰিস্থিতি আৰু মানসিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। মনক শান্ত কৰিবৰ বাবে ধ্যান, ব্যায়াম ভাল টোপনি, স্বাস্থ্যকৰ খাদ্য আদি দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। মানসিক স্বাস্থ্যৰ সজাগতা বৃদ্ধিয়ে সমাজত মানসিক অশান্তিৰ মোকাবিলা কৰিবলৈ সহায় কৰে। অৱশ্যে, দীৰ্ঘদিনীয়া মানসিক অশান্তিৰ বাবে মনোৰোগ বিশেষজ্ঞৰ কাষ চপাটো উচিত। সু- উপায়, ব্যৱস্থাপনা, পৰামৰ্শ আদিৰ দ্বাৰা মানসিক অশান্তিৰ পৰা মুক্ত হৈ ভালে থকাৰ যত্ন কৰো আহক।

গল্প

# অশান্ত মেদেনী

কল্যাণী দেৱী গোস্বামী

সমতলৰ পৰা ক্ৰমে পাহাৰিয়া টিলাটো ওপৰলৈ উজাই গৈছে। এসময়তজন জাতীয় থলুৱা লোক সকলক এতিয়া ইয়াত দেখা পোৱা নাযায় যদিও তেওঁলোকৰ স্মৃতিবিজড়িত সম্পদ মাটিতেই গঢ় লৈ উঠিছে নতুন মানুহবোৰৰ নতুন বসতিস্থল। সেই ঠাইৰ পৰাই নিজৰ আটোমটোকাৰিকৈ সজাই লোৱা কুটিৰৰ পৰা প্ৰসেন ওলাই আহিছে নিজ কৰ্তব্য সমাপনৰ বাবে। লুইতৰ পাৰে পাৰে নৈসৰ্গিক মন জুৰ পৰা নিৰ্মল বতাহত

সেউজী গছৰ পাতবোৰ, ওচৰৰ পাহাৰ আৰু নৈ খনৰ বুকুৰ মাজেৰে বগাই অহা বতাহে নচুৱাইছিল। নাতি দূৰৈত হাবি খনৰ মাজৰপৰা ওলাই অহা বিচিত্ৰ নৈসৰ্গিক মন পৰশা শব্দই সাঁজ লগাৰ বতৰা কঢ়িয়াইছিল। শীতল বতাহজাক গাত সানি সি আগুৱাই গৈ থাকিল। জিৰ জিৰকৈ সৰিপৰা হেঙুলীয়া ৰ'দজাকে দেহৰ সমস্ত দুখ ভাগৰ পাহৰাই পেলালে তাৰ। দিনটোৰ উৎকত গৰম আৰু ৰ'দত দহা শৰীৰৰ কষ্টবোৰ যেন ধুই হে নিলে আবেলিৰ বতাহজাকে। গৈ থকা পথটোৰ গা চুই থকা, পলস পৰি পোত যোৱা, মেটেকাৰ তৰপত বোকা পানী নেদেখা বিলখন এতিয়া পিতনি। পিতনি খনৰ সিটো পাৰৰ মানুহবোৰে ইটো পাৰৰ এই বিশেষ ঘৰটোৰ ভিতৰত ঘটি থকা ঘটনাৰ একো উমান নাপায়। কেতিয়াবা দোভাগ নিশা ৰিণি ৰিণি কাৰোবাৰ কৰুণ মৰণকাতৰ চিৎকাৰ কোনো কোনোৰ কাণত নপৰা নহয় অৱশ্যে। মনৰ ভ্ৰম বুলি কথাটো সামৰি থয় তেওঁলোকে। ইটাৰ গাঠঁনিৰ দুমহলীয়া ঘৰটোৰ এশ মিটাৰ মান আঁতৰত ৰৈ দিলে প্ৰসেন। অনুসন্ধিৎসু মনটো দমাব নোৱাৰিলে প্ৰসেনে। ঘৰটোৰ সন্মুখত তেজপিয়াবোৰৰ নিজৰ অপকৰ্ম-কাণ্ডবোৰ ঢাকিবলৈ এখন বিৰাটকায় ফলক আঁৰি থোৱা আছে। তাত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে কাৰখানাৰ নাম "এগ্ৰো' ফুডছ্ ইণ্টাৰনেশ্যনেল লিমিটেড। "অত-তত ঘৰটোৰ ওৱাল বোৰত ফাঁট মেলিছে। ফাঁটবোৰৰ মাজেৰে দুই এঠাইত অপতৃণ আৰু পাকৰিৰ সৰু সৰু গছে-বনে লতাই গা কৰি উঠিছে। দুই এচটা ইটা খহি পৰি নিজৰ অযত্ন পালিত স্বৰূপ উদঙাইছে। যদিও বাহিৰৰ পৰা বন্ধ, গাতে লাগি থকা গুদামঘৰটোৰ ভিতৰভাগত দুৰ্বৃত্তৰ গোপন কু-কাৰ্য্যৰ ৰমৰমীয়া বেহা, চলি থাকে হেনো এতিয়াও, অহৰহ। ইফালে সিফালে চাই পঠিয়ালে যদিও সি কাকো ক'তো দেখা নাপালে। এই ঘৰটোৰ বিষয়ে তাৰ বহুত ঘটনাই জ্ঞাত। সি নিজকেই চিকুটি চালে -এয়া সিয়েই হয় টো। সেই তাহানিৰ দুৰ্বৃত্তৰ কৰলত পৰি এই ঘৰটোতেই আৱদ্ধ হোৱা প্ৰসেন। সেই ভয়ঙ্কৰ দিনকেইটাত জীৱন-মৰণৰ দুচিন্তাত কটোৱা সময় বোৰ মৰণ কাতৰ হৈ কেনেকৈ পাৰ কৰিছিল দুনাই স্মৰণ কৰিব কুণ্ঠাবোধ হয় তাৰ। দিনত একাংশ লোকৰ নিৰীক্ষণত আছিল আৰু ৰাতি তেওঁক বান্ধি থোৱা হৈছিল। ঘৰৰ মানুহ বা চিনাকি লোকৰ কথা মনত পৰি আবেগিক হৈ পৰা প্ৰসেনৰ দুচকুত জলকীয়াৰ গুৰি সানি দিয়া হৈছিল। সেইসময়ৰ জীৱন বৃত্তান্ত অতি ভয়াবহ। তেইছ বছৰ পূৰ্বে তেওঁ আছিল এটি আঠ বছৰীয়া শিশু তেতিয়া। গাটো জিকাৰ খাই উঠিল প্ৰসেনৰ।

ইয়াতেই লহ্ পহকৈ বৃদ্ধি পাই আহিছে বিষাক্ত ড্ৰাগছৰ বেহা। অনৈতিক কাম কিছুমানে গা কৰি উঠিছে তাত। মাজে সময়ে প্ৰশাসনৰ কঠোৰ হাতোৰাই উৎখাত কৰিলেও কিছুদিন বিৰতিৰ পিছত পুনৰ গা কৰি উঠে এই দুৰ্বৃত্তৰ চক্ৰান্ত। ক্ষন্তেক থমকি ৰৈ সি আগবাঢ়িল সন্মুখৰ দূৰৈৰজন বসতি সেৰেঙা অঞ্চলটোলৈ। সেই অঞ্চলৰ পূৱদিশে থকা পাহাৰখনৰ ক্ৰমান্বয়ে আয়তন কমি অহাত, মানুহৰ হৈ চৈ বোৰ, তাত গঢ় লৈ উঠা কল কাৰখানাৰ কাণতাল মৰা শব্দত বনৰীয়া জীৱ জন্তুৰ শান্তি ভঙ্গ হৈছে, লগতে বিচৰণ ভূমি কমি যোৱাত সঘনাই জীৱ জন্ত বোৰে মানুহক আক্ৰমণ কৰিবলৈ লৈছে। ভূ-মাফিয়াবোৰ দলে বলে আহি এই অঞ্চলবোৰৰ প্ৰভাৱশালী লোক সকলৰ স্বাৰ্থত বাণিজ্যিক ভিত্তিতে এ'কেভেটৰ, ট্ৰে"ৰ ক্ৰয়কৰি দিনে নিশা ই নদী আৰু পাহাৰৰ মাটি -বালি খনন কৰি স্থানীয় লোকসকলক সৰ্বস্বান্ত কৰিছে। নদীৰ গৰাখহনীয়া বৃদ্ধি পাইছে। স্থানীয় ঠিকাদাৰ আৰু অভিযন্ত্ৰাসকলে পাৰ্কুপাইন বহুৱাৰ নামত চৰকাৰী ধন আত্মসাৎ কৰিছে। গছ-গছনিৰে ভৰা পাহাৰবোৰ টকলা হৈছে। স্থানীয় প্ৰশাসন নতুবা বনবিভাগে দেখুওৱা অৱহেলাই এইসকল স্থানীয় বাসিন্দাৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে-হঠাৎ প্ৰসেনে তল পেটত তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিলে। তেতিয়াহে তাৰ মনত পৰিল কালিৰ পৰা তাৰপেটত খুদকণ এটাও পৰা নাই। যোৱা ৰাতি কামৰূপৰ এখন ভিতৰুৱা অঞ্চলৰ সি কাম কৰা এন জিওটোলৈ গৈছিল। তাত সি এবিধ মাৰাত্মক ক'লা পোকৰ স্বীকাৰ হৈছিল। গায়ে মূৰে, হাতে ভৰি য়ে লেউলেউকৈ পোক বোৰে মানুহ বোৰক আগুৰি ধৰিছিল। আঁঠুৰাৰ ভিতৰত সৰু ল'ৰা -ছোৱালী বোৰক সুমুৱাই ৰখাৰ ব্যৱস্থা কৰিছে ভুক্তভোগী মানুহবোৰে। সিয়ো বাদ পৰা নাছিল এই পোকৰ আক্ৰমণৰ পৰা। দুজনমানে তাক আঁঠুৰাৰ ভিতৰ সোমাই ভাতসাঁজ খোৱাৰ ব্যৱস্থা কৰি দিব খুজিছিল। কিন্তু সি খোৱা বোৱা নকৰাকৈ তাৰ পৰা উভতিছিল। কিবা এক বিতৃষ্ণা আৰু বিৰক্তিয়ে মনটো ভৰাই তুলিছিল তাৰ। পিছদিনা ৰাতিপুৱাই বিভিন্ন কামৰ হেঁচাই পুনৰ অত-ত'ত যাবলৈ তাক বাধ্য কৰিলে। দিনটো ভালকৈ খোৱা বোৱা কৰাই নহ'ল প্ৰসেনৰ। প্ৰকৃতি বাৰুকৈয়ে বিতুষ্ট হৈছে, প্ৰসেনে ভাবিলে। এই বাৰ বহু বছৰৰ বিৰতিৰ কিছুমান অঞ্চলত বাঁহগছ বোৰ ফুলিছে, ফলত তাৰ পৰা উৎপন্ন হোৱা বিশেষ চাউল বিধ ভক্ষণ কৰিবলৈ হেজাৰ-বিজাৰ পোকৰ আৰ্বিভাৱ ঘটিছে। ইহঁতে বাঁহ ফুল আৰু গুটি খাই বংশ বিস্তাৰ কৰি জনজীৱনত ত্ৰাসৰ সৃষ্টি কৰি ৰাজ্যখন জোকাৰি গৈছে। কৰবাত সি পঢ়া মনত আছে, পোক বিধৰ মুখ মণ্ডলত থকা বেজীৰ লেখিয়া শুৰৰ দ্বাৰা গাখীৰতী অৱস্থাত থকাৰে পৰা বাঁহ গছবোৰত থকা ফুল, বীজ বোৰৰ ৰস শুহি খায়। অৱশেষত গোটেই জোপা বাঁহগছ মৃত্যুমুখত পৰে।

লক্ষ্যস্থান পাবলৈ কিছুদূৰ বাকী আছে। হঠাৎ সন্মুখৰ ৰাস্তাটো বন্ধ দেখি প্ৰসেনে থমকি ৰ'ল। মবাইলৰ টৰ্চলাইটো জ্বলাই নিৰীক্ষণ কৰিলে সি, যোৱা দুদিন ধৰি হোৱা জেকজেকিয়া বৰষুণৰ ফলত পাহাৰ খহি পথচোৰা বন্ধ হৈ পৰিছে। গছ-গছনিবোৰৰ বিনাশে পাহাৰৰ এই দিশে কাটি তহিলং কৰাৰ ফলশ্ৰুতি এয়া। টিমিক-টামাক পোহৰ দেখি আলিমূৰৰ টিনৰ চালিৰ ঘৰটোলৈ প্ৰসেনে আগবাঢ়ি গ'ল। বাঁহৰ আধা জাপখোৱা জাপখনৰ নিচেই কাষলৈ গৈ ভিতৰত খাটিয়া এখনত বহি লেমৰ পোহৰত পুৰণা বহীএখনত কিবা জুপী জুপী পঢ়ি থকা ব্যক্তিগৰাকীক খুৰা বুলি মাত দিলে সি। ভিতৰত থকা পুৰণা কাঠৰ সৰু ৰেক খনত বিস্কুট, বুত ভজা, মৰ্টনৰ আয়নাৰ বৈয়াম কেইটামান সজাই থোৱা আছে। দুটা মান দাইল চাউলৰ আধৰুৱা সৰু সৰু বস্তা এখন তক্তাপোচত তুলি থৈছে। চাহ একাপৰ আশা সি বাদ দিলে। অচিনাকি ডেকাক দেখি কিছু সময়ত ভেবা লাগি চাই থাকিল দোকানীজনে। প্ৰসেনে নিজৰ পৰিচয়টো জনাই বাহিৰত থকা তুলখনত বহি পৰিল। দোকানখনত চাহৰ ব্যৱস্থা নাছিল যদিও, ভিতৰলৈ ভূমুকিয়াই মানুহজনে কাৰোবাক ফিকাচাহ্ এগিলাচ আনিবলৈ ক'লে। আয়নাৰ বৈয়ামত থকা বন দুটাৰে সি ভিতৰৰ পৰা সুদৰ্শন পৰিপাটি যোল্ল-সোতৰ বছৰীয়া কিশোৰ এগৰাকীয়ে আনি দিয়া চাহখিনি খালে। তেতিয়া হে প্ৰসেনে দোকানীজনৰ সৈতে কিছু কথা পাতিলে, তেওঁ লোক অভাৱ গ্ৰস্ত মানুহ বোৰৰ দৈন্য আৰু অঞ্চল টোৰ অসুবিধা সমূহৰ বুজ ল'লে। মাজে সময়ে হাতীৰ জাক আহি বিস্তৰ ক্ষতি কৰে এই অঞ্চলত। দোকানীজনে আক্ষেপেৰে কাৰোবাৰ ওপৰত ক্ষোভ উজাৰিলে। "নাপায় বন-বিৰিখ বোৰ এনেদৰে তহিলং কৰিব নাপায়। ৰাস্তাৰ নামত, জল-জীৱন আঁচনিৰ নামত মানুহৰ মাটি গ'ল, বনাঞ্চল ধ্বংস ৰ ফলত বনৰ জীৱ-জন্তুৰ থাকিবলৈ ঠাই, খাবলৈ খাদ্যৰ সংকট হ'ল। উপায় বিহীন হৈ নৰমনিচৰ মাজলৈ সিহঁতৰ সঘন আহ্ যাহ হ'ল খাদ্যৰ সন্ধানত। আমাৰ ঘৰ দুৱাৰ ভাঙি, মানুহ মাৰি বিস্তৰ ক্ষতি কৰে। । সন্ধ্যাতে দুৱাৰঘৰ মাৰি আমি সোমাই থাকিব লগা হয়। ৰাতি ভয়ত মানুহৰ চকুৰ পটা জাপ নাখায়। চকুৰ সন্মুখতে ভোগৰ দিন উকলিল। আমাৰ ল'ৰা -ছোৱালীয়ে পঢ়া শুনা কৰিব বিচাৰিলেও সুবিধা দিব পৰা নাই। সৌৱা মোৰ পো, হায়াৰচেকেণ্ডাৰি প্ৰথম বিভাগত পাছ কৰিও পঢ়াৰ সুবিধা কৰিব পৰা নাই। টকা পইচাৰ অভাৱ। খেতি বাতি কৰি দুপইচা ঘটা কঠিন হৈ পৰিছে, হাতী, বান্দৰ আদি বনৰীয়া জীৱ -জন্তুৰ উপদ্ৰৱৰ বাবে। তদুপৰি নদীৰ খহনীয়াই মানুহৰ ঘৰ-মাটি উচন কৰিছে। মোৰেই বৰ্তমান লৈ আধা ঘৰ চোতাল ব্ৰহ্মপুত্ৰৰ বুকুত জাহগ'ল। এতিয়া বুকুত কঁপনি, , প্ৰাণটো লৈ কেনেবাকৈ হে জীয়াই আছো বোপাই।" দুই চকু ভৰি পৰিল তেওঁৰ, কথা কেইটা কওঁতে।

প্ৰসেনে ক্ষন্তেক চিন্তা কৰি পকেটৰ পৰা মোবাইল ফোনটো উলিয়াই একালৰ বন্ধু প্ৰাক্তন কটনিয়ান, এতিয়াৰ প্ৰখ্যাত নামী এটা বৃহৎ কোম্পানীৰ মালিক সমৰ ফুকনলৈ ফোন লগালে। বহুকেইজন এনে ভাল পদবীত, ভাল বিভাগত কৰ্মৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী গোট খাই খুব সুন্দৰ এটা পদক্ষেপ গ্ৰহণ কৰিছে তেওঁলোকে। "ৰিজিউম" নামৰ সংগঠন এটা খুলি, অসমৰ চুকে কোনে বাস কৰা মেধাবী দুখীয়া ল'ৰা -ছোৱালীক উচ্চশিক্ষা প্ৰদানৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। প্ৰসেনে লগ পোৱা এই ব্যক্তি গৰাকীৰ পুতেকৰ কথাখিনি বুজাই কোৱাত সমৰে পিছদিনা সেই ঠাইলৈ গৈ ল'ৰা জনক সাক্ষাৎ কৰি বায়'দাতা সমূহ চাই হে সিদ্ধান্ত লব বুলি প্ৰসেনক আশ্বাস দিলে।

খৰখেদাকৈ প্ৰসেনে মানুহজনৰ ওচৰৰ পৰা বিদায় লৈ বন্ধ হৈ পৰা ৰাস্তাটোৰ বিকল্প অইন এটা মাথাউৰিয়েদি থকা পথেৰে পুনৰ তাৰ বাইকত ষ্টাৰ্ট দিলে। নিশা যেতিয়া সি লক্ষ্যস্থান পাইছিল অঞ্চলটোৰ মানুহবোৰে টোপনিত নিতাল মাৰিছিল। তাৰ বাবে অপেক্ষা কৰি থকা অঞ্চলটোৰ গাঁও বুঢ়া আৰু সমাজ সংগঠক গঙ্গাৰাম বৰাই প্ৰসেনক উষ্ম আদৰণি জনাই ৰাজহুৱা নামঘৰটোৰ চৌহদত থকা দুকোঠলীয়া ঘৰটোলৈ আগবঢ়াই নিলে। গাঁৱৰক্ষী বাহিনীৰ সদস্য দুগৰাকীও উপস্থিত হৈ নিচিন্তে প্ৰসেনক জিৰণি লবলৈ কৈ গ'ল তাতে। তেওঁক জিৰণি লবলৈ দি খোৱা বোৱাৰ ব্যৱস্থা কৰি দিলে তেওঁলোকে। পিছদিনা পুনৰ লগ কৰাৰ প্ৰতিশ্ৰুতি লৈ, কামৰ বিষয়ে আলোচনা কৰাৰ সিদ্ধান্ত লৈ বিদায় ললে তেওঁলোকে। প্ৰসেনে বিছনাত বাগৰ দি দেহাটো পোনাই সেইদিনা দিনটোত কৰা কাম বোৰৰ হিচাব কৰিলে আৰু পিছদিনা কি কি কাম কৰিব তাৰে এটা পৰিকল্পনা মনতে জুকিয়ালে।

স্বেচ্ছাসেৱী সংগঠন, সামাজিক সংগঠন, প্ৰকৃতিবিদ, ফটোগ্ৰাফিক ছ'চাইটীয়ে যুটিয়া ভাবে বনাঞ্চল সংৰক্ষণ-সংবৰ্দ্ধনৰ বাবে সক্ৰিয় কাৰ্যপন্থা গ্ৰহণ কৰিছে। প্ৰসেনে কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি আৰু জীৱ-বৈচিত্ৰ্য্য বিজ্ঞানী হোৱা হেতুকে এই কাম বোৰত আগৰণুৱা। তেওঁলোকে বন্যপ্ৰাণী উদ্ধাৰ, পুনঃসংস্থাপন, গছপুলি ৰোপণ আদি বিভিন্ন দিশ সামৰি লৈ কাম কৰি আছে। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ বহুকেইজন অধ্যাপকে হাতী-মানুহৰ সংঘাত বিষয়ক গৱেষণাৰ কাম কৰি নানা তথ্য পাবলৈ সক্ষম হৈছে। বিভিন্ন পাহাৰৰ পাদদেশত কলগছ, তৰাগছ ৰোপণ কৰি হাতীৰ খাদ্যৰ নাটনি ৰোধ কৰাৰ চেষ্টা হাতত লৈছে। পৰিবেশ সচেতনতাৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।

চৰকাৰৰ ব্যয় বহুল অভিলাষী আঁচনি বোৰৰ বাবে জধেমধে বনাঞ্চল ধ্বংস কৰি হস্তী কৰিড'ৰ বোৰ ধবংস কৰিছে, বনাঞ্চলৰ ভূ-ভাগ বিভিন্ন বিদেশীয়ে বেদখল কৰি বন ধ্বংস কৰিছে। এইবোৰ সমস্যাৰ সমাধানৰ বাবে চৰকাৰৰ অনীহা। সেয়ে প্ৰসেন হঁতে বিভিন্ন কাৰ্যসূচী হাতত লৈ প্ৰতিবাদ কৰি বিভিন্ন দাবী পূৰণৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰাৰ কথা চিন্তা কৰিছে। জনগণৰ মাজত সজাগতাসভা পাতি মানুহবোৰক এই ক্ষেত্ৰত সজাগ কৰাৰ প্ৰয়াস কৰিছে।

পিছদিনা দোকমোকালিতে প্ৰসেনে ঠাইটুকুৰাৰ চৌদিশ নিৰীক্ষণ কৰিলে। অঞ্চলটোৰ দুই কাষে বিয়পি থকা পাহাৰবোৰ খান্দোতে খান্দোতে ৰঙা মাটিৰ প্ৰলেপ এটা দূৰৈৰ পৰা লক্ষ্য কৰিলে সি। হুমুনিয়াহ এটা বাগৰি গ'ল তাৰ। বিপৰীত দিশে কিছুদূৰ আগুৱাই গৈ সি এই এলেকাৰ মূল নদীখন দেখিবলৈ পালে। পাহাৰ আৰু নদীৰ যুগলবন্দীয়ে প্ৰাণ ভৰি আকৰ্ষিত কৰিলে তাক। ভৰ দুপৰীয়া ইয়ালৈ তৃষ্ণা দূৰ কৰিবলৈ হাতীৰ জাক আহে পাহাৰৰ পৰা নামি। উৎকত গৰমত সিহঁতৰ জলকেলি চাব লগীয়া হয় হেনো। প্ৰসেনে মন কৰিলে এই নদীখনৰ বালিবোৰ খান্দি খান্দি ভূ-মাফিয়াই নদীখনৰ গতি পথেই সলনি কৰিবৰ উপক্ৰম ঘটাইছে। প্ৰাতঃভ্ৰমণ সামৰি প্ৰসেনে ৰুমলৈ আহি নিত্যকৰ্মখিনি সামৰণি মাৰিলে। গাঁও বুঢ়াই যোগান ধৰা পাতলীয়া আহাৰখিনি খাই, চাহ একাপ খাই ললে। চাৰে দহ বজাত নামঘৰৰ প্ৰাঙ্গনত হব লগীয়া মিটিং খনলৈ দুই এজনকৈ মানুহ গোট খাবলৈ লৈছিল তেতিয়া। ঠিক চাৰে দহবজাৰ আগে পিছে নিমন্ত্ৰিত অতিথি সকলো আহি সভা শুৰনি কৰিলে। আহ্বায়কে সভাৰ উদ্দেশ্য বুজাই কৈ সভা আৰম্ভ কৰিলে। ভালেকেইটা গুৰুত্ব পূৰ্ণ সিদ্ধান্ত সভাত গ্ৰহণ কৰা হ'ল। চৰকাৰক উচিত ৰয়েল্টী আদায় দি নদীৰ বালি, পাহাৰৰ মাটি খনন কৰা কাৰ্য্য চলোৱা বুলি দাবী কৰি মুনাফা লুটা মাফিয়াহঁতৰ বিৰুদ্ধে মহকুমা আৰক্ষী বিষয়াক অভিযোগ দাখিল কৰা, সেই সকলৰ বিৰুদ্ধে সংশ্লিষ্ট বিষয়াক গোচৰ ৰজু কৰা, ওচৰে পাজৰে থকা অবৈধ দুষ্কাৰ্য্য ঘটোৱা ঘাটি সমূহ ধ্বংস কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ গুৰুত্ব পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰিলে। সভাত উপস্থিত থকা বনবিভাগৰ বনকৰ্মী দুজন লগত লৈ দুদিন আগতে বনৰীয়া হাতীৰ উপদ্ৰৱৰ বলি হোৱা মানুহবোৰৰ দুৰ্দশাৰ বুজ লৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বনবিভাগক দায়িত্ব ন্যস্ত কৰিলে।

-"মেঘৰ পাখিত ক'লা ৰঙ চটিয়াই কোনে।" আহিব খোজা মুষলধাৰ বৰষুণ জাকৰ কথা চিন্তা কৰি প্ৰসেনে গুণগুণালে।

দুপৰীয়াৰ ভাত সাঁজ খাই আজৰি হয় মানে বৰষুণ জাকে সাম কাটিলে। উভতিবলৈ সাজু হ'ল প্ৰসেন। ফোনটো তেনেতে বাজি উঠিল। পৰিবেশ সচেতনাৰ দায়িত্বত থকা ইকবালৰ ফোনটো লৰালৰিকৈ ৰিচিভ কৰিলে সি। দুৰ্প্ৰাপ্য মাকাও ভাটৌ আৰু কেকোসাপ দুটাৰে হাতেলোটে ধৰা পৰা চোৰাং চিকাৰীজনক আৰক্ষীক গতাই দিয়াৰ খবৰটো জনালে ইকবালে। ধন্যবাদ সূচক শব্দ এটিৰে প্ৰশংসিত কৰিলে প্ৰসেনে তেওঁক।

প্ৰচণ্ড গ্ৰীষ্মপ্ৰবাহত গোটেই ৰাজ্য দহিছে। তথাপিও অৱহেলা নকৰি সিহঁত আগবাঢ়ে, কাম কৰিবলৈ, দহৰ বাবে, দেশৰ বাবে, মৌনতাৰে।

প্ৰকৃতিবিদ, স্বেচ্ছাসেৱী সংস্থাৰ সদস্য সকল, কৃষক সকলোৰে উপস্থিত হৈছিল পিছৰ সপ্তাহৰ শনিবাৰে গুৱাহাটীত অনুষ্ঠিত হোৱা বৰ্দ্ধিত কাৰ্য্যনিৰ্বাহক সভা খনত। বিভিন্ন মহলে গ্ৰীষ্মপ্ৰবাহ, অনাবৃষ্টি, অতিবৃষ্টি, আবতৰুৱা বানপানী এইসকলোবোৰৰ কাৰণ জৈৱ -বৈচিত্ৰ্য্যৰ প্ৰতি অহা চৰম ভাবুকি বুলি বিবেচনা কৰিছে। আমাৰ ৰাজ্যখনৰ জলাশয়, দ পিতনি, খাল বিল আদি কমি অহাৰ ফলত এতিয়া দুৰ্ভোগ ভূগীব ৰাজ্যবাসীয়ে। চৰকাৰী পৃষ্ঠপোষকতাত প্ৰাকৃতিকভাবে উৎপত্তি হোৱা জলাধাৰ পুতি আন্তঃগাথনি নিৰ্মাণ আৰু উন্নয়ন মূলক কাম কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে বিভিন্ন অঞ্চলৰ জলাধাৰবোৰৰ প্ৰায় বিলুপ্তি ঘটাইছে। জলাশয়ৰ, পিতনি বোৰত পাহাৰৰ ৰঙা মাটি পেলাই জলজ প্ৰাণী, থলুৱা মাছ, কাছ বোৰৰ বাসস্থান ধ্বংস কৰাৰ ফলত জৈৱ-বৈচিত্ৰ্য্যলৈ ভাবুকি আহি পৰিছে। প্ৰাকৃতিক ভাবে উৎপত্তি হোৱা জলাধাৰ বোৰ ৰক্ষা কৰিবলৈ জিলা প্ৰশাসন বোৰৰ ভূমিকা নিস্ক্ৰিয় যেন লাগে। সহজ লভ্য ধনৰ বিনিময়ত আজিৰ চাম মানুহে বিশেষ চিন্তা নকৰি বহিঃৰাজ্যৰ ব্যৱসায়িক হোৱাহোৱে জৈৱ-বৈচিত্ৰ্য্যৰে ভৰপূৰ মাটি সমূহ বিক্ৰী কৰিছে। ফলস্বৰূপে কিছুবছৰৰ ভিতৰত দুষ্প্ৰাপ্য হব থলুৱা প্ৰজাতিৰ মাছ, কাছ, চৰাই-চিৰিকটি, সাপ, ভেকুলীআদি জলজ প্ৰাণীবোৰ। ধনৰ বিনিময়ত এচাম মানুহৰ চৰম অবিবেচক কাণ্ড ই বিপদ মাতিছে ধৰা লৈ। ।

" জনম্ সুখদম্ মৰণম্ কৰুণম্". ৰক্তপিপাসু তেজপিয়াবোৰে যেন বুজিও নুবুজে।

উক্ত বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাখনত প্ৰসেন জিৎ দুৱৰাৰ সাক্ষাৎ হৈছিল আন্তঃৰাষ্ট্ৰীয় Seminer ( চেমিনাৰ) এখনত ভাগলৈ অহা ডঃ সামন্তিকা হালৈৰ সৈতে। বুদ্ধিদীপ্ত চকুযুৰিৰে সপ্ৰতিভ ভদ্ৰ মহিলা গৰাকী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপিকা। তেওঁৰ ব্যক্তিত্বত প্ৰসেনৰ ভক্তি উপজিছিল। অলপতে তেখেতে আমেৰিকাৰ মেৰীলেণ্ড বিশ্ববিদ্যালয়ত তেওঁৰ সেউজ ন্যায়ধিকৰণ আৰু গ'বেল ফৰেষ্ট বিষয়ক গবেষণা পত্ৰখন Present কৰি, পাঠ কৰাৰ সুযোগ পাইছিল। উক্ত সভাখনত সেই তথ্যবোৰ তেখেতে সকলোকে অৱগত কৰাইছিল। ৰাজ্যত প্ৰচণ্ড উত্তাপ বৃদ্ধিপোৱাৰ কাৰক হিচাপে বৃক্ষৰ সেউজ আৱৰণ হ্ৰাস পোৱা ঘটনা উল্লেখযোগ্য বুলি গণ্য কৰা হৈছে। আমাৰ ৰাজ্যত বৃহৎ হাৰত এই বৃক্ষ আৱৰণ ধ্বংস হৈছে। যোৱা 22টা বছৰত সমগ্ৰ ভাৰতবৰ্ষত যিমান পৰিমাণৰ সেউজ আৱৰণ ধ্বংস হৈছে তাৰে ৭৫ক্কই উত্তৰ-পূৱ তথা অসমত হ্ৰাস পাইছে। ১৯৮০ চনত যি অৰণ্য সংৰক্ষণ আইনখন প্ৰৱৰ্তন কৰা হৈছিল, সেয়া উলংঘন কৰি থকাৰ বাবেই আজি মেদেনী ৰ এই দুৰাৱস্থা। বৰ্তমান সময়ত শীতৰ সময় হ্ৰাস পাইছে আৰু ইয়াৰ বিপৰীতে গৰমৰ সময় বৃদ্ধি পাইছে। প্ৰকৃতিয়ে ঋতুৰ অস্বাভাবিক পৰিবৰ্তন ঘটাইছে। তদুপৰি আমাৰ ৰাজ্যৰ বনভূমিৰ পৰিমাণ, কৃষি ভূমিৰ পৰিমাণ উদ্বেগ জনক ভাবে কমি অহাৰ ফলত পৰিবেশ, পৰিস্থিতি অধিক ভয়ানক হবলৈ গৈ আছে। খাদ্য সংকট হোৱাৰো সম্ভাৱনাই দেখা দিছে। বৰ্তমান সময়ত তাপমাত্ৰা অস্বাভাবিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। এই সমস্যাৰ সমাধানৰ বাবে দৃঢ় পদক্ষেপ লবলৈ চৰকাৰ, বেচৰকাৰী বিভিন্ন কল্যাণমূলক সংস্থা সমূহ আগবাঢ়ি অহাটো অত্যন্ত জৰুৰী আৰু কঠোৰ পদক্ষেপৰ যোগেদি বন ধ্বংস যজ্ঞ, বন ধ্বংস কৰাৰ চোৰাং ব্যৱসায় উৎখাত কৰা ইত্যাদি অবৈধ কাৰ্য্য কঠোৰ হাতেৰে দমন কৰিব লাগিব।

পৰিবেশ বিশেষজ্ঞ 'দেৱাঙ্গ বিশ্বাসে ' তেওঁৰ বহুমূলীয়া ভাষণ প্ৰদান কৰে এই সভাত। যোৱা বছৰটোত দূৰ্ভাগ্য বশতঃ বিশ্বৰ দ্বিতীয় সৰ্বাধিক প্ৰদুষিত ৰাজ্য হ'ল আমাৰ ৰাজ্য। ইয়াৰ মুখ্য কাৰণ হৈছে যান-বাহনৰ অত্যধিক ব্যৱহাৰেৰে বায়ুমণ্ডলত ক্ষতিকাৰক গেছ নিৰ্গত কৰা। আমি উশাহত সেৱন কৰা বায়ুৰ মান নিম্নগামী হোৱাৰ ফলত মানুহৰ শ্বাস-প্ৰশ্বাস জনিত, অন্য স্বাস্থ্য জনিত সমস্যাই দেখা দিছে। বায়ুমণ্ডলত হোৱা প্ৰদূষণৰ উপৰিও আমাৰ মাটি, পানী আৰু উদ্ভিদ জগততো যান-বাহনৰ প্ৰদুষণে প্ৰভাৱ পেলাই পৰিবেশৰ অৱক্ষয় ঘটায়। তদুপৰি আৱৰ্জনাৰ নিৰ্বিচাৰ নিষ্কাশন, কল কাৰখানাৰ নিৰ্গত ধোঁৱাই ৰাস্তা-ঘাট, আৱাসিক এলেকা আদি, নদ-নদীৰ ওপৰত ধ্বংসাত্মক প্ৰভাৱ পেলায়। এইবোৰ স্পৰ্শকাতৰ বিষয়ত আমি তাৎক্ষণিকভাবে পদক্ষেপ লোৱা উচিত। জনসাধাৰণক এইবোৰ বিষয়ত অধিক সজাগ কৰাৰ প্ৰয়োজন আছে। অলপতে প্ৰকাশ পোৱা আগশাৰীৰ এখন বাতৰি কাকতৰ তথ্য অনুসৰি আমাৰ ৰাজ্যৰ কোনো কোনো অঞ্চলৰ ভূগৰ্ভৰ পানীৰ স্তৰ তললৈ গৈছে আৰু কোনো কোনো অঞ্চলত ভূগৰ্ভত থকা পানীত যথেষ্ট পৰিমাণে ফ্লৰাইড আৰু আৰ্চেনিক যুক্ত বিষাক্ত পানী পোৱা গৈছে। এইবোৰ খোৱাৰ ফলত মানুহৰ বিভিন্ন ৰোগে দেখা দিব। হাড়ৰ ক্ষয় যোৱা ৰোগ, দাঁত, নখ, চালৰ ৰোগ, কেঞ্চাৰ আদি বিভিন্ন ৰোগৰ প্ৰাৰ্দুভাৱ হোৱাৰ যথেষ্ট আশঙ্কাই দেখা দিয়ে। বিপৰ্যস্ত পৰিবেশ, জলবায়ু পৰিবৰ্তনৰ সংকটে সমগ্ৰ বিশ্ববাসীৰ বাবে প্ৰত্যাহ্বান হিচাপে থিয় দিছে। সাধাৰণ মানুহৰ লগতে বৌদ্ধিক মহলতো তোল পাৰ লগাইছে এই কথা বোৰে। বিশেষ দক্ষতা সম্পন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন, স্বেচ্ছাসেৱী সংগঠন সমূহ, দেশৰ পৰিবেশ বিশেষজ্ঞ, নীতি নিৰ্দ্ধাৰক সকলোৰে সম সাময়িক সংকট বোৰক লৈ চৰ্বিত-চৰ্বণ কৰিয়েই ক্ষান্ত নাথাকি, নিৰাময়ৰ হেতু কঠোৰ ব্যৱস্থাপনা গ্ৰহণ কৰা অত্যন্ত জৰুৰী হৈ পৰিছে। গবেষণাই কৈছে আজিৰ এই পৰিস্থিতি অব্যাহত থাকিলে 2050চনৰ ভিতৰত আমি বায়ু, মাটি পানীৰ চাহিদা পূৰাবলৈ সম্পূৰ্ণ ব্যৰ্থ হ'ম। দেবাঙ্গ বিশ্বাসৰ তথ্য গধূৰ ভাষণ সকলোৰে গভীৰ ভাৱে হৃদয়ঙ্গম কৰিলে। সেয়ে হাতে কামে লগাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈ পিছদিনাৰ পৰাই তেওঁলোকে নিজৰ নিজৰ কামত লাগি গ'ল।

এই যাত্ৰাত নতুন নতুন কেইবাগৰাকী স্বেচ্ছাসেৱীৰ অংশগ্ৰহণে সকলোৰে মনোবল বঢ়ালে। এখন বিশ্ববিদ্যালয়ৰ প্ৰবক্তা, লগতে কৃষ্টি সাধক ড.উপাসনাৰ সক্ৰিয় অংশগ্ৰহণে সকলোকে প্ৰেৰণা যোগালে। সামাজিক বৈষম্য, অস্থিৰতা, নিবনুৱা সমস্যা, জলবায়ু পৰিবৰ্তনৰ অমোঘ পৰিণতিত হব পৰা খৰাং আৰু উষ্ণতা বৃদ্ধিয়ে সৃষ্টি কৰিব পৰা পৰিবেশত উঠি অহা প্ৰজন্ম ই কিদৰে নিৰ্ভীক আৰু অবিচলিতভাবে শক্তিশালী হাতোৰাৰ সন্মুখ সমৰত যুঁজ দি মানৱীয় অনুভূতি সমূহ কলিতে মৰহি নোযোৱাকৈ ৰাখিব পাৰিব, তাৰ বাবে স্মৰণীয় ব্যক্তি সকলৰ অৱদানক অধ্যয়ন কৰি অনুকৰণ কৰিব লাগিব। সেয়ে ড.উপাসনাই বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ জীৱনৰ মাৰ্গ দৰ্শন কৰা প্ৰয়োজন বুলি দোহাৰিলে বাৰে বাৰে। কমিউনিষ্ট ৰাভাই সশস্ত্ৰ পন্থাক এৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সমাজ পৰিবৰ্তন কৰিবলৈ গুৰুত্ব প্ৰদান কৰাৰ দৰে আগবাঢ়ি যোৱা উচিত। পুঁজিবাদসকলে সৰ্বসাধাৰণৰ মনত সুমুৱাই দিয়া মনোভাৱ, যেনে -বিশাল বিশাল জলাশয়ৰ পুতি পেলোৱা, আন্তঃগাঁথনি উন্নয়নৰ নামত শতাধিক গছ-গছনি নিমিষতে কাটিবলৈ লোৱা আদি কাৰ্য্যত, সৰ্বসাধাৰণে সংগঠিত ৰূপত বিৰোধিতা নকৰি মৌন হৈ থকা দেখা যায়। এই গোটেই পৰিবেশৰ মাজত বিষ্ণু ৰাভাৰ দৰে লোক সকলৰ প্ৰাসংগিকতা আহি পৰে। ড.সামন্তিকা হালৈৰ একমাত্ৰ দুহিতা ড.উপাসনাৰ মতামত আছিল সেয়া। তেখেতৰ ব্যক্তিত্বত প্ৰসেন মোহিত হৈছিল। গম নোপোৱাকৈয়ে তাইৰ প্ৰতি অনুকম্পা জাগিছিল। তাইৰ হাতৰ সবল মুঠি জোৰে ধৰি ৰাখিম যেন লাগে তাৰ। উপাসনাৰ প্ৰত্যয় ভৰা চাৱনিত দুৰ্বল হৈ পৰে কেতিয়াবা জীৱ-প্ৰযুক্তি বিষয়ক বিজ্ঞানী প্ৰসেন জিৎ দুৱৰা। তাৰ মনৰ কোনোবা খিনিত খাল খান্দি খোপনি পুতিব খুজিছিল উপাসনাৰ মজবুত ভৰসাই। তথাপিও তেওঁ নিজৰ দুৰ্বলতা ঢাকি ৰাখি, সময়ৰ হাতত সকলো এৰি দি তেখেতৰ লগত সহমত প্ৰকাশ কৰি নিজৰ গতিপথেদি লক্ষ্যত আগুৱাই যাবলৈ মনস্থ কৰিলে প্ৰসেনে। উপাসনাৰ মনৰ খৱৰ ঢুকি পোৱা নাই সি।

ৰাতি-দিন এক কৰি কামত লাগিল প্ৰসেন আৰু সমাজ সেৱক কৰ্মকৰ্তা সকল। মানুহৰ দুষ্কাৰ্য্য সমূহ সময়ৰ লগে লগে অৱসান ঘটাবলৈ কঠোৰ হবলৈ সঙ্কল্প বদ্ধ হ'ল সকলো।

তদুপৰি প্ৰসেনে "এগ্ৰ' ফুড্ছ ইণ্টাৰনেচনেল লিমিটেড " কাৰখানাটোৰ অবৈধ দুষ্কাৰ্য্য বোৰ বন্ধ কৰাৰ বাবে দৃঢ় সঙ্কল্প হ'ল। বিহিত ব্যৱস্থা লবলৈ -আৰক্ষী আয়ুক্ত, ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ, অপৰাধ, শ্ৰম বিভাগৰ অতিৰিক্ত আৰক্ষী আয়ুক্ত, উপ জিলা বিষয়াৰ দল, তথ্য জনা অধিকাৰ আয়োগৰ যৌথ প্ৰচেষ্টাৰ সহায়ত এই অবৈধ দুষ্কাৰ্য্যৰ অৱসান ঘটাবলৈ প্ৰসেনজিৎ দুৱৰাই আবেদন দাখিল কৰিবলৈ সঙ্কল্প ল'লে।

ঠিকনা ঃ জালুকবাৰী, গুৱাহাটী -১৪

# মৰিচিকা

নৱনীতা বৰুৱা দত্ত

"অই তই লেচেৰি বুটলিবিনে? নে থৰ লাগি মূৰ্ত্তিৰ দৰে আকাশলৈ চাই ৰৈ থাকিবি? "

জুমীৰ মাতত তাই চক্ খাই উঠিল। মমী, মাইনা আৰু জুমি লেচেৰী বুটলিবলৈ গৈছিল। মাইনা আৰু জুমিয়ে নৰা ফালি ফালি ধানৰ সৰা থোকবোৰ বিচাৰি ফুৰিছে। কিন্তু মনীয়ে...

তাই আকাশৰ ফালে চাই আপোন পাহৰা হৈ ৰৈ আছে। ইমান ধুনীয়া আকাশখন, কপাহৰ দৰে বগা বগা ডাৱৰবোৰৰ মাজে মাজে নীলা ৰংটোৰে আকাশখনক কেনে মনোমোহা কৰি তুলিছে? সঁচাকৈ কোনেনো গঢ়িছে এই আকাশখন.... যেনিয়ে চাওঁ তেনিয়ে ডাৱৰবোৰৰ কি যে ভিন্ন ৰূপ ভাৰিলে এনে লাগে সিহঁতে যেন মুখা-মুখিকৈ কথা পাতি আছে। আকৌ কোনোবা ফালে চালে এনে লাগে সিহঁতে যেন আমাৰ দৰে খেলাবস্তুলৈ খেলিহে আছে। আকাশৰ নীলা ৰঙটো যেন সিহঁতৰ ঘৰৰ চাল, তাৰে তলত বহি সিহঁতে নিজৰ মতে সকলো কৰি আছে। আমিও তালৈ যাব পৰা হ'লে, আকাশখনৰ সেই নীলা ৰঙটো আৰু ওচৰৰ পৰা পোৱা হ'লে...

আচলতে আঘোন মাহৰ ফৰকাল বতৰৰ আকাশখনে তাইক আপুত কৰি তাইৰ কণমানি মনটোক আন এখন জগতলৈ লৈ গৈছে আকাশখনলৈ চালে তাইৰ সকলো দুখ, বেদনা, ভোক, পিয়াহ পাহৰি যায়। বাঃ আকাশ তোমাৰ বিশালতাৰ সীমা নাই।

লগৰীয়া জুমিৰ মাততহে আকৌ নিজৰ ঠাইলৈ উভতি আহি লেচেৰি বুটলিবলৈ লাগিল। তাইৰ মনটোক এইবাৰ আন এটা কথাই আমনি কৰিলে। এইবাৰ তাই সৰহকৈ লেচেৰি গোটাবই লাগিব। নহ'লে মাঘৰ বিহুত ক'ত পইচা পাব? মনে বিচৰা বস্তু কিনিবলৈ?

তাইৰ বৰ বেয়া লাগে, যেতিয়া লগৰ মাইনা, জুমি আৰু আনকেইজনীয়ে নতুন চোলা, চেন্দল, চুলিতমৰা ৰবৰ, কিলিপ আদি ভিন্ন ডিজাইন বস্তুবোৰ দেখুৱাই। তায়ো যদি তেনে এজোৰ কাপোৰ, চেন্দেল পিন্ধিবলৈ পালাহেঁতেন। আনন্দত এটা খোলা হাঁহি মাৰিব পাৰিলেহেঁতেন। এনেইও তেনে এটা হাঁহি মাৰিব পৰাকৈ গাত দেখোন জোৰ অকনেই নাই। এৰা কি..যে কথাবোৰ ভাবো নহয়। যাৰ পেট ভৰাই খাবলৈ ভাত এমুঠি নাই, তাৰ আকৌ নতুন কাপোৰ..."

সময়বোৰ কেনেকৈ যে পাৰ হ'ল তাই গমকেই নাপালে। বেলি লহিয়ালে জুমি আৰু মাইনাই ক'লে, "ব'ল ব'ল ঘৰলৈ যাওঁ, আন্ধাৰ হ'ব ঘৰ পাওঁতে। ", "অ ব'ল ব'ল। " তিনিও জনীয়ে খোজ ল'লে ঘৰলৈ বুলি।

অ'ই কিমান পালি চাওঁ? জুমীয়ে মোনাটো মেলি মাইনা আৰু মনীক দেখুৱালে। বাঃ তই দেখোন বহুত পালি। মোৰ এইকেইটাহে। "অ' হব'ইতো কিয় নহ'ব? তোৰ দৰে মই আকাশ চাই থকা নাই নহয়। লেচেৰী বুটলিছোঁ। " মণিয়ে একো নামাতিলে। কিন্তু তাই জানে সিহঁতে অকল বোতলাই নহয় আনৰ পথাৰৰ পকা ধানৰ থোকবোৰ কাটি কাটি মোনাত ভৰাই আনে। সেই কাম নকৰিবলৈ মণিয়ে কেইবাদিনো বাধা দিছিল। তাই বুজাইছিল, "অ'ই এনেকোৱা নকৰিবি নাপায়। ইমান কষ্ট কৰি গৃহস্থই খেতি কৰিছে আৰু তহঁতে ছিঙিছ, চাচোন ইমান ধুনীয়া ধানৰথোকবোৰ, কিমান মৰমলগা। পকাধানৰ থোকবোৰ দেখিলে হাততলৈ মৰম কৰি থাকিমযেন লাগে। একেলগে এইগোটেই ধানৰ থোকবোৰে পথাৰখন কেনে শুৱনি কৰি তুলিছে এই সোণালী ৰংটোৰে বুকুত কিবা খুন্দাহে মাৰে জান। তহঁতে কেনেকৈ ছিঙিছ অ'"

"থ থ টোৰ কবিতা কবিতালগা কথাবোৰে লেচেৰি গোটাই নিদিয়ে। "ব্যংগ কৰি উৰাই দিয়ে। এইবোৰ বাদ দে এতিয়া গীত এটা গা ঘৰলৈ যাওঁ। জুমীয়ে লগাই দিলে .....

পকা ধানৰ মাজে মাজে

সৰু সৰু আলি অ' সৰু সৰু আলি......

গীতটি চিঞৰি চিঞৰি গাই গাই তিনিজনী ঘৰ পালেহি।

ঘৰ সোমাই দেখে মাক অহাই নাই। তাইৰ মনটো বৰ বেয়া লাগে। তাই মাকৰ এজনীয়ে ছোৱালী, মাকৰ মুখখন দেখিলেহে তাইৰ শান্তি লাগে। পিছে সেইয়াও নাই। মাকে পথাৰত ঠিকা ধান দাবলৈ গৈছে। দুৰণি পথাৰ অহা সেইবাবে পলম হৈছে।

এৰা তাইৰ অসুখ হোৱাৰ বাবে মাক-দেউতাকে গাওঁ ঘৰীয়াৰ পৰা বহু পইচা ধাৰে আনিছিল, বিনিময়ত ধান দাই দিবলগা হৈছে। গতিকে যাবই লাগিব। তাইৰ মনটো দুখেৰে ভৰি পৰিল তেওঁলোকে তাইৰ বাবে ইমান কষ্ট কৰিছে.....

ভাৱি ভাৱি মণিয়ে ধানকেইটা সযতনে সামৰি থ'বলৈ যো জা কৰিলে। হঠাৎ তাই ধানকেইটালৈ চাই থৰ লাগিল। তেনেদৰে চাই থাকোঁতেই মাক-দেউতাক দুয়োজনেই ওলালহি। দেউতকে মাত লগালে, "মাজনি কি চাইচা? স্কুলৰ পৰা কেতিয়া আহিলা? "

মূৰ তুলি চাই তেওঁলোকৰ মুখকেইখন দেখি তাইৰ মন প্ৰফুল্ল হ'ল। "মা, দেউতা আহিলা, মই বস্তু এটা চাই আছোঁ। ", "কি অ' মাজনি? ", এই বুলি দেউতাকে তাইৰ হাতখন কাষলৈ টানি আনিলৈ হাতত থকা ধানকেইটা চালে। তাই সুধিলে, "কোৱাচোন দেউতা ইমান ধুনীয়া এই ধানকেইটাৰ কি নাম বাৰু? আধা ৰঙা আধা বগা...", "অ' এইটো জেঙনি", "আৰু এইটো? ইমান ডাঙৰ....", "এই বিধ হাতীশালী বৰ। ", "আৰু এইটো ইমান অকণমানি? ", "এইবিধ কনী জহা। " "উস্ এতিয়া ধানৰ নামেই সুধি থাকিবানে ধানকেইটা সামৰি থ'বা। সাজ লাগিল ধুই-পখালি চাকি- বন্তি জ্বলাই কিতাপ পঢ়িবৰ হ'ল। " মাকৰ মৰমৰ আদেশত ভৰি হাত পঁখালিবলৈ গ'ল।

পিছদিনাও একেদৰে স্কুলৰ পৰা আহি মাকে যতনাই থোৱা ভাতকেইটা খাই তাই পুনৰ লগৰীয়াৰ লগত লেচেৰি বুটলিবলৈ গ'ল। আজি মাকহঁত আন এখন পথাৰত ধান দাবলৈ গৈছে। সেইফাললৈকে সিহঁতেও গ'ল মনীয়ে ভাবিলে কালি যে মায়ে কৈছিল, " আইজং ধানবোৰ বোলে বেছি জহি গৈছে। " সেইবাবে আজি সিহঁতে তালৈকে আহিল। কাৰণ তাত সৰা থোকবোৰ বেছিকৈ পাব।

মনীয়ে দেখিলে এইবিধ ধান দেখোন আৰু ধুনীয়া। ইমান লাহী দীঘল অকণমান জোংটোও বেছি। ভালেই হ'ল আৰু এবিধ ধান চিনি পালে। পিছে এইকেইটাহে চিনি পোৱা নাই। দেউতাক সুধিব লাগিব। এইবুলি থোক কেইটামান পাই ভৰাই থ'লে তেনেতে কাৰোবাৰ মাত শুনি ঘূৰি চালে। "ঐ ছোৱালীহঁত ৰবাবটেঙা খাব যদি আহ। " ৰবাবটেঙাৰ কথাশুনি ৰ'ব নোৱাৰিলে। দৌৰিগৈ নিমিষতে মাকহঁতে দাইথকা ধানদৰা পালেগৈ। দেখিলে আঘোনীখুৰীয়ে আগলিকলপাতত টেঙাবোৰ ফুটিয়াই আছে, কাষতে নিমখ, কেঁচা জলকীয়া যতনাই থৈছে। দেখিয়েই খাওঁ খাওঁ লাগিছে। খুৰীয়েকে ক'লে,

"আহ্ আহ্ বহ। নৰা কেইগোছামান ভৰিৰে মহতিয়াই দাঠ কৰি ল' "

লৰালৰিকৈ সিহঁতৰ বাবে আগতীয়াকৈ টেঙাখিনি সানি পিতিকি ভগাই দিলে। "আজি তহঁতে বহু দূৰলৈ যাব নালাগে। ইয়াতে কি পাৱ বুটলি ল'। ", "হ'ব মা। জুমীয়ে ক'লে। "

মণিয়ে কিন্তু টেঙাৰ সোৱাদৰ লগতে ধানৰ নামৰ কথাও চিন্তা কৰি আছে। এই কেইবিধ বা কি ধান? নামটো জনা হ'লে। দেউতাকে সুধিলে, "মাজনীয়ে কি চিন্তা কৰি আছা অ'? ", "হা... দেউতা এইবিধ বাৰু কি ধান? চোৱাচোন বগা গোটা গোটা। ", "অ' এইবিধ মালভোগ ধান আক' ", "আৰু এইকেইটা? ", "দৰিয়া" তেনেদৰে তাই বুতলা ধানৰ নাম সুধি থাকোঁতে মাইনা আৰু জুমীয়ে ক'লে, "বৰদেউতা এইযে কি নহয়...কিনো অদৰকাৰী কথাবোৰ সুধি থাকে। ", "নহয় অ' আইজনীহঁত তোমালোকে এইবোৰ জানিবলগীয়া কথা। মই আৰু কিছুমান ধানৰ নাম কওঁ শুনা-"বৰা, চকোৱা, মাইগোম, শ'লপোনা, কুটকি, বেটগুটি, শিয়ালশালি, হাতীশালি, মিকিৰশালি, মনোহৰশালি আদিকৰি বহু ধানৰ নাম আছে। "

সিহঁতে ধানৰ নাম শুনি শুনি মুখকেইখন মেলখুৱাই চাই ৰ'ল। "ইমান ধানৰ নাম আছেনে? " "আছেতো আৰু বহুত আছে। " মনত পৰিলে কেতিয়াবা আৰু ধানৰ নাম ক'ম বাৰু"

মণি আপুত হ'ল আজি বহু ধানৰ নাম জানিলে, পিছে আটাইবোৰ মনতহে ন'ৰলে। বেলি মাৰ গ'ল আটায়ে ঘৰা ঘৰি যাবলৈ লৰালৰি কৰিলে। আঘোনী খুৰীয়ে ক'লে, "ৰ'ব নবৌ গুৱা এখন সুমুৱাই লওঁ। "

এইবুলি কঁকালৰ হাঁচতিৰ পৰা তামোল-পাণ উলিয়াই ভগাই খাই ঘৰলৈ বুলি বাট ল'লে।

বাটত যাওঁতে তেওঁলোকৰ কাৰ কিমান ধান ঠিকাত দাবলৈ আছে আলোচনা কৰি গৈ থাকিল। মনীয়ে সকলোকথা শুনি গৈ আছে মৌন হৈ। তাই জানে কি পৰিস্থিতিত পৰি আনৰ ঠিকাধান দাবলৈ যাব লগা হৈছে। ব্যস কম হ'লেও দৰিদ্ৰতাই মণিৰ মনটো অভিজ্ঞতাই পূৰঠ কৰি তুলিছে। অভাৱে বহু কথা শিকাই মানুহক সেইবাবে আনদুজনীতকৈ তাই অলপ পৃথক। তাই ভাবিলে মই এইবাৰ সৰহকৈ লেচেৰি গোটাবই লাগিব।

তেনেদৰে আঘোনৰ মাহ প্ৰায় শেষ হ'ল। খেতিয়কেও খেতি চপাই অন্ত কৰিলে মণিৰো ধান অলপ সৰহকৈয়ে গোট খালে। দেউতাকক ক'লে, "দেউতা এইখিনি কিমান হ'ব বাৰু? ", "২০ ৩০ কেজি মান হ'ব। ", "কিমান পইচা পাম? ", "পাবা আঢ়ৈ শ তিনিশ মান টকা। ", "তাতকৈ বেছি নাপাওঁ নহয়? " তাইৰ চকুযোৰ সেমেকি উঠিল। "মই আকৌ এক হাজাৰ মান পাম বুলিহে। ", "মাজনি সিমান টকা পাবলৈ এক কুইণ্টল মান ধান লাগিব। ", "কেই কেজিয়ে এক কুইণ্টল হ'বনো? ", "এশ কেজিয়ে। " দেউতাকৰ খুব ভাল লাগে যেতিয়া মণিৰ অনুসন্ধিৎসু মনটোৰে প্ৰতিটো বিষয়ৰ ওপৰত খৰচি মাৰি জানিবলৈ চেষ্টা কৰে, সেয়েহে তাইক ভালকৈ বুজাই দিয়ে। "বাৰু এতিয়া থোঁৱা, কালিলৈ দোকানত দি তোমাক কি লাগে আনি দিম। ", "হ'ব দিয়া দেউতা। "

পিছদিনা পুৱাই দেউতাকে লেচেৰী ধান বিক্ৰী কৰি বাৰ কুৰি (১২) দহ (১০) টকা পালে। আৰু মনীক কলে, "এইয়া লোৱা তোমাৰ পইচা। "কিমান? ", " বাৰ কুৰি দহ টকা মানে দুশ পঞ্চাশ (২৫০) টকা ", "এক কুৰিত ২০টকা নহয়নে দেউতা? ", "অ' হয় হয় কেনেকৈ জানিলে মোৰ মাজনীয়ে? ", "স্কুলত ছাৰে শিকাইছিল নহয়...", "এতিয়া তোমাক কি লাগিব কোৱাচোন বাৰু? ", "ওঁ...কৈছোঁ ৰ'বা, প্ৰথমে মালৈ ব্লাউজ এটা, তোমালৈ বনিয়ন চোলা এটা, মোলৈ পামচু এযোৰ, ফুট ফুটিয়া বগা চোলা এটা। ", "বাঃ ইমানবোৰ বস্তু নাপায় নহয় এইকেইটা পইচাত। বস্তুৰ বহুত দাম মাজনি" মণিৰ চকুযোৰি চলচলীয়া হৈ পৰিল। তাইকযেন কিবা এটা অবুজ বেদনাই বুকুত হেঁচা মাৰি ধৰিছে...কিবা ক'ম বুলিও একো ক'ব পৰা নাই। তাইৰ মনটো বুজি পাই দেউতাকৰো বেয়া লাগিল। কিন্তু মাক-দেউতাকৰ প্ৰতি থকা মৰম দেখি মনে মনে গৌৰৱবোধ কৰিলে। "মাজনী তুমি আমাৰ কথা চিন্তা কৰিব নালাগে। তোমালৈকে বাৰু কি লাগে আনি দিম" দেউতাকে ক'লে। "কিন্তু, তোমাৰ বনিয়ন আৰু মাৰ ব্লাউজটো ফাটিছে, মাৰ আন এটা নতুন ব্লাউজ নাই দেখোন।

তাই থোকা থোকাথুকি মাতেৰে ক'লে। " তাইৰ কথাখিনি মাকে পাকঘৰৰ পৰা শুনি আছিল। তাইৰ মাক-দেউতাকৰ প্ৰতি থকা মৰম আৰু দায়িত্বৰ কথা শুনি মাক ৰৈ থাকিব নোৱাৰিলে। তেওঁ ওলাই আহি মনীক গালে মুখে চুমা খাই সাৱটি ধৰিলে আৰু ক'লে, "মাজনী হ'ব তুমি এতিয়াই আমাৰ কথা ভাবিব নালাগে। তুমিয়ে আমাৰ ধন-ধান, সাজ-পোছাক সকলো। তুমি পঢ়ি-শুনি ডাঙৰ মানুহ হোৱা সেইয়াই আমাৰ বাবে প্ৰধান সম্পত্তি। মাথোঁ বাট এৰি অবাটে নাযাবা মাজনী। "

এইবুলি মৰমতে হুকহুকাই কান্দি দিলে। দেউতাকে পৰিস্থিতি সাম কাটিবলৈ ক'লে, "হ'ল আৰু .....ভাত উতলি মাৰখিনি গোটেই বাগৰি পৰিল।

মাকে কোবাকোবিকৈ আহি দেখে ক'তা একোৱেই হোৱা নাই। কিন্তু মাকে বুজি পালে। দেউতাকে এনেকৈয়ে দুখৰ মুহূৰ্তবোৰ সুখৰ কৰি তোলে।

পিছবেলা দেউতাকে বজাৰৰ পৰা এটা ধুনীয়া চোলা কিনি আনিদিলে কিন্তু বৰ দামী নহয়। তথাপি মণিৰ মনত বৰ ৰং লাগিল। তাই লেচেৰী বুটলি পোৱা ধান বিক্ৰী কৰি নিজে উপাৰ্জন কৰা ধনেৰে এটা নতুন চোলা পিন্ধিবলৈ পালে। চোলাটো পিন্ধি মাইনা, জুমিহঁতক দেখুৱাবলৈ দৌৰ মাৰি ওলাই গ'ল।

ঠিকনা ঃ দৈগ্ৰোং, গোলাঘাট

## অবিভক্ত নগাঁও জিলাত

পৰিল নগাঁও চহৰৰ আন এটা অভিজাত চিনেমা গৃহ 'কৃষ্ণা'। জানিব পৰা মতে চলিত বৰ্ষৰ মে' মাহৰ পৰাই বন্ধ হৈ আছে চিনেমা গৃহ কৃষ্ণা। অচিৰেই কৃষ্ণা চিনেমা গৃহ ভাঙি পেলোৱাৰ সম্ভাৱনা আছে। কৃষ্ণা চিনেমা গৃহটো অতি দুৰ্ভাগ্য জনক ভাৱে বন্ধ হৈ পৰাত সাংস্কৃতিপ্ৰেমী ৰাইজ শোকাহত হৈ পৰিছে। নগাঁৱৰ মহাত্মা গান্ধী পথত আশীৰ দশকতে নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী, চলচ্চিত্ৰ প্ৰযোজক, সাংস্কৃতিক কৰ্মী কাশী প্ৰসাদ বিহানীয়ে নিৰ্মাণ কৰাইছিল কৃষ্ণা চিনেমাগৃহটো। আটকধুনীয়া চিনেমা গৃহটোত ইখনৰ পাছত সিখনকৈ চুপাৰহিট অসমীয়া আৰু হিন্দী ছবিৰ প্ৰদৰ্শন কৰা হৈছিল। কাশী প্ৰসাদ বিহানীৰ বিয়োগৰ পাছত তেওঁৰ কনিষ্ঠ পুত্ৰ স্বত্বাধিকাৰী হৈছিল। তেঁৰো কেইটামান বছৰ ভালকৈয়ে চলাইছিল যদিও চৰকাৰৰ ভুল সাংস্কৃতিক নীতি, ৰাজ্যিক চলচ্চিত্ৰ উন্নয়ন নিগমৰ চৰম বৈষম্য, অতিমাৰী কৰ'নাৰ বিভীষিকা, দীঘলীয়া তলাবন্ধৰ, কৰ'নাজনিত কঠোৰ স্বাস্থ্য বিধি আদিৰ পৰিপ্ৰেক্ষিতত জুৰুলা হৈ পৰে আৰু ভীষণ লোকচানৰ সন্মুখীন হয়। পাছলৈ যিকোনো চিনেমাই তিনি দিনৰো অধিক নচলাত তেওঁ চিনেমাগৃহটো চলাব নোৱাৰা হৈ পৰে। আনহাতে চলিত বৰ্ষত চিনেমা গৃহটোৰ স্বত্বাধিকাৰীজন অসুস্থ হৈ পৰাত যোৱা ন মে'ৰ পৰা চিনেমা গৃহটো বন্ধ কৰি দিয়া হয়। দুৰ্ভাগ্য জনক ভাৱে তেওঁৰ মৃত্যু হয়। এক সূত্ৰৰ পৰা জানিব পৰা মতে, বিহানী পৰিয়ালে ইতিমধ্যে নগাঁৱৰ সাংস্কৃতিক ঐতিহ্যস্বৰূপ কৃষ্ণা চিনেমা গৃহটো ভূমি সহ বহু কোটি টকাত এক ধৰ্মীয় অনুষ্ঠানক বিক্ৰী কৰিছে। কৃষ্ণা চিনেমা গৃহটো নগাঁৱৰ ধৰ্মীয় অনুষ্ঠানটোক বহু কোটি টকাত বিক্ৰী কৰাৰ কথা এতিয়া ৰাইজৰ মুখে মুখে বাগৰিছে। অচিৰেই হাতুৰীৰ কোৱ পৰি অস্তিত্ব নাইকিয়া হৈ পৰিব নগাঁৱৰ সাংস্কৃতিক ঐতিহ্য বহন কৰা কৃষ্ণা চিনেমা গৃহৰ। সেই স্থানত গঢ়ি উঠিব এক ধৰ্মীয় অনুষ্ঠান। মধ্য অসমৰ অগণন সংস্কৃতিপ্ৰেমী ৰাইজৰ বহু স্মৃতি জড়িত হৈ থকা নগাঁও চহৰৰ অদিতি আৰু জয়শ্ৰী চিনেমা গৃহ দুটা চৰকাৰৰ ভুল সাংস্কৃতিক নীতি, ৰাজ্যিক চলচ্চিত্ৰ উন্নয়ন নিগমৰ চৰম বৈষম্য, অতিমাৰী কৰ'নাৰ বিভীষিকা, দীঘলীয়া তলাবন্ধৰ, আনলক, কৰ'নাজনিত কঠোৰ স্বাস্থ্য বিধি আদিৰ পৰিপ্ৰেক্ষিতত জুৰুলা হৈ বন্ধ হৈ পৰিছিল। এই চিনেমা গৃহ দুটাত হোৱা লোকচানৰ বাবেই অনিচ্ছাকৃত ভাৱেও চিনেমাগৃহটোৰ স্বত্বাধিকাৰীয়ে ইয়াক বন্ধ কৰি দিবলৈ বাধ্য হয়। ইমানেই নহয় ঐতিহ্য মণ্ডিত অদিতি চিনেমাগৃহটো হোজাই জিলাৰ এজন ব্যৱসায়িক বিক্ৰী কৰা হয়। ইয়াৰ পাছতেই এই চিনেমাগৃহটো ভাঙি পেলোৱা হয়। ষাঠিৰ দশকতে নগাঁও চহৰৰ মাজমজিয়াৰ ইটাচালিত ৩৭নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষতেই অসমীয়া ব্যৱসায়ী নন্দেশ্বৰ বৰাই নিৰ্মাণ কৰাইছিল অতি আটকধুনীয়া 'অদিতি' চিনেমাগৃহৰ। ১৯৭৯ চনত শ্ৰুতিমধুৰ সংগীতৰে ভৰা 'পেহলী' নামৰ হিন্দী ছবিখনেৰে চিনেমা গৃহটো মুকলি কৰা হৈছিল অতি আড়ম্বৰপূৰ্ণ ভাৱে। আটকধুনীয়া চিত্ৰগৃহ, প্ৰকাণ্ড পৰ্দা, সুন্দৰ ছাউণ্ড চিষ্টেম, সুন্দৰ আলোকসজ্জা, আৰামদায়ক আসন সমৃদ্ধ চিনেমাটোত চিনেমা চোৱাটো এসময়ত এক গৌৰৱৰ বিষয় আছিল। ১৯৮০চনৰ ২২ফেব্ৰুৱাৰীত মুক্তি লাভ কৰা চুপাৰ হিট অসমীয়া ছবি "আজলী নবৌ"নগাঁও চহৰৰ অদিতি চিনেমা হলত সগৌৰৱে আঠ সপ্তাহ চলিছিল। এই চিনেমাখন চাবলৈকে মধ্য অসমৰ বিভিন্ন জিলাৰ বিভিন্ন অঞ্চলৰ পৰা ৰাইজ বাছ ভাড়া কৰি আহিছিল। অসংখ্য হাউছফুল চিনেমাৰ মাজৰে 'ককা দেউতা নাতি আৰু হাতী', 'এক দুজেকে লিয়ে' আৰু 'কোৰবাণী' প্ৰদৰ্শনৰ সময়ত চিনেমা হলটোত হোৱা দৰ্শকৰ অভুতপূৰ্ব ভিৰৰ কথা এতিয়াও মনত ৰাখিছে নগাঁৱৰ ৰাইজে। স্মৰ্তব্য যে, আশীৰ দশকত বিখ্যাত গজল গায়ক পংকজ উধাচে এই হলটোতে এক অনুষ্ঠান পৰিৱেশন কৰি গৈছিল। এসময়ত অদিতি চিনেমা গৃহৰ টিকট কাউণ্টাৰৰ সন্মুখত হোৱা প্ৰচণ্ড ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ চি আৰ পি এফ বাহিনীও নিয়োগ কৰিব লগীয়া হৈছিল। হলটোত চিনেমাৰ চাৰিটাকৈ দৰ্শনীৰ ব্যৱস্থা আছিল। মৰ্ণিং শ্ব', মেটিনি শ্ব', ফাষ্ট শ্ব'আৰু চেকেণ্ড শ্ব'। প্ৰতিটো দৰ্শনীৰ অন্তত চিনেমাগৃহটোৰ সন্মুখত ৩৭নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত ব্যাপক যানজঁটৰ সৃষ্টি হৈছিল। উল্লেখ্য যে, চৰকাৰৰ চৰম অৱহেলাৰ বাবেই অসমীয়া চলচ্চিত্ৰ জগতৰ বাটকটীয়া স্বৰূপ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি বিজড়িত নগাঁও চহৰৰ মাজমজিয়াৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা জয়শ্ৰী চিনেমা হলত ২০১৯ বৰ্ষতে পৰিছিল হাতুৰী কোৱ। হাতুৰীৰ কোৱত চুৰ্ণ-বিচুৰ্ণ হৈ পৰিল ঐতিহ্যমণ্ডিত চিনেমা গৃহটো। ১৯৩৮ত এই চিনেমা গৃহটো নিৰ্মাণ কৰিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। সেই সময়ত নগাঁৱৰ এজন ব্যৱসায়ীৰ পৰা লীজত লৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ঐতিহ্য বহনকাৰী এই চিনেমা হলটো তেওঁৰ বৰ জীয়ৰী জয়শ্ৰী নামেৰে নামকৰণ কৰিছিল। এই চিনেমা হলটোতে ১৯৩৯ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয় কথাছবি ইন্দ্ৰমালতী প্ৰদৰ্শন কৰা হৈছিল। পৰৱৰ্তী সময়ত হলটো চোৱা চিতা কৰিছিল জ্যোতিপ্ৰসাদৰ ভাতৃ হৃদয়ানন্দ আগৰৱালাই। বহু কেইখন উচ্চ মানবিশিষ্ট অসমীয়া চিনেমা এই হলটোত প্ৰদৰ্শিত হৈছিল। কেইবছৰমান আগলৈকে চলি থকা এই চিনেমা গৃহটো বিভিন্ন কাৰণত বন্ধ হৈ পৰিছিল। পিছলৈ চিনেমা হলটো আৰু ভূমিৰ মালিকিস্বত্ব লাভ কৰে নগাঁৱৰ কোটিপতি ব্যৱসায়ী ধনপ্ৰদ ঘেৰাৱতে। তেতিয়াই ব্যৱসায়ীজনে চিনেমা হলটো বন্ধ কৰি দিয়াৰ লগতে হলটো ভাঙি সেই স্থানত ব্যৱসায়িক প্ৰতিষ্ঠান নিৰ্মাণ কৰে। এতিয়া জয়শ্ৰী চিনেমাগৃহৰ কোনো অস্তিত্বই বিচাৰি পাবলৈ নাই। তাৰ ঠাইত গঢ় লৈ উঠিল ব্যৱসায়িক প্ৰতিষ্ঠান। আনহাতে, চহৰ খনৰ আন এটা চিনেমাগৃহ এলফিনষ্টোন বিক্ৰী হোৱাত সেই স্থানত গঢ়ি তোলা হয় এক প্ৰকাণ্ড বিবাহ ভৱন। উল্লেখ্য যে, এতিয়া নগাঁও চহৰত থকা একমাত্ৰ চিনেমাগৃহটো হৈছে 'দিব্যজ্যোতি'। এই চিনেমাগৃহটোৰ মালিক আছিল প্ৰখ্যাত চলচ্চিত্ৰ প্ৰযোজক প্ৰয়াত মুহিৰাম শইকীয়া আৰু তেওঁৰ পুত্ৰ ধৰ্মকান্ত শইকীয়া। অৱশ্যে নগাঁৱৰ বাইপাছত ৰিফেছক'ত 'অপেৰা' নামৰ চিনেমা হলটোয়ে চিনেমাপ্ৰেমী ৰাইজক কিছু সকাহ দিয়া পৰিলক্ষিত হৈছে। কিন্তু সীমিত সংখ্যক আসনৰ বাবে এই চিনেমা হলটোয়ে বিশেষ চাহিদা পূৰণ কৰিবলৈ সক্ষম হোৱা নাই। যাৰ ফলত সাম্প্ৰতিক সময়ত 'দিব্যজ্যোতি' আৰু "অপেৰা"ই চিনেমাপ্ৰেমীক সময়তে চিনেমা চাবলৈ সুযোগ দিব পৰা নাই। আনকি বৰ্তমান চলি থকা "ভাইমনদা" ছবিখনৰ টিকটৰ অভাৱত নগাঁৱৰ বহু চিনেমা প্ৰেমী ৰাইজে চাও বুলিও চাবলৈ যাব পৰা নাই। ইপিনে, চৰকাৰী সহযোগিতাৰ অভাৱতে জিলা খনৰ কামপুৰত এটা চিনেমা গৃহৰ লগতে ধিং নগৰ আৰু কদমনিত এটাকৈ মিনি চিনেমাহল বন্ধ হৈ পৰে। এতিয়া ধিং চিনেমা হলৰ ঠাইত গঢ়ি উঠিল ব্যৱসায়িক প্ৰতিষ্ঠান। আনহাতে, হোজাই জিলাৰ হোজাইত তিনিটা, ডবকাত দুটা, লংকাত এটা আৰু লামডিঙত এটা চিনেমা গৃহ আছিল। এসময়ত সেই চিনেমা গৃহ সমূহতো চিনেমা চাবলৈ অহা দৰ্শকে ঠাহ খাই পৰিছিল। কিন্তু এতিয়া সেই কথা ইতিহাস হ'ল। কাহানিবাই বন্ধ হৈ পৰিল হোজাই জিলাৰ আটাই কেইটা চিনেমা গৃহ। ইপিনে, প্ৰতিৱেশী জিলা মৰিগাঁৱৰ মৰিগাঁও চহৰত এটা, জাগীৰোড নগৰত এটা আৰু মৈৰাবাৰী বজাৰত এটা চিনেমা গৃহ আছিল। পৰিতাপৰ বিষয়য যে জিলা খনৰো আটাই কেইটা চিনেমা গৃহই কাহানিবাই বন্ধ হৈ পৰে। অৱশ্যে ৰয়েল চিনে নামৰ সীমিত সংখ্যক আসনৰ চিনেমা গৃহটোৱে এতিয়া মৰিগাঁওবাসী চলচ্চিত্ৰপ্ৰেমীৰ একমাত্ৰ আশা।

## আহমেদাবাদৰ দুৰ্ঘটনাগ্ৰস্ত

আৰু সুৰক্ষা সংস্থাসমূহে দুৰ্ঘটনাস্থলীত উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। চিনাক্ত হোৱা মৃতদেহসমূহ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে বুলি আমাৰ জানিব পৰা গৈছে। এতিয়ালৈকে ৭টাৰো অধিক মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হৈছে আৰু ২০০তকৈও অধিক ডি এন এ নমুনা সংগ্ৰহ সম্পন্ন হৈছে। ইপিনে, দুৰ্ঘটনাত আহতসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা তেজৰ চাহিদা পূৰণ কৰিবলৈ বহুসংখ্যক লোকে স্বেচ্ছাই ৰক্তদান কৰিবলৈ আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈছে। ভাৰতীয় সেনাবাহিনীয়ে আহমেদাবাদত থকা সেনাবাহিনীৰ ছাউনীত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাত দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাটোত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ লগতে আন কেইবাগৰাকীও ব্যক্তিৰ মৃত্যু হয়।

## বিমান দুৰ্ঘটনাস্থলী পৰিদৰ্শন

ৰামমোহন নাইডু, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে কয়, যে এই দুৰ্ভাগ্যজনক ঘটনাক লৈ সমগ্ৰ ৰাষ্ট্ৰ শোকাভিভূত হৈ পৰিছে। দেশৰ প্ৰতিগৰাকী নাগৰিক এই দুৰ্ঘটনাত আপোনজনক হেৰুওৱা পৰিয়ালবৰ্গৰ সৈতে আছে বুলি তেওঁ মন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীয়ে দুৰ্ঘটনাৰ ফলত আহত ভালে কেইগৰাকী লোক চিকিৎসাধীন হৈ থকা আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ ট্ৰমা চেণ্টাৰ পৰিদৰ্শন কৰি চিকিৎসা ব্যৱস্থাৰ বুজ লয়। তেওঁ লগতে জৰুৰীকালীন পৰিচৰ্যাৰ তদাৰক কৰি থকা চিকিৎসক আৰু বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে।

## বাগৰুম্বা নৃত্যক বিশ্ব

ভাগত গুৱাহাটীত বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে অসম চৰকাৰে।এই উদ্দেশ্যে বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে ।এই উদ্দেশ্যে শুকুৰবাৰে লোকসেৱা ভৱনৰ সভাকক্ষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত বড়ো জনগোষ্ঠীৰ কেইবাটাও প্ৰতিনিধি দলৰ সৈতে ৰাজ্য চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয় ।অনুষ্ঠিত বৈঠকত বড়ো সাহিত্য সভা, সদৌ বড়ো ছাত্ৰ সন্থাকে ধৰি কেইবাটাও জাতীয় সংগঠনৰ প্ৰতিনিধিসকলে বাগৰুম্বা নৃত্য পৰিৱেশন অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰাৰ দিশত পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত বিশেষজ্ঞ সমিতি, মাষ্টাৰ প্ৰশিক্ষক, নৃত্য দল বাছনি, সমষ্টি ভিত্তিক কৰ্মশালা আৰু গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত অনুশীলনকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয় ।প্ৰকাশ কৰা এক বিবৃতিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, বিহু আৰু ঝুমইৰ নৃত্য সফলতাৰে সম্পাদন কৰাৰ পিছত ৰাজ্য চৰকাৰে সাংস্কৃতিক দিশত অতিশয় চহকী বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুষ্ঠান যাতে ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে আৰম্ভণিৰ পৰা সেই দিশত দৃষ্টি ৰাখিবলৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগক তেওঁ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত বড়ো জাতীয় সংগঠনৰ সৈতে সু-সমন্বয়েৰে পদক্ষেপ গ্ৰহণ কৰিবলৈও তেওঁ নিদেৰ্শনা প্ৰদান কৰে। তেওঁ লগতে কয় যে, ১০ ৰ পৰা ১১ হাজাৰ শিল্পীৰ দ্বাৰা পৰিৱেশিত হ'বলগীয়া এই নৃত্য প্ৰদৰ্শনৰ বাবে ৰাজ্যখনৰ সকলো জিলাৰ পৰা প্ৰতিনিধি থাকিব। প্ৰথমে সমষ্টিভিত্তিত, জিলাভিত্তিত আৰু চূড়ান্ত অনুশীলন গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত কৰা হ'ব। এই ক্ষেত্ৰত জিলা আয়ুক্তসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া শিল্পীসকলক প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে এই দিশত বড়ো সংগঠনসমূহক জিলা আয়ুক্তসকলক সহায় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অতি কম দিনৰ ভিতৰতে ২৫ জনীয়া বিশেষজ্ঞ সমিতিখন গঠনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আগতীয়াকৈ পৰিকল্পনা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ আগবঢ়ায়। আজিৰ এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ উপৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, বিটিআৰৰ প্ৰধান সচিব আকাশ দীপ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল দাস, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, সম্পাদক নীলকান্ত গয়াৰী প্ৰমুখ্যে বড়ো জাতীয় সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে। এই বৈঠকত বিটিআৰৰ অন্তৰ্গত জিলা কেইখনৰ জিলা আয়ুক্তসকল ভিডিঅ' কনফাৰেন্সিঙৰ মাধ্যমেৰে অংশগ্ৰহণ কৰে।

## ধুবুৰীক অশান্ত কৰিবলৈ

হৈ কৰা প্ৰতিবাদে তীব্ৰ ৰূপ ধাৰণ কৰে। উত্তেজিত ৰাইজে ঘটনাস্থলীৰ ওচৰত থকা ৰাজপথ বাঁহেৰে বন্ধ কৰি দিয়ে। আনহাতে, প্ৰতিবাদকাৰীৰ মাজত সৃষ্টি হয় উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ। ফলত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ আৰু উত্তেজিত জনতাক নিয়ন্ত্ৰণৰ বাবে আৰক্ষী বিভাগৰ উচ্চ পদস্থ বিষয়া, ধুবুৰীৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হয় ।ইফালে আৰক্ষীয়ে সন্দেহজনক গো-মাংস সদৃশ বস্তুখিনি সংগ্ৰহ কৰি তদন্তৰ বাবে লৈ যাব খোজোঁতে ক্ষুব্ধ ৰাইজে বাধা প্ৰদান কৰে। তেওঁলোকে দাবী কৰে যে দোষীক চিহ্নিত কৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব লাগিব আৰু যিমান দিনলৈ তদন্ত সম্পূৰ্ণ নহয় সিমান দিন পৰ্যন্ত বস্তুখিনি তাৰ পৰা আঁতৰাব নালাগে ।ঘটনাস্থলীত ৰাইজে টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দোষীক কৰায়ত্ত কৰাৰ দাবীত সোচ্চাৰ হয়। অৱশ্যে আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ব্যাপকভাৱে নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে, স্থানীয় ৰাইজে এই ঘটনাক উদ্দেশ্যপ্ৰণোদিত আৰু ধৰ্মীয় উত্তেজনা সৃষ্টিৰ চেষ্টা বুলি উল্লেখ কৰি ইয়াৰ এক নিৰপেক্ষ তদন্তৰো দাবী জনায়। সমগ্ৰ ঘটনাৰ প্ৰতি চোকা দৃষ্টি ৰখাৰ উপৰি চি আৰ পি এফৰ সহযোগত ধুবুৰী চহৰখনত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ ব্যৱস্থা কৰে জিলা আয়ুক্তই ।এই ঘটনাৰ পিছতেই ধুবুৰীৰ শেহতীয়া পৰিস্থিতিৰ বুজ ল'বলৈ শুকুৰবাৰে ধুবুৰীত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ধুবুৰীত উপস্থিত হৈ মুখ্যমন্ত্ৰী শৰ্মাই আইন প্ৰয়োগকাৰী বিষয়াসকলক মন্দিৰ, নামঘৰ আৰু পবিত্ৰ স্থানক অপবিত্ৰ কৰা উপাদানসমূহৰ বিৰুদ্ধে "শূন্য সহনশীল" হ'বলৈ কাঢ়া নিৰ্দেশ দি তেওঁ কয় যে, এই ঘটনাসমূৰ সৈতে জড়িত কাকো ৰেহাই দিয়া নহ'ব। ধুবুৰীক অশান্ত কৰিবলৈ বিচৰা অপশক্তিৰ বিৰুদ্ধে ৰাতি শ্বুট এণ্ড ছাইট কঠোৰ নিৰ্দেশনা ঘোষণা কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। নিষিদ্ধ মাংস উদ্ধাৰক লৈ উত্তেজনাৰ পিছত এই নিৰ্দেশ মুখ্যমন্ত্ৰী গৰাকীৰ। সন্ধিয়া ৬ বজাৰ পিছত কোনোবাই যদি শিলগুটি নিক্ষেপ কৰে, কাকো আক্ৰমণ কৰে। কোনোবাই যদি যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰাৰ চেষ্টা কৰে তেনে ব্যক্তিক গুলী কৰাৰ নিৰ্দেশ দিয়ে আৰক্ষীক। ধুবুৰীত গো-মাংস ব্যৱসায়ৰ এটা নতুন চক্ৰ গঢ় লৈ উঠাৰ কথাও কয় মুখ্যমন্ত্ৰী গৰাকীয়ে। চক্ৰটোৰ বিষয়ে তদন্ত অব্যাহত আছে অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰা হ'ব বুলিও উল্লেখ কৰে ।লগতে কয়, কোনো কাৰণতেই ধুবুৰীক আমি আমাৰ হাতৰ বাহিৰত যাবলৈ নিদিও। ধুবুৰীত যিমান অপৰাধী ব্যক্তি আছে সকলোকে গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ । Non bailable warrant থকা ব্যক্তি সকলকো গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ আৰক্ষীক দিয়া হৈছে বুলি উল্লেখ কৰে। ধুবুৰীত ৰেপিড একশ্যন ফৌজ আৰু চি আৰ পি এফ দিয়া হ'ব বুলিও জানিবলৈ দিয়াৰ লগতে, জিলাখনৰ পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী গৰাকীয়ে উদ্বিগ্ন হৈ কয় যে "অহাবাৰ বকৰী ঈদত মই ধুবুৰীত থাকিম"। লাগিলে অহাবাৰ মই গোটেই ৰাতি হনুমান মন্দিৰত বহি থাকিম। সাধাৰণ হিন্দু মানুহো ভাল, সাধাৰণ মুছলমান মানুহো ভাল । এটা -দুটা চক্ৰই গোটেই পৰিৱেশটো বেয়া কৰি আছে। এইটো আমাৰ চৰকাৰৰ দিনত ইয়াক মানি লোৱা নহ'ব। লগতে ধুবুৰীবাসীক আশ্বাস প্ৰদান কৰি কয় যে কোনেও ভয়-শংকাত থাকিব নালাগে। আমি অসম চৰকাৰ আপোনালোকৰ সৈতে প্ৰতি মুহূৰ্ততে আছোঁ বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে সদৰি কৰে।

## বেদখলকাৰীৰ কবলত

মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে স্থাপন কৰা এটা চিৰ জ্যোতিষ্মান অনুষ্ঠান সত্ৰ। অসমৰ সত্ৰসমূহ হৈছে ধৰ্মীয় অনুষ্ঠানৰ উপৰি সামাজিক আৰু সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ। য'ত বৰগীত, সত্ৰীয়া নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দশাৱতাৰ নৃত্য আদি চৰ্চাৰ লগতে পুৰণি পুথি-পাঁজি আৰু বুৰঞ্জীমূলক সমলৰ ভঁৰাল আছে। সত্ৰসমূহ কেৱল মঠ নহয়, বৰং ঐতিহ্যবাহী শিল্পকলাৰ কেন্দ্ৰ। কিন্তু সম্প্ৰতি আমাৰ স্বাভিমান এই সত্ৰসমূহে অতি বৃহৎ সংকটৰ সন্মুখীন হৈছে।" বৰপেটা জিলাত একেটা জিলাতে ৭, ১৩৭ বিঘা সত্ৰ ভূমি দখল কৰা হৈছে। আন মূল দখলকৃত জিলাসমূহ: বজালী, নগাঁও, গোৱালপাৰা, লখিমপুৰ, ডিব্ৰুগড়, কামৰূপ, বঙাইগাঁও, মাজুলী, আৰু ধুবুৰী। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে সত্ৰ ভূমি উদ্ধাৰ আৰু সংৰক্ষণৰ বাবে কাম কৰি আছে। এই সত্ৰসমূহ শ্ৰীমন্ত শংকৰদেৱৰ সময়ৰ পৰা অসমৰ সংস্কৃতিৰ স্তম্ভস্বৰূপ। ইতিমধ্যে চৰকাৰে সত্ৰ ভূমিৰ যাচাই-পৰীক্ষা আৰু উপগ্ৰহ মেপিং কৰি অবৈধ দখল চিনাক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ধৰ্মীয় আৰু সাংস্কৃতিক সংগঠনসমূহৰ পৰা সত্ৰ ভূমি হ্ৰাস পোৱাৰ বাবে চিন্তা বৃদ্ধি পাইছে।

## নাজিৰাৰ বাসগৃহলৈ অনা

আহমেদাবাদৰ পৰা দিল্লীলৈ লৈ যোৱা হয় শিৱালী কাশ্যপৰ মৃতদেহ। বিয়লি ডিব্ৰুগড় বিমানবন্দৰত আহি পোৱাৰ পিছতেই শিৱালীৰ মৃতদেহ লৈ অনা নাজিৰাস্থিত স্ব-গৃহলৈ। আহমেদাবাদৰ পৰা শিৱালীৰ মৃতদেহ স্ব-গৃহলৈ অনাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছে পৰিয়ালটোৱে। মুখ্যমন্ত্ৰীৰ সহযোগিতা নোহোৱা হ'লে যুৱতী গৰাকীৰ মৃতদেহ নাজিৰাৰ স্ব-গৃহলৈ অনাটো অসম্ভৱ হ'ল হেঁতেন বুলি মন্তব্য কৰিছে পৰিয়ালৰ সদস্যই । যোৱা মঙ্গলবাৰে নিশা ৰহস্যজনক অৱস্থাত মৃত্যু হৈছিল শিৱালী কাশ্যপৰ। জানিব পৰা মতে মঙ্গলবাৰে নিশা চাদৰ পৰা পৰি মৃত্যু হোৱা খবৰ পৰিয়ালৰ লোকক জনাইছিল শিৱালী কাশ্যপৰ প্ৰেমিক সৌৰভ পুৰোহিতে। ইফালে পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি শিৱালীৰ প্ৰেমিক সৌৰভ পুৰোহিতেই এই ঘটনা সংঘটিত কৰিলে। পৰিয়ালৰ অভিযোগ অনুসৰি প্ৰেমিক সৌৰভ পুৰোহিতে দীৰ্ঘদিন ধৰি শাৰীৰিক আৰু মানসিকভাৱে ভাৱে শিৱালী কাশ্যপক অত্যাচাৰ চলাই আহিছিল। সংবাদ মাধ্যমৰ যোগেদি শিৱালী কাশ্যপৰ পৰিয়ালৰ লোকে অসমৰ মুখ্যমন্ত্ৰীক ইয়াৰ ওপৰত তদন্ত কৰি দোষীক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোৰ কোনো এজন সদস্যক এটা কৰ্মসংস্থাপন ব্যৱস্থা কৰি দিবৰ বাবে অনুৰোধ কৰিছে। ইফালে প্ৰেমিক সৌৰভ পুৰোহিতক ইতিমধ্যেই আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## ধুবুৰীত নিয়োগ কৰা

উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী জিলা ভ্ৰমণ কৰে। ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং, অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীকে ধৰি ৰাজ্য প্ৰশাসনৰ অন্যান্য উচ্চপদস্থ বিষয়াসকলৰ সৈতে ধুবুৰীৰ আৱৰ্ত ভৱনত এক উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। উল্লেখ্য যে, কিছুদিন পূৰ্বে ধুবুৰী চহৰৰ ৩ নং ৱাৰ্ডৰ বালুৰ চৰস্থিত হনুমান মন্দিৰৰ চৌহদত নিষিদ্ধ মাংস উদ্ধাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত চহৰখনত এক অশান্তিকৰ পৰিস্থিতিয়ে বিৰাজ কৰিছিল। ঘটনাৰ লগে লগে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে উক্ত স্থানলৈ গৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও অদ্যাপি সমগ্ৰ চহৰখনতে এক উত্তেজনাময় পৰিস্থিতিয়ে বিৰাজ কৰি আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধুবুৰীৰ আইন-শৃংখলা পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে জিলাখনত উপস্থিত হৈ উক্ত মন্দিৰৰ চৌহদ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে হনুমান মন্দিৰ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহ পৰিদৰ্শন কৰি মন্দিৰ সমিতিৰ সদস্যসকলৰ লগতে স্থানীয় বাসিন্দাসকলৰ সৈতেও ঘটনা সন্দৰ্ভত মত বিনিময় কৰে। এই সময়তে তেওঁ মন্দিৰ চৌহদত নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ কথা উল্লেখ কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে মন্দিৰৰ উন্নয়নৰ বাবে চৰকাৰী সাহায্য প্ৰদানৰো আশ্বাস দিয়ে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই জিলাখনৰ সাম্প্ৰতিক আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত ধুবুৰী জিলাৰ আৱৰ্ত ভৱনত অনুষ্ঠিত হোৱা এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। আৰক্ষী সঞ্চালক, অতিৰিক্ত মুখ্য সচিব (গৃহ), জিলা উপায়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে অনুষ্ঠিত হোৱা এই বৈঠকত জিলাখনত যাতে কোনো দুষ্কৃতিকাৰিয়ে অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰি উত্তেজনা বৃদ্ধি কৰিব নোৱাৰে সেই সন্দৰ্ভত কঠোৰ পদক্ষেপ ল'বলৈ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক তেওঁ নিৰ্দেশ প্ৰদান কৰে। বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলাখনত আইন শৃংখলা পৰিস্থিতি বজাই ৰখাৰ বাবে প্ৰশাসনে এই পৰ্যন্ত গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়। লগতে জিলাখনত শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰাই অনাতো তেওঁ গুৰুত্ব প্ৰদান কৰে। তেওঁ লগতে স্পৰ্শকাতৰ অঞ্চলত নিৰাপত্তা বাহিনী মোতায়েন অব্যাহত ৰাখিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। জিলাখনত অশান্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰা অশুভ শক্তিসমূহৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও তেওঁ আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ লগতে জিলাখনত অশান্তি সৃষ্টি কৰা লোকসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু কোনো ব্যক্তি বা গোটকে সামাজিক বিশৃংখলতা আৰু অশান্তিময় পৰিৱেশ সৃষ্টি কৰিবলৈ দিয়া নহ'ব বুলি দৃঢ়তাৰে কয়। এই বৈঠকৰ পাছতে মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে জিলা প্ৰশাসনক অতিৰিক্ত নিৰাপত্তাৰক্ষীৰ লগতে ৰেপিড একচন ফ'ৰ্চ (আৰ এ এফ) কো নিয়োগ কৰাৰ নিৰ্দেশ দিয়ে। আনহাতে মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ সন্দৰ্ভত নাগৰিকসকলৰ সৈতে আন এক বৈঠকত মিলিত হৈ জিলাখনত আইন শৃংখলাজনিত পৰিৱেশ অক্ষুণ্ণ ৰখাৰ বাবে সাধাৰণ ৰাইজৰ সহযোগিতা বিচাৰে। আজিৰ এই ভ্ৰমণৰ সময়ত আৰক্ষী মহাপৰিদৰ্শক (আইন-শৃংখলা) অখিলেশ সিং, জিলা আয়ুক্ত দিবাকৰ নাথ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক নবীন সিং প্ৰমুখ্যে শীৰ্ষ বিষয়া আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

## বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ

নিৰ্বাচিত ঘোষণা কৰা হৈছে। কাৰণ কোনো বিৰোধী প্ৰাৰ্থী নাই বুলি বিষয়াসকলে জানিবলৈ দিয়ে। ১৯ জুনত ৰাজ্যসভাৰ আসন দুখনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যসভাৰ আসন জয় কৰি সংসদ সদস্য হিচাপে অভিষেক কৰা হব কনদ পুৰকায়স্থৰ। তেওঁ বিজেপিৰ প্ৰবীণ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। কনদ পুৰকায়স্থ এতিয়া বিজেপিৰ ৰাজ্যিক একক সম্পাদক। অগপৰ প্ৰবীণ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই তৃতীয়বাৰৰ বাবে সংসদৰ উচ্চ সদনৰ সদস্য হোৱাৰ লগতে লোকসভাতো কাৰ্যনিৰ্বাহ কৰি আহিছে। ১৪ জুনত বৈশ্য আৰু বিজেপিৰ ৰঞ্জন দাসৰ কাৰ্যকাল সমাপ্ত হোৱাৰ লগে লগে অসমৰ দুখন ৰাজ্যসভাৰ আসনৰ নিৰ্বাচন জৰুৰী হৈ পৰিছিল। ৰাজ্যসভাত অসমৰ ৭খন আসন আছে, য'ত চাৰিখন আসন বিজেপিৰ, আৰু এখনকৈ আসন মিত্ৰ দল অগপ আৰু ইউপিপিএলৰ। এটা আসনক প্ৰতিনিধিত্ব কৰে এজন নিৰ্দলীয় সাংসদে।

## আদানী গ্ৰুপক ভূমি

অব্যাহত আছে। উল্লেখ্য যে অসম চৰকাৰ আৰু বি টি চি পৰিষদীয় চৰকাৰে তাপ বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বাশবাৰীত আদানী গ্ৰুপক তিনি হাজাৰ বিঘা ভূমি প্ৰদান কৰিছিল। কোকৰাঝাৰ জিলা প্ৰশাসনে উক্ত ভূমিৰ সীমা নিৰ্ধাৰণৰ কৰিবলৈ আৰম্ভ কৰা কাৰ্যত স্থানীয় ৰাইজে বাধা প্ৰদান কৰি আজি তিনি দিন প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। আজি তৃতীয় দিনাও নিজৰ জীৱন, জীৱিকা আৰু সম্পত্তি হেৰুৱাৰ শংকাত প্ৰচণ্ড গৰমকো নেওচি প্ৰতিবাদস্থলীত উপস্থিত শ শ প্ৰতিবাদকাৰী। আদানী গ্ৰুপত মাটি দিয়াৰ বিৰুদ্ধে অটল প্ৰতিবাদকাৰীসকলে গৰমৰ পৰা ৰক্ষা পাবলৈ চেনি, নিমখ, নেমু টেঙা আৰু হাতে হাতে বিচনী লৈ সমবেত প্ৰতিবাদস্থলীত। ইয়াৰ মাজতে প্ৰতিবাদকাৰীৰ কাষত আহি থিয় দিয়ে কিষাণ সভাৰ অসম ৰাজ্যিক সমিতিৰ এটা প্ৰতিনিধি দলে। ভূমিপুত্ৰ সকলৰ প্ৰতিবাদক সমৰ্থন জনাই দুখীয়াৰ মাটি বনিক গোষ্ঠীক দিয়াৰ তীব্ৰ বিৰোধিতা কৰি কিযাণ সভাৰ নেতৃত্বই কয় যে মহিলাই কিমান ক্ষোভিত হলে হাতত ঝাড়ু লয় আৰু ৰাইজে শৰীৰত পেট্ৰল ঢালি নিজকে জ্বলাই দিব বিচাৰে সেই কথা চৰকাৰে বুজা উচিত। ইপিনে কোকৰাঝাৰৰ সাংসদে জয়ন্ত বসুমতাৰীয়ে প্ৰতিবাদকাৰীসকলক উদ্দেশ্যি কৰা অপমান সূচক মন্তব্যৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰে প্ৰতিবাদকাৰীয়ে। মুঠৰ ওপৰত প্ৰতিবাদকাৰীৰ এটাই কথা চৰকাৰৰ উক্ত সিদ্ধান্ত বাতিল নকৰালৈকে প্ৰতিবাদ চলাই যাব, জীৱন দিব, তথাপি মাটি নিদিয়ে।

## উৎকট গৰম ! ধেমাজিত

যোৱাৰ পিছতেই তেওঁ জ্বৰত আক্ৰান্ত হয় আৰু স্বাস্থ্যৰ অৱস্থা অতি জটিল হৈ পৰে। পৰিয়ালৰ লোকে তেওঁক জ্বৰৰ ঔষধ খোৱাই যদিও তেওঁৰ স্বাস্থ্যৰ অৱস্থাৰ কোনো পৰিবৰ্তন নহয়। ফলত বৃহস্পতিবাৰে পুৱা ততাতৈয়াকৈ ধেমাজি অসামৰিক চিকিৎসালয়ত ছাত্ৰজনক ভৰ্তি কৰোৱা হয়। কিন্তু তাতো তেওঁৰ অৱস্থা অধিক জটিল হোৱাত চিকিৎসকৰ পৰামৰ্শ অনুসৰি ততাতৈয়াকৈ ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে ডিব্ৰুগড়লৈ যোৱাৰ পথতে বগীবিল দলঙৰ সমীপত ছাত্ৰজনৰ মৃত্যু হয়। জানিব পৰা মতে ধেমাজি গোহাঁই গাঁৱৰ মোমায়েকৰ ঘৰত থাকি থাকি পঢ়াশুনা কৰা অভিজ্ঞানৰ নিজৰ ঘৰ আছিল শিৱসাগৰ জিলাত। পুত্ৰৰ এই মৰ্মান্তিক খবৰ পোৱাৰ পিছতেই পিতৃ বীৰেন ফুকন আৰু মাতৃ পৰিণীতা কোঁৱৰ ফুকনৰ সৈতে পৰিয়ালবৰ্গ শোকত ভাগি পৰিছে। অভিজ্ঞানৰ মৃত্যুত ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শোঁকৰ ছাঁ পৰিছে।

## অভিশপ্ত বিমান দুৰ্ঘটনাস্থলীত

ফলত হোৱা ক্ষতিক কোনো শব্দৰে বৰ্ণনা কৰিব নোৱাৰি বুলি উল্লেখ কৰি তেওঁ শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে চৰকাৰে এই লোকসকলৰ বেথা অনুভৱ কৰাৰ লগতে তেওঁলোকৰ এই শূন্যতা যে বহু বছৰলৈ অনুভূত হৈ থাকিব, সেই কথাও উপলব্ধি কৰে। প্ৰধানমন্ত্ৰীয়ে বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো আজি স্থানীয় এখন চিকিৎসালয়ত সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাটো সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰি দুৰ্ঘটনাৰ পৰৱৰ্তী পৰ্যায়ত অক্লান্তভাৱে কামত ব্যস্ত হৈ থকা লোকসকলকো সাক্ষাৎ কৰে। কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰীয়ে পাছত আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। ইফালে প্ৰধানমন্ত্ৰীয়ে দুৰ্ঘটনাক "শব্দৰে বৰ্ণনা কৰিব নোৱাৰা হৃদয়বিদাৰক ঘটনা" বুলি উল্লেখ কৰি মৃতকৰ পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। তেওঁ ক্ষতিগ্ৰস্তসকলক সহায় কৰিবলৈ চৰকাৰী সংস্থাসমূহক নিৰ্দেশনা দিছে।

## ডিটেনচন কেম্পত থকাসকলৰ

হৰ্ষ মাণ্ডেৰ জড়িত থকা বুলি অভিযোগ কৰিছিল মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সেই মন্তব্যৰ সন্দৰ্ভত ছ'চিয়েল মিডিয়াত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰাক্তন IAS বিষয়া তথা মানৱ অধিকাৰ কৰ্মী হৰ্ষ মাণ্ডেৰে। ডিটেনচন চেণ্টাৰত থকাসকলৰ হৈ মাত মতাটো যদি অপৰাধ, তেতিয়াহ'লে হিমন্ত বিশ্ব শৰ্মাই মোক গ্ৰেপ্তাৰ কৰক বুলি দাবী কৰিলে হৰ্ষ মাণ্ডেৰে। X হেণ্ডেলত মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই এই বিশেষ পোষ্ট কৰিছে মানৱ অধিকাৰ কৰ্মী হৰ্ষ মাণ্ডেৰে। একালত হৰ্ষ মাণ্ডেৰ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ ৰাষ্ট্ৰীয় উপদেষ্টা কমিটিৰ সদস্য আছিল বুলি সংবাদমেলত দাবী কৰিছিল মুখ্যমন্ত্ৰীয়ে। 'মোৰ দিনত যদি হৰ্ষ মাণ্ডেৰ আহিলহেতেন তেন্তে মইটো জে'লত দিলো হেতেন বুলি মন্তব্য কৰিছিল মুখ্যমন্ত্ৰীয়ে। যদি মই মুখ্যমন্ত্ৰী থাকোঁতে NRC হ'লহেঁতেন, মই আইনৰ মাধ্যমেৰে তেতিয়াই খালাচ কৰি দিলোহেঁতেন বুলি দাবী কৰিছিল হিমন্ত বিশ্ব শৰ্মাই।

## ইজৰাইলৰ আক্ৰমণত মৃত্যু

আৰম্ভ কৰিছে, দুয়োখন দেশৰ মাজত যুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। দুয়োপক্ষৰ পৰা ধাৰাবাহিকভাৱে আক্ৰমণ-প্ৰত্যাক্ৰমণ চলি আছে। ইজৰাইলৰ আক্ৰমণত মৃত্যু হৈছে ইৰাণৰ ৰিভল্যুচনেৰী গাৰ্ডৰ মুৰব্বী হুছেইন চালামীৰ। এই আক্ৰমণত বহু জ্যেষ্ঠ সামৰিক বিষয়াক লক্ষ্য কৰি লোৱা হৈছিল। ইৰাণৰ ওপৰত হোৱা এই আক্ৰমণৰ নাম ইজৰাইলে 'অপাৰেচন ৰাইজিং লায়ন' বুলি অভিহিত কৰিছে। ইৰাণৰ আক্ৰমণৰ পিছত ইজৰাইলে সম্ভাব্য ড্ৰ'ন আৰু মিছাইল আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। এই আক্ৰমণৰ পিছত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে দাবী কৰিছে যে পাৰমাণৱিক বোমা নিৰ্মাণত নিয়োজিত বিজ্ঞানীসকলৰো কেইবাজনৰো মৃত্যু হৈছে। এই আক্ৰমণ এনে এটা সময়ত সংঘটিত হৈছে যেতিয়া তেহৰাণৰ দ্ৰুতগতিত বৃদ্ধি পোৱা পাৰমাণৱিক কাৰ্যসূচীক লৈ দুয়োখন দেশৰ মাজত উত্তেজনাই নতুন মাত্ৰাত উপনীত হৈছে। আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাৰ ব'ৰ্ড অৱ গভৰ্ণৰে বৃহস্পতিবাৰে ২০ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে ইৰানক গৰিহণা দিয়ে কাৰণ তেওঁলোকে নিজৰ পৰিদৰ্শকৰ লগত কাম কৰা নাই। ইৰাণে তৎক্ষণাত ঘোষণা কৰে যে তেওঁলোকে দেশখনত তৃতীয়টো সমৃদ্ধি স্থান স্থাপন কৰিব আৰু কিছুমান চেণ্ট্ৰিফিউজৰ ঠাইত অধিক উন্নত চেণ্ট্ৰিফিউজ ব্যৱহাৰ কৰিব। ইফালে ইৰাণ মিলিটাৰীয়ে নিজৰ অফিচিয়েল একাউণ্টৰ পৰা কয় যে 'মনত ৰাখিব আমি যুদ্ধ আৰম্ভ কৰা নাছিলো'। ইৰাকৰ আকাশমাৰ্গ ব্যৱহাৰ কৰি ইজৰাইলে ইৰাণৰ পাৰমাণৱিক ঘাটি ধ্বংস কৰা বুলি কোৱা হৈছে। ইজৰাইলৰ এই আক্ৰমণত ইৰাণৰ চীফ অফ জেনেৰেল ষ্টাফ মেজৰ জেনেৰেল মহম্মদ বাঘেৰী, আই আৰ জি চিৰ কমাণ্ডাৰ ইন চিফ হোছেইন চালামী, আই আৰ জি চিৰ মহাকাশ বাহিনীৰ অধিনায়ক তথা ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীৰ মুৰব্বী আমিৰ আলী হাজিজাদে, মহম্মদ ইছলামী আৰু অৰ্গেনাইজেচন অৱ ডিফেন্সিভ ইনোভেচন এণ্ড ৰিচাৰ্চৰ মুৰব্বী ব্ৰিগেডিয়াৰ জেনেৰেল ৰেজা মোজাফফাৰিনীৰ মৃত্যু হৈছে।

## বকোৰ বেকেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থা কাৰ্যালয় প্ৰাঙ্গণত বাইখো উৎসৱৰ আয়োজন

**অসম বাৰ্তা, বকো; ১৩ জুন ঃ** অসমৰ ভূমিপুত্ৰ ৰাভা জনগোষ্ঠীয়ে পালন কৰা কৃষিভিত্তিক উৎসৱ হৈছে বাইখো। সাধাৰণতে ইংৰাজীৰ এপ্ৰিল-মে' আৰু অসমীয়া জেঠ মাহত ৰাভাসকলে শস্যৰ আশা আৰু বৰষুণৰ কামনাৰ লগতে তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰি এই উৎসৱ পালন কৰা হয়। প্ৰতি বছৰৰ দৰে এইবেলিও বকোৰ বেকেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত কৰা হয় ৰাভা জনগোষ্ঠীৰ পৰম্পৰাগত বাইখো পূজা। ৰাতিপুৱা পুৱা পতাকা উত্তোলনৰ পিছতে শ্বহীদ তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ। কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত লগতে বেকেলি আঞ্চলিক ৰাভা ছাত্ৰ সন্থা,



ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ সৌজন্যত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হৈছে এই কৃষিভিত্তিক উৎসৱটো।

উল্লেখ্য যে, এই পূজাৰ দ্বাৰা কৃষক ৰাইজৰ শস্য নদন বদন আৰু অসুয়া অমংগল দূৰ কৰাৰ বাবে ৰাভাসকলে মূলতঃ এই পূজা অনুষ্ঠিত কৰি আহিছে। পূজাত উপাসনা কৰা দেৱ-দেৱীক গাহৰি আৰু মুৰ্গী বলি দি উছৰ্গা কৰা হয়। এই বিশেষ দিনটোত সন্ধিয়া মুখ্য আকৰ্ষণ হিচাপে গীতৰ তালে তালে নৃত্য কৰি বাইখো দেৱীক সন্তুষ্ট কৰোৱাৰ বাবে জলি উঠা মেজিৰ অঙঠাৰ ওপৰেৰে পাৰ হৈ নৃত্য প্ৰদৰ্শন কৰা হয় লগতে মুখ্য অতিথি হিচাবে উপস্থিত থাকিব ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতৃত্বই।

## ধলা ছৈখোৱাৰ ধৰ্ষণৰ কাণ্ডকলৈ গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক শেখৰ গুৰুঙৰ প্ৰতিক্ৰিয়া

অসম বাৰ্তা, মাকুম, ১৩ জুন ঃ তিনিচুকীয়া জিলাৰ ধলা আৰক্ষী থানাৰ ছৈখোৱাত এখন হাইস্কুলৰ নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰীক বিদ্যালয়খনৰে প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰা ভিকো চেত্ৰী নামৰ এগৰাকী শিক্ষকে যোৱা ২৬ মে'ত ৰান্ধনী ঘৰত টোপনি ধৰা ঔষধ মিহলি কৰি ক'লড্ৰিংকচ খুৱাই বলপূৰ্বক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছিল। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে অভিযুক্ত শিক্ষকজনক। ঘটনাৰ বিষয়ে কোনো লোকক অৱগত কৰিলে ধৰ্ষিতা ছাত্ৰী গৰাকীক অভিযুক্ত শিক্ষক গৰাকীয়ে হত্যাৰ ভাবুকি দিয়াৰ বাবে ঘটনাৰ বিষয়ে ছাত্ৰী গৰাকীয়ে পিতৃ-মাতৃ তথা কোনো লোকক অৱগত কৰোৱা নাছিল বুলি জানিব পৰা গৈছে। শাৰীৰিক আৰু মানসিকভাৱে ভাগি পৰা ছাত্ৰী গৰাকীয়ে যোৱা ৩ জুনত কীটনাশক ঔষধ খাই আত্মহত্যাৰ চেষ্টা কৰাত ছাত্ৰী গৰাকীক ততাতৈয়াকৈ ৰূপাই চাইডিঙৰ ডাঃ ডি চি বৰা নাৰ্ছিং হোমত ভৰ্তি কৰিব লগীয়া ঘটনা সংঘটিত হোৱাৰ পিছতে ঘটনাটো পোহৰলৈ অহাত ধৰ্ষিতা ছাত্ৰী গৰাকীৰ পিতৃয়ে ধলা থানাৰ আৰক্ষীক এজাহাৰ দাখিল কৰাৰ পিছতে অভিযুক্ত শিক্ষক গৰাকীক গ্ৰেপ্তাৰ কৰে ধলা আৰক্ষীয়ে। উক্ত ঘটনাৰ বাবে আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ হৈ সম্পাদক শেখৰ গুৰুঙে তীব্ৰ গৰিহণা প্ৰদান কৰে। শিক্ষাৰ্থী আৰু শিক্ষকৰ সম্পৰ্কৰ মাজত কালিমা সানি শিক্ষকৰ প্ৰতি শিক্ষাৰ্থীৰ আস্থা, বিশ্বাস হেৰুওৱাৰ দৰে ঘটনা সংঘটিত কৰা আটকাধীন অভিযুক্ত শিক্ষকগৰাকীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ প্ৰশাসনলৈ দাবী উত্থাপন কৰে শেখৰ গুৰুঙে। লগতে উক্ত ঘটনাৰ লগত যদি আৰু কোনোবা ব্যক্তি জড়িত হৈ আছে উক্ত ব্যক্তিকো প্ৰশাসনৰ আওতালৈ আনি উচিত তদন্তৰে বিহীত ব্যৱস্থা লবলৈ প্ৰশাসনক দাবী জনায় সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সম্পাদকগৰাকীয়ে।

### নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ কোন হ'ব

## সঘনাই চৰ্চিত হৈছে ডিম্বেশ্বৰ বেজবৰুৱা, হিতেশ ব্ৰহ্ম আৰু গীতুমনি বৈশ্যৰ নাম



**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১৩ জুন ঃ** পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতেই নলবাৰীত চৰ্চা চলিছে কোন হ'ব নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ ।জিলাখনত এই লৈ শাসকীয় বিজেপি দল তৎপৰ হৈ পৰিছে। কিয়নো তিনিটা বিধান সভা সমষ্টি যুক্ত জিলা খনত নলবাৰী জিলা পৰিষদৰ অধ্যক্ষৰ আসন খন বিজেপিয়ে গঠন কৰাটো নিশ্চিত। নলবাৰী জিলাৰ মুঠ ১২ টা জিলা পৰিষদীয় সমষ্টিৰ ১১ খন জিলা পৰিষদতেই বিজেপিৰ মনোনীত প্ৰাৰ্থী জয়ী হয় ।মাত্ৰ এটা জিলা পৰিষদ সমষ্টি বৰক্ষেত্ৰী পশ্চিম নলবাৰী জিলা পৰিষদত বিৰোধী দল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ী হ'বলৈ সক্ষম হয় ।একেদৰে আঞ্চলিক পঞ্চায়তটো একক সংখ্যা গৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয় বিজেপি-অগপ মিত্ৰজোঁট। ৬৫ টা আঞ্চলিক সদস্য (কাউন্সিলৰ)পদৰ ৫৪ টা পদতেই বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী জয়ী হয় ।সেইফালৰ পৰা চাবলৈ গ'লে জিলাখনৰ ৭ টা আঞ্চলিক পঞ্চায়তৰ সভাপতি পদতেই বিজেপি মিত্ৰজোঁট প্ৰাৰ্থী অধিষ্ঠিত হোৱাটো খাটাং ।কিন্তু এতিয়া সৰব চৰ্চালৈ আহিছে যে,-তিনিখলপীয়া পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ সমষ্টিত নিৰ্বাচিত ১১ গৰাকী জয়ী প্ৰাৰ্থীৰ কোন গৰাকীয়ে অধ্যক্ষৰ আসন বহিব ।নলবাৰী বিধান সভা সমষ্টিৰ পৰানে, বৰক্ষেত্ৰী সমষ্টিৰ পৰা,নে টিহু সমষ্টিৰ পৰাই জিলা পৰিষদৰ অধ্যক্ষ গৰাকী বাচনি কৰা হ'ব সেইলৈয়ো বিজেপি দলৰ নেতা কৰ্মী,মন্ত্ৰী, বিধায়কৰ মাজত গুণাগঁঠা চলিছে ।মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰতিনিধিত্ব কৰা নলবাৰী সমষ্টিৰ পৰাই শেষ মুহূৰ্ত্তত জিলা পৰিষদৰ অধ্যক্ষ গৰাকী বাচনি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। কিয়নো, নলবাৰী সদৰ সমষ্টিৰ পৰাই জিলা পৰিষদৰ অধ্যক্ষগৰাকী বাচনি কৰাৰ আগতেও বহু নজিৰ আছে। ইতিমধ্যে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষৰ আসনৰ বাবে ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য, নলবাৰী জিলা বিজেপিৰ উপ সভাপতি তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ সোঁহাত স্বৰূপ ডিম্বেশ্বৰ বেজবৰুৱা নাম দলৰ বাহিৰে ভিতৰে চৰ্চাত থকাৰ উপৰিও সচেতন ৰাইজৰ মাজতো সঘনাই নাম ওলাইছে ।ইয়াৰ সমান্তৰালভাৱে নলবাৰী সমষ্টিৰ পশ্চিম বনভাগ জিলা পৰিষদৰ সদস্য তথা নলবাৰী জিলা এছ টি মৰ্চাৰ সভাপতি হিতেশ ব্ৰহ্মৰ নামো চৰ্চিত হৈছে ।তদ্ৰূপ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৰভাগ জিলা পৰিষদৰ সদস্য তথা প্ৰাক্তন সভানেত্ৰী গীতুমনি বৈশ্যৰ নাম সঘনাই চৰ্চিত হৈছে ।যদিহে আসনখন মহিলাৰ বাবে সংৰক্ষিত হয় তেতিয়া হ'লে গীতুমনি বৈশ্য যে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ হ'ব সেয়া নুই কৰিব নোৱাৰি ।ইতিমধ্যে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষৰ আসনৰ বাবে নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক তথা জিএমডিৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ মাজত টনা আজোৰা আৰম্ভণি হৈছে বুলি জানিব পৰা গৈছে।

### ভূৰাগাঁৱত বিধ্বংসী ধুমুহাত ব্যাপক ক্ষতি

## মেলাআটিত ঘৰ ভাঙি উৰি অহা টিঙে ছিন্ন কৰিলে বিধবা মহিলাৰ ডিঙি

**অসম বাৰ্তা, ভূৰাগাঁও, ১৩ জুন ঃ** যোৱা নিশা বিধ্বংসী ধুমুহাত মৰিগাঁও জিলাৰ ভূৰাগাঁও, কুশতলি, গেৰুৱা, বৰালিমাৰী আদি অঞ্চলৰ ব্যাপক ক্ষতি সাধন কৰে। পথাৰত যথেষ্ট পৰিমাণৰ মাকৈ আৰু বৰো ধানৰ খেতি বিনষ্ট হয় ধুমুহাত। বৃহৎ বৃহৎ গছ বাগৰি পৰাত বিদ্যুত বিভাগৰো বিস্তৰ ক্ষতি হয়। আজি পুৱা বহু সময়লৈ বাট পথ আবদ্ধ কৰি ৰাখে পথত বাগৰি পৰা একোডাল বৃহৎ গছে। ইয়াৰ সমান্তৰালকৈ বহু লোকৰ ঘৰৰ চালি উৰুৱাই নি ঘৰ-দুৱাৰৰো বিস্তৰ ক্ষতি সাধন কৰে। নিশা প্ৰায় ১ মান বজাত বলা ভয়ংকৰ ধুমুহা টোৱে প্ৰাণ লয় এগৰাকী মহিলাৰ। মহিলা গৰাকীৰ ঘৰ মৰিগাঁও সমষ্টিৰ মেলাআটিৰ। মৃত বিধবা মহিলা গৰাকীৰ নাম লাখপতি ৰাজভৰ। মহিলা গৰাকীৰ পৰিয়াল টোক ধুমুহাই একপ্ৰকাৰ সৰ্বস্বান্ত কৰিলে। খহনীয়া বিধ্বস্ত নিহত ধুমুহাই সপোন ভঙা বিধবা সৰ্বহাৰা মহিলা গৰাকীৰ হৃদয় বিদাৰক জীৱন কাহিনীয়ে আজি সকলোকে মৰ্মাহত কৰে। বিধবা সৰ্বহাৰা মহিলা গৰাকীৰ অন্তিম সপোন টোকো যেন ধুমুহাই তচ নচ কৰিলে ।শুনিলে গা শিয়ৰি উঠা এটি আছিল দুৰ্ঘটনাটো। জানিব পৰা মতে ধুমুহাত ঘৰৰ চালিৰ পৰা তাচ পাতৰ দৰে খহি পৰা টিনপাতে নিমিষতে দুচেও কৰে বিধবা মহিলা গৰাকীৰ দিঙী। ধুমুহাৰ শেষত মবাইলৰ লাইট জ্বলাই টিনপাতৰ তলত একমাত্ৰ কণ্যা দিপালীয়ে মাকৰ ৰক্তাক্ত নিথৰ দেহ টো দেখে । কিন্তু তেতিয়ালৈ মাতৃ লাখপতি ৰাজভৰে পৃথিবীৰ মায়া ছিঙি গোছি গৈছিল। উল্লেখ্য যে লাখপতি ৰাজভৰ আছিল ভূৰাগাঁও দিঘলিআটিৰ। দিঘলিআটিত হোৱা ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াত ২য় বাৰলৈ গৈ নিজ চহৰীয়া পঞ্চায়ত এলেকাত আশ্ৰয় লৈ আছিল। তাতো খহনীয়াই পোৱাত জেংপৰি গাঁৱৰ দুটা স্হানত পৰ্যায় ক্ৰমে আশ্ৰয় লয়। সেই স্হানতো খহনীয়াত ঘৰ ভেটি ব্ৰহ্মপুত্ৰত জাহ যোৱাত স্বামী হীন বিধবা মহিলা গৰাকীয়ে মৰিগাঁও সমষ্টিৰ মেলাআটিত কোনোমতে দুকঠা মাটি লৈ নিজৰ পুত্ৰ কণ্যাক বুকুত সাবতি নতুনকৈ ঘৰ খন সাজিছিলগৈ। ৪ বাৰকৈ ঘৰ ভেটি হেৰুৱায়ো পৰিস্হিতিৰ জীৱন যুঁজত হাৰ নমনা লাখপতি ৰাজভৰে অৱশেষত প্ৰাকৃতিক দুৰ্যোগতে প্ৰাণ হেৰুৱাব লগা হ'ল ।খহনীয়াত সৰ্বস্বান্ত মহিলা গৰাকীৰ সন্তান কেইটাৰ বাদে প্ৰকৃতাৰ্থত জমাঘৰত নাছিল খোলাকটি। তথাপি বুকুত এবুকু আশা লৈ নতুনকৈ ঘৰখন পাতোঁতেই ধুমুহাই লাখপতি ৰাজভৰৰ সপোনৰ ডেউকা ভাঙিলে চিৰদিনৰ বাবে । ধুমুহাই কালৰূপ ধাৰণ কৰা সময়ত পুতেক জীয়েকক ঘৰৰ নিৰাপদ স্হানলৈ পথাই বাৰাণ্ডাতে বৈ বতৰৰ ৰেহৰূপ চাইছিল মাতৃ লাখপতিয়ে । তেনে সময়তে ঘৰৰ পৰা ওফৰি অহা টিনে লাখপতি ৰাজভৰৰ জীৱন ললে। নিষ্ঠুৰ নিয়তিৰ ওচৰত হাৰ মনা লাখপতি ৰাজভৰৰ পৰিয়াল টোক উপযুক্ত ক্ষতিপূৰণ দিবলৈ আহ্বান জনাইছে স্হানীয় লোকে।



## সঞ্জীৱনী বৰালৈ যোগ শিক্ষাৰ প্ৰসাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় আইকন বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুন ঃ** ইণ্টাৰনেশ্যনেল ৱৰ্ল্ড ৰেকৰ্ডছে যোগ শিক্ষাৰ পাঠদানৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে গোলাঘাটৰ সঞ্জীৱনী বৰাক আন্তঃৰাষ্ট্ৰীয় 'আইকন বঁটা ২০২৫' অলপতে প্ৰদান কৰে। উল্লেখ্য, আধুনিক পাঠদান পদ্ধতিৰ সৈতে পৰম্পৰাগত যোগ নীতিসমূহক একত্ৰিত কৰাৰ প্ৰতি তেওঁৰ দায়বদ্ধতাই সমাজৰ অগণন ব্যক্তিক সুস্থ আৰু অধিক সুষম জীৱনৰ নেতৃত্ব দি সমাজখনক শক্তিশালী কৰি তোলাতো সঞ্জীৱনী বৰাৰ বিশেষ অৱদান আছে। তেওঁ গোলাঘাট বেঙেনাখোৱাৰ নিবাসী স্বৰ্গীয় মিনকান্ত বৰা আৰু স্বৰ্গীয় ৰোষপ্ৰভা বৰাৰ জীয়ৰী তথা কছাৰিহাটৰ নিবাসী ৰাতুল গগৈৰ পত্নী।

### অভয়াপুৰী বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ত পৰ্যটন আৰু আতিথ্যৰ কৰ্মশালা

## ছালাদ প্ৰস্তুতকৰণ কৰ্মশালাৰে শিক্ষাৰ্থীৰ দক্ষতা বিকাশৰ নতুন পদক্ষেপ

**অসম বাৰ্তা, অভয়াপুৰী, ১৩ জুন ঃ** পৰ্যটন আৰু আতিথ্য বিষয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ অংশ হিচাপে শিক্ষাৰ্থীসকলৰ মাজত মৌলিক ৰন্ধন কৌশল আৰু খাদ্য প্ৰস্তুতিকৰণৰ জ্ঞান বিকাশ কৰাৰ লক্ষ্যৰে বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ত কালি নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বিশেষ কাৰ্যশালাৰ আয়োজন কৰা হয়। এই কৰ্মশালাটো পৰ্যটন আৰু আতিথ্য বিষয়ৰ বৃত্তিমূলক প্ৰশিক্ষক অনুপমা ৰায়ৰ তত্বাৱধানত অনুষ্ঠিত হয়। কৰ্মশালাখত মূলত ছালাদ প্ৰস্তুতিকৰণ, কাটিং প্ৰযুক্তি, খাদ্য পৰিষ্কাৰতা, শোভাযুক্ত পৰিৱেশন আদিৰ ওপৰত ব্যাপকভাৱে হাতে-কলমে প্ৰশিক্ষণ দিয়া হয়। ছাত্ৰ-ছাত্ৰীয়ে পৃথকভাৱে নিজে নিজে খাদ্য সাজি বাস্তৱভাৱে কাৰ্যত অংশ লয়, যাৰ জৰিয়তে তেওঁলোকৰ আত্মবিশ্বাস আৰু প্ৰয়োগিক দক্ষতা উভয়তে উন্নতি ঘটে। উল্লেখযোগ্য যে, ২০২২ চনত অসম চৰকাৰৰ সমগ্ৰ শিক্ষা আঁচনিৰ অধীনত যুৱা এডুকেটিভ এল এল পিৰ সহযোগত এই বিষয়টো বিদ্যালয়খনত আৰম্ভ কৰা হৈছিল। পাঠ্যক্ৰমটো বিশেষকৈ প্ৰয়োগিক আৰু দক্ষতাভিত্তিক শিক্ষা প্ৰদানৰ ওপৰত কেন্দ্ৰিত। কেৱল তাত্ত্বিক জ্ঞানৰ ভিতৰতে সীমাবদ্ধ নথকা এই শিক্ষাদানৰ পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱত উদ্যোগ ক্ষেত্ৰত লগত নিজকে সুযোগ প্ৰদান আৰু প্ৰস্তুত কৰি তোলে । বিদ্যালয়খনত এই বিষয়টোৰ পাঠদানৰ লগতে শিক্ষাৰ্থীৰ অভিজ্ঞতাভিত্তিক শিক্ষাৰ দিশতো গুৰুত্ব দিয়া হৈছে। এই পৰিপ্ৰেক্ষিতত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে- যেনে উত্তৰ-পূব ভাৰতৰ পৰম্পৰাগত খাদ্যৰ প্ৰদৰ্শনী, থলুৱা খাদ্যৰ নিৰ্মাণ প্ৰক্ৰিয়া, ৰাজবংশী আৰু গাৰো সম্প্ৰদায়ৰ খাদ্য সংস্কৃতি, শীতল পানীয়ৰ বিকল্প হিচাপে পৰম্পৰাগত পানীয়ৰ প্ৰস্তুতি, বনৰীয়া ফুটকলা ফলৰ ব্যৱহাৰ আদিৰ ওপৰত শিক্ষামূলক প্ৰদৰ্শনী। এই সক্ৰিয় অভিজ্ঞতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পুথিভিত্তিক জ্ঞানেই নহয়, সৃষ্টিশীল চিন্তন, দলগত সহযোগিতা আৰু বাস্তৱ ক্ষেত্ৰত দক্ষতা বিকাশৰ সুযোগ লাভ কৰিছে । এই সমূহ কাৰ্যসূচী সফলভাৱে সম্পন্ন কৰাৰ পিছত, প্ৰশিক্ষক অনুপমা ৰায়ে মন্তব্য কৰে যে - "এই ধৰণৰ কাৰ্যসূচীয়ে শিক্ষাৰ্থীৰ উৎসাহ বৃদ্ধি কৰাৰ লগতে বিদ্যালয় পৰ্যায়তেই তেওঁলোকক পৰ্যটন আৰু আতিথ্য উদ্যোগৰ বাবে প্ৰস্তুত কৰিবলৈ সহায়ক ভূমিকা পালন কৰিব।" বিদ্যালয়খনৰ প্ৰধান শিক্ষক দীপক শৰ্মাৰ নেতৃত্বত সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰীসকল ক্ৰমে জুলুৱাণী দাস, মৃদুল চক্ৰৱৰ্তী, ৰাণাদিত্য বৰ্মণ, আব্দুল আৱাল, মৃদস্মিতা দাস, বন্দিতা দেৱী, ৰীণা প্ৰামাণিক, ছোফিয়া খাতুন, ৰুবী দাস, ফিৰোজা ছিদ্দিক আৰু মৃণাল ভাগৱতীক ধৰি সকলোৱে একেলগে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশ নিশ্চিত কৰাৰ বাবে সক্ৰিয়ভাৱে পৰিশ্ৰম কৰি আহিছে। এই ধৰণৰ কাৰ্যসূচীয়ে বিদ্যালয়খনৰ শিক্ষাৰ মান বৃদ্ধিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত এক নতুন দিশ সূচনাৰ সম্ভাৱনা সৃষ্টি কৰিছে।

### শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ উদ্যোগত বিংশতিতম্ কেন্দ্ৰীয় ৰাভা দিৱসৰ আয়োজন

## সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা

**ষ্টাফ ৰিপটাৰ, শিৱসাগৰ, ১৩ জুন ঃ** সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতিৰ সৌজন্যত ২০ জুনত বিংশতিতম্ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ আয়োজন কৰা হৈছে। শিৱসাগৰ নগৰস্থ জিলা পুথিভঁৰাল প্ৰাংগনত পুৱা ৯-৩০ বজাত দুখন কৈ পতাকা উত্তোলন কৰিব ক্ৰমে জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ আৰু উদযাপন সমিতিৰ সভানেত্ৰী ডাঃ বীনাপাণি হাজৰীকাই । ১০-০০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। বন্তি প্ৰজ্বলন কৰিব সত্ৰাধীকাৰ লক্ষ্মী কান্ত মহন্ত আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰমা গগৈ আৰু ইনু বৰগোঁহাই তামুলীয়ে। পুৱা ১১-০০ বজাৰ পৰা অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত "ৰাভা সংগীত" প্ৰতিযোগিতা। প্ৰতিযোগিতা খনি দ্বিতীয় শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ মাথো এটা শাখাত অনুষ্ঠিত হ'ব । ১৯ জুনৰ ভিতৰত প্ৰতিভাৱান ছাত্ৰ- ছাত্ৰীৰ যোগদান নিশ্চিত কৰিবৰ বাবে উদ্যোক্তা সকলে অনুৰোধ জনাইছে । সেইদৰে আগতিয়াকৈ প্ৰতিযোগীৰ নাম পঞ্জীয়ণ আৰু প্ৰ-পত্ৰ দাখিল কৰিব লাগিব। তদুপৰি বিষ্ণু ৰাভা দিৱসৰ লগত লগত সংগতি ৰাখি দিনৰ ১-৩০ বজাৰ পৰা মুকলি সভা, স্মাৰক বক্তৃতা, সম্বৰ্ধনা , স্মৃতিগ্ৰন্থ কলাগুৰু, চিত্ৰাংকন প্ৰতিযোগিতাৰ বটাঁ বিতৰণী অনুষ্ঠানৰ লগতে শিল্পী- সাহিত্যিকৰ সমাহাৰ ঘটিব। উল্লেখ যোগ্য যে, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ দৰ্শন আৰু কৰ্মৰাজী শীৰ্ষক বক্তৃতা প্ৰদান কৰিব বীৰ লাচিত মহাবিদ্যালয়ৰ সহ অধ্যাপক ড° সীমান্ত বৰুৱাই। পুণৰ বিয়লি ২-৩০ বজাৰ পৰা " ৰাভা সংগীত " প্ৰতিযোগিতা" খনি অনুষ্ঠিত হ'ব। প্ৰতিযোগী সকলৰ সুবিধাৰ বাবে নাম , ঠিকনা , Whatsapp ম'বাইল নম্বৰ ,পিতৃ-মাতৃৰ নাম সহ ৮৪৮৬৭০৯৫৫৫এই নম্বৰৰ ৱাটচ আপ কৰি পঠাব লাগিব। প্ৰতিজন প্ৰতিযোগীৰ ভৰ্তি মাচুল পাঁচশ টকা মাত্ৰ। জি পে- নং - ৯৪৩৫২০৪৯৩৫। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা সকলক বিশিষ্ট ব্যক্তিৰ সোঁৱৰণী মানদণ্ড ট্ৰফী , নগদ ধন, মানপত্ৰ আদি বঁটা প্ৰদান কৰাৰ লগতে অতিৰিক্ত ১০ গৰাকী বিজয়ী প্ৰতিযোগীক মান্যানুসাৰে পুৰস্কাৰ সমূহ প্ৰদান কৰা হ'ব । সবিশেষ জানিবৰ বাবে - ৮৪৮৬৭০৯৫৫৫, . ৯১০১১৭৩০১৪ আৰু ৯৮৫৪৮৩৯৯৫২ এই নম্বৰত যোগাযোগ কৰিব পাৰিব । প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীক যোগদান নিশ্চিত কৰাৰ লগতে প্ৰতিযোগিতা খনি সফল কৰি তুলিবৰ বাবে শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ লগতে উদযাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আহ্বান জনাইছে।

## জাঁজী জামুগুৰি সংস্কৃত টোলত কেন্দ্ৰীয় সংস্কৃত দিৱস আৰু কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ১৩ জুন ঃ** শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰিৰ সংস্কৃত টোলত অসম উচ্চ সংস্কৃত বিদ্যালয় অধ্যাপক সন্মিলনৰ উদ্যোগত আৰু জাঁজী জামুগুৰি সংস্কৃত টোলৰ সহযোগত কেন্দ্ৰীয় সংস্কৃত দিৱস আৰু কৰ্মশালা ১৬ আৰু ১৭ জুনত দুদিনীয়াকৈ বিস্তৃত কাযসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে । উক্ত কাযসূচীৰ লগত সংগতি ৰাখি জাঁজী জামুগুৰি সংস্কৃত টোলৰ জৰিয়তে বৈদিক গণিত বিষয়ৰ কৰ্মশালাৰ শুভ উদ্বোধনী কাযসূচী হাতত লোৱা হৈছে । কাযসূচী অনুসৰি ১৬ জুনত পুৱা ১০ বজাত বন্তি প্ৰজ্বলন কৰিব জামুগুৰিৰ সংস্কৃত টোলৰ বিজ্ঞান শিক্ষক বিজিত শইকীয়াই । লগতে উপস্থিত থাকিব অসম উচ্চ সংস্কৃত বিদ্যালয় অধ্যাপক সন্মিলনৰ কাযকৰি সভাপতি ধনীৰাম কলিতা,দেৰগাঁও জয়নাথ সংস্কৃত টোলৰ প্ৰধান অধ্যাপক দীপক বৰঠাকুৰ । আনহাতে ১০-৩০ বজাত সংস্কৃত দিৱসৰ শুভ উদ্বোধন কৰিব বিশিষ্ট সংস্কৃত পণ্ডিত টপেশ্বৰ বৰাই। অনুষ্ঠানত সভাপতিত্বত কৰিব অধ্যাপক সন্মিলনৰ সভাপতি ৰমেশ চন্দ্ৰ শৰ্মাই । ইয়াৰোপৰি মুখ্য অতিথি আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব হেমচন্দ্ৰ গোস্বামী সংস্কৃত টোলৰ প্ৰধান অধ্যাপক ৰূপ চন্দ্ৰ গোস্বামী, চলা জ্ঞান দায়ী পালি বিদ্যালয়ৰ প্ৰধান অধ্যাপক ধ্ৰুৱ জ্যোতি শ্যাম ,নতুন কমলা বাৰী সংস্কৃত টোলৰ স্নাতক শিক্ষক প্ৰফুল্ল বৰুৱা, বালি জান পালি টোলৰ প্ৰধান অধ্যাপক তজেন শ্যাম ,সাংবাদিক ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, প্ৰশেনজিত গগৈ, দিগন্ত শৰ্মা,জাঁজী জামুগুৰিৰ সংস্কৃত টোলৰ প্ৰাক্তন স্নাতক শিক্ষক বিনন্দ আচায্য । সমান্তৰালভাৱে ১৭ জুনত বৈদিক গণিত বিষয়ক কৰ্মশালাৰ শুভ আৰম্ভণিৰ অনুষ্ঠানৰ পুৱা ৯-৩০ বজাত বন্তি প্ৰজ্বলন কৰিব গীতালি কলিতাই । কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে, নৱজিত শৰ্মা,বীৰেন শৰ্মা,আৰু যুগল কুমাৰ মহন্ত। অনুষ্ঠানতো সাফল্য মণ্ডিত কৰিবলৈ অসম উচ্চ সংস্কৃত বিদ্যালয় অধ্যাপক সন্মিলনৰ সভাপতি ৰমেশ চন্দ্ৰ শৰ্মা, কাযকৰি সভাপতি ধনীৰাম কলিতা, কোসাধ্যক্ষ ৰঞ্জু মণি দেৱী, সম্পাদক শশীন্দ্ৰ শৰ্মা আৰু জামুগুৰিৰ সংস্কৃত টোলৰ প্ৰধান অধ্যাপক প্ৰণৱ গোস্বামীয়ে সহযোগিতা কামনা কৰিছে।

## ঘগ্ৰাপাৰৰ-সাহানবিষ্টুপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী মেছেৰ আলীৰ মৃত্যু

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১৩ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সাহানবিষ্টুপুৰ গাঁও নিৱাসী, বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক মেছেৰ আলী (৬৭)ৰ আজি পুৱা ১০ -৩০ মান বজাত নিজ বাসগৃহত মৃত্যু হয় ।দীৰ্ঘদিন ধৰি কেইবাটাও ৰোগত আক্ৰান্ত হৈ নিজগৃহতে মৃত্যুৰ সৈতে যুজি আছিল ।তেওঁ ১৯৫৮ চনৰ ১ এপ্ৰিল সাহানবিষ্টুপুৰ গাওত অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল ।তেওঁ প্ৰয়াত শ্বেখ মনমিল আৰু নজুমা বেগমৰ একমাত্ৰ পুত্ৰ আছিল। প্ৰয়াত মেচৰ আলী ২০১৮ চনত বনভাগ খাতা দিহজাৰী হাইস্কুলৰ পৰা সহকাৰী শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বে মেছেৰ আলীয়ে ধমধমা মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে চাকৰি কৰিছিল । বিশিষ্ট সমাজকৰ্মী , অৱসৰপ্ৰাপ্ত শিক্ষক আলীয়ে গাওখনৰ লগতে অঞ্চলটোৰ প্ৰতিঘৰ মানুহৰ সুখ দুখ , বিপদ আপদ খা খবৰ লোৱাৰ লগতে জাতি ধৰ্ম নিৰ্বিশেযে হিন্দু মুছলমান, বড়োকে ধৰি সমাজখনৰ সকলো ধৰ্ম মানুহক একগোট কৰি ৰাখিছিল। প্ৰয়াত আলী সাহানবিষ্টুপুৰ বৰবিষ্টুপুৰ মহজিদ উন্নয়ন আৰু পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, সাহানবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি, মাজুশিৰাল প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি থকাৰ উপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্হাৰ লগতে অনেক দল সংগঠনে গভীৰ শোক প্ৰকাশ কৰে ।মৃত্যুৰ সময়ত আলীয়ে পত্নী সহ দুই পুত্ৰ বোৱাৰী, জী জোৱাই, নাতি নাতিনী সহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

## অভয়াপুৰী লাচিত নগৰত শিৱ মন্দিৰৰ নাটঘৰৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, অভয়াপুৰী, ১৩ জুন ঃ** অভয়াপুৰীৰ লাচিত নগৰত অৱস্থিত ঐতিহাসিক শিৱ মন্দিৰৰ প্ৰাংগণত আজি শিৱ মন্দিৰত নাট অনুষ্ঠান, ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যকলাপৰ সুবিধাৰ্থে এখন নাটঘৰ নিৰ্মাণৰ উদ্যোগ গ্ৰহণ কৰা হয় আৰু ইয়াৰ আধাৰশিলা স্থাপন কৰা হয় । আধাৰশিলা স্থাপন কৰে জ্যেষ্ঠ নাগৰিক তথা সমাজসেৱী কৰুণ শৰ্মাই । নাটঘৰখন আনুমানিক ২৫ ফুট দৈৰ্ঘ্য আৰু ৩৫ ফুট প্ৰস্থৰ হ'ব বুলি জানিব পৰা গৈছে। এই প্ৰকল্পৰ বাবে অসম চৰকাৰে এককালীন চৰকাৰী আঁচনিৰ অধীনত ডেৰ লাখ টকাৰ অনুদানো আগবঢ়াইছে। শিৱ মন্দিৰ আৰু নাটঘৰ নিৰ্মাণৰ এই পবিত্ৰ কাৰ্যত লাচিত নগৰবাসীয়ে নিজেও ভাৱে অৰ্থ আৰু শ্ৰম আগবঢ়াইছে। আধাৰশিলা স্থাপন অনুষ্ঠানটোত ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গাম্ভীৰ্যপূৰ্ণ তোলে। স্থানীয় ৰাইজৰ লগতে বহু ধৰ্মীয় ভক্ত, সমাজকৰ্মী আৰু যুৱক-যুৱতী উপস্থিত থাকে। সকলোৰে আশা এই যে, নাটঘৰখন নিৰ্মাণৰ পিছত শিৱ মন্দিৰটোৱে অঞ্চলটোত এক সামাজিক আৰু ধৰ্মীয় কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব।

## ভাওনা শিল্পৰ একান্ত সাধক নৱজ্যোতি পাগবন্ধাক বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, আমগুৰি, ১৩ জুন ঃ** ভাওনা সংস্কৃতিৰ সাজ-সজ্জা আৰু ৰূপসজ্জাৰ জগতখনত সাধনাৰে দীৰ্ঘদিন ধৰি যুক্ত হৈ থকা শিৱসাগৰ জিলাৰ আমগুৰি নগৰৰ ১০ নম্বৰ ৱাৰ্ডৰ বাসিন্দা নৱজ্যোতি পাগবন্ধাক অলপতে চাৰিং ৰাস মহোৎসৱ আৰু কলা কৃষ্টি কেন্দ্ৰৰ যৌথ উদ্যোগত বিশেষ সম্বৰ্ধনা জনোৱা হয়। এই বিশেষ অনুষ্ঠানটি শ্ৰীশ্ৰী আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ জন্মদিবস উপলক্ষে অনুষ্ঠিত হৈছিল। অসমৰ বিভিন্ন স্থানত সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ জন্ম দিৱস টি "সদ্ভাৱনা দিৱস" হিচাপে ৰাজহুৱা ৰূপত পালন কৰা হয়। চাৰিং ৰাস মহোৎসৱ আৰু কলা কৃষ্টি কেন্দ্ৰৰ যৌথ উদ্যোগত অনুষ্ঠিত এইবাৰ সদ্ভাৱনা দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ ৬৭ গৰাকী বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিত্বক সম্বৰ্ধনা জনোৱা হয়। যাৰ ভিতৰত আমগুৰিৰ "উৎপলজ্যোতি পোছাক ভাণ্ডাৰ"ৰ স্বত্বাধিকাৰী নৱজ্যোতি পাগবন্ধাও অন্যতম।১৯৬৪ চনত যোৰহাট জিলাৰ বামুনপুখুৰীত জন্ম গ্ৰহণ কৰা পাগবন্ধাই ৮০ দশকৰ পৰা "পাগবন্ধা পোছাক ভাণ্ডাৰ"ৰ জৰিয়তে ভাওনাৰ সাজ-সজ্জাৰ জগতখনত যাত্ৰা আৰম্ভ কৰিছিল। তেতিয়াৰে পৰা আজিলৈকে তেওঁ ভাওনা সংস্কৃতিৰ আৱশ্যকীয় উপাদান সাজ-পোছাক আৰু ৰূপসজ্জাৰ জৰিয়তে সমাজলৈ সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি স্থান দখল কৰিবলৈ



সক্ষম হৈছে। তেওঁৰ সাধনাই গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা সংস্কৃতি সংৰক্ষণ আৰু প্ৰচাৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এইবাৰ চাৰিং ৰাস মহোৎসৱত তেওঁক দিয়া সম্বৰ্ধনা তেওঁৰ শিল্প জীৱনৰ এক গুৰুত্বপূৰ্ণ স্বীকৃতি হিচাপে বিবেচিত হৈছে।

## হিমন্ত বিশ্বই আদানী পূজা বন্ধ কৰক অসম মাতৃৰ পূজা অৰ্চনাত বহক

### পৰ্বতঝোৰাৰ বাসবাৰীৰ মাটি অসমৰ ভূমিপুত্ৰৰ, আপৰ প্ৰতিক্ৰিয়া

### আমি বাসবাৰীবাসীৰ লগত আছোঁ ঃ ৰাজীব শইকীয়া

**অসম বাৰ্তা, মেৰাপানী, ১৩ জুন ঃ** কোকৰাঝাৰ জিলাৰ বাসবাৰীৰ তিনি হাজাৰ চাৰিশ বিঘা মাটি গৌতম আদানীক হস্তান্তৰ কৰিবলৈ লোৱা জাতিবিৰোধী কাৰ্যৰ তীব্ৰ বিৰোধীতা কৰিছে আম আদমি পাৰ্টীয়ে । বাতৰি কাকতলৈ আজি প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত আম আদমি পাৰ্টী, অসমৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰাজীব শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, পৰ্বতঝোৰাৰ বাসবাৰীৰ মাটি ভূমিপুত্ৰ বড়ো আৰু অন্যান্য জনগোষ্ঠীয়, জনজাতীয় লোকসকলৰ । এই মাটিৰ অধিকাৰ তাত বসবাস কৰি থকা লোকসকলেহে পাব । আদানীৰ দৰে বৃহৎ পুঁজিপতি গোষ্ঠীক মাটি দিয়াৰ অধিকাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সঁকিয়নী দি আম আদমি পাৰ্টীৰ নেতা ৰাজীব শইকীয়াই কয়, খিলঞ্জীয়াৰ সুৰক্ষা, জাতি - মাটি - ভেঁটি ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে আপোনালোক শাসনৰ গাদীত বহিছে। গতিকে প্ৰতিশ্ৰুতি পালন কৰি বাসবাৰীবাসীৰ মনৰ কথা শুনক । মুখ্যমন্ত্ৰীয়ে আদানী পূজা বন্ধ কৰি অসম মাতৃৰ পূজা অৰ্চনা আৰম্ভ কৰক বুলি সঁকিয়াই দি আপৰ নেতাজনে কয়, এইজন মুখ্যমন্ত্ৰী শাসনত বহা দিনাৰ পৰা কেৱল মাটি বাৰীৰ হিচাপ নিকাচতে ব্যস্ত থাকিল। কাৰ, ক'ত , কিমান মাটি আছে তাৰ হিচাপ নিকাচ কৰি মাটি বাৰীবোৰ কেনেদৰে নিজৰ লগতে পৰিয়ালৰ নামত নামজাৰী কৰিব পাৰি সেই কামত এইজন মুখ্যমন্ত্ৰী ব্যস্ত বুলি তেখেতে অভিযোগ কৰে। বাসবাৰীবাসীৰ মৰ্মবেদনাৰ প্ৰতি আমাৰ সহমৰ্মিতা আছে, আমি বাসবাৰীবাসীৰ লগত আছোঁ — আপৰ নেতাজনে বিবৃতিটোত কয়। বাসবাৰীৰ এক ইঞ্চি মাটি আদানীক এৰি নিদিবলৈ বাসবাৰীবাসীৰ প্ৰতি আম আদমি পাৰ্টীয়ে আহ্বান জনাইছে । বাসবাৰীবাসীৰ গণ আন্দোলনৰ প্ৰতি আম আদমি পাৰ্টী, অসম য়ে পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ কথা সদৰী কৰিছে আম আদমি পাৰ্টী, অসমৰ নেতা ৰাজীব শইকীয়াই।

## শিমলাবাৰীত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, অভয়াপুৰীত, ১৩ জুন ঃ** বঙাইগাঁও জিলাৰ অন্তৰ্গত শিমলাবাৰী অঞ্চলত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। স্থানীয় লোকৰ মতে, এই অগ্নিকাণ্ড সংগঠিত হয় আবুল কালাম আজাদ নামৰ এগৰাকী ব্যক্তিয়ে বাস কৰা এখন টিনপাতৰ ঘৰত। প্ৰাপ্ত তথ্য অনুসৰি, অগ্নিকাণ্ডৰ মূল কাৰণ ৰূপে প্ৰাথমিকভাৱে বিদ্যুৎৰ শ্বট ছাৰ্কিট বুলি সন্দেহ কৰা হৈছে। ঘৰখনত কোনো নথকাৰ সময়তে জুইৰ সূত্ৰপাত হয়, যাৰ ফলস্বৰূপে জুই একেবাৰে নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। অগ্নিকাণ্ডত আবুল কালাম আজাদৰ ঘৰ সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। ঘৰত থকা মূল্যবান সোনৰ আ-অলংকাৰ, বহু পৰিমাণৰ ধান চাউল, নগত কেবা লাখ টকা, লগতে সকলো ধৰণৰ নথিপত্ৰ জুইত জাহ যায়। ক্ষতিগ্ৰস্ত পৰিয়ালে জানিবলৈ দিয়ে যে অগ্নিকাণ্ডটোৰ ফলত মুঠ প্ৰায় ২০ লাখ টকাৰ সম্পত্তি নষ্ট হয়। অগ্নিকাণ্ডৰ সময়ত ঘৰখনত কোনো নথকাৰ বাবে কোনো প্ৰাণহানিৰ ঘটনা সংঘটিত নহয় যদিও আৰ্থিক ক্ষতি অতি গভীৰ। অগ্নিনিৰ্বাপক বাহিনীয়ে পুৱা স্থানীয় লোকৰ সহায়ত বহু সময় ধৰি চেষ্টা কৰি জুই নিয়ন্ত্ৰণলৈ আনে।

## বৰপেটাৰোডত বৃহৎ পৰিমাণৰ গাঞ্জাসহ আটক সৰবৰাহকাৰী

**অসম বাৰ্তা, বৰপেটাৰোড, ১৩ জুন ঃ** বৰপেটাৰোড আৰক্ষীয়ে গোপন সূত্ৰৰ খবৰৰ ভিত্তিত এক অভিযান চলাই বৰপেটাৰোডৰ ২ নং ৱাৰ্ডৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জাৰ লগতে চোৰাং সামগ্ৰীসহ এগৰাকী গাঞ্জা ব্যৱসায়িক আটক কৰিবলৈ সক্ষম হয়। ধৃত ব্যৱসায়ী গৰাকী বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত কলহভাঙ্গাৰ লালচান আলী অৰফে বগা বুলি জানিব পৰা গৈছে। ধৃত লালচান আলীৰ পৰা আৰক্ষীয়ে ৭ কেজি ২০ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰাৰ লগতে তিনিটা চোৰাং ইলেকট্ৰনিক পানী মটৰ পাম্প, এটা দমকল, বিভিন্ন লোৰ সা-সামগ্ৰীকে ধৰি এলুমিনিয়াম আৰু তামৰ বৈদ্যুতিক তাঁৰ জব্দ কৰে। প্ৰাপ্ত খবৰ অনুসৰি দীৰ্ঘদিন ধৰি লালচান আলী নামৰ ব্যক্তি গৰাকীয়ে চহৰখনত অবৈধ গাঞ্জাৰ ব্যৱসায় চলাই অহাৰ উপৰিও বিভিন্ন চুৰিকাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপন হৈ আছিল। আজি বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্ব এটি আৰক্ষীৰ দলে ২ নং ৱাৰ্ডৰ পুৰণি ৰেলৱে অভাৰ ব্ৰীজৰ তলৰত এক অভিযান চলাই লালচান আলীৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জাৰ লগতে চোৰাং সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি বৰপেটাৰোড আৰক্ষীয়ে লালচান আলীক আটক কৰি জেৰা অব্যাহত ৰাখিছে।

## গোলাঘাটত মহিলা নিৰুদ্দেশ হোৱাক লৈ চাঞ্চল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুন ঃ** গোলাঘাট জিলাৰ খুমটাইৰ শেনছোৱাত এগৰাকী মহিলা নিৰুদ্দেশ হোৱাক লৈ চাঞ্চল্যই বিৰাজ কৰিছে। শেনছোৱাৰ অপৰ্ণা বৰা নামৰ এগৰাকী বিবাহিত মহিলা যোৱা দুদিন ধৰি নিৰুদ্দেশ হোৱাৰ খবৰে ঘৰখনত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। শেনছোৱা গাঁৱৰ জয়ন্ত বৰাৰ পত্নী অপৰ্ণা বৰাৰ যোৱা ১০ জুনত নিৰুদ্দেশ হৈ পৰাৰ পিছৰে পৰা কোনো শুংসূত্ৰ পোৱা নাই পৰিয়ালে। সেইদিনা দিনৰ ভাগতে গোলাঘাট টাউনলৈ যোৱা অপৰ্ণা আজিলৈকে ঘৰলৈ ঘূৰি অহা নাই। ম'বাইলটোৰো চুইচ অফ হৈ আছে। যাক লৈ চিন্তিত হৈ পৰিছে পৰিয়ালটো। দুটা সন্তানৰ মাতৃ অপৰ্ণা কোনো দুষ্ট চক্ৰৰ কবলত পৰাৰ সন্দেহ স্বামী তথা স্থানীয় লোকৰ। আৰক্ষীয়ে মহিলা গৰাকীৰ সন্ধান অব্যাহত ৰাখিছে।

অসম বাৰ্তা গোষ্ঠীৰ হৈ স্বত্বাধিকাৰ তনয় বৰাৰ দ্বাৰা গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ■ বিজ্ঞাপন বিভাগ ঃ e-mail: info@asombarta.in
■ ভ্ৰাম্যভাষঃ +৯১-৭০৯৯৪৩৫৪৬২(ম) ■ বিজ্ঞাপন বিভাগ ঃ +৯১-৮৬৩৮১৬২৫০৪ ■ যোৰহাট কাৰ্যালয় ঃ তৰাজান, যোৰহাট, ৭৮৫০১০,(যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব)